# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ২৮/৮/২০২৪ বুধবাৰ

**আজি ইংৰাজী ২৮-০৯-২০২৪ তাৰিখে মাননীয় অধ্যক্ষ মহোদয়ৰ নেতৃত্বত পুনৰ ৯ঃ৩০ বজাৰ পৰা সদনৰ কাম কাজ আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৪১।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, (ছয়গাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিদৰে উত্তৰখিনি দিছে, সেই উত্তৰত মই একেবাৰে সন্তুষ্ট হ'ব পৰা নাই। উত্তৰ স্পষ্টকৈ নিদি আওঁপকীয়াকৈ দিছে। মই সুধিছিলো উচ্চস্তৰীয় কমিটিৰ কথা। কিন্তু মোক উত্তৰ দিলে অসম চৰকাৰে গঠন কৰা উপ সমিতিৰ কথা। মই সুধিছিলো অসম চুক্তিৰ ৬ নং দফা কাৰ্য্যকৰী কৰাৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্ম্মাৰ নেতৃত্বত যি উচ্চস্তৰীয় কমিটি গঠন কৰা হৈছিল, সেই কমিটিৰ পৰামৰ্শৰ ভিত্তিত ৬ নং দফা কাৰ্য্যকৰী কৰা হৈছে নে নাই, তাৰ উত্তৰ ভালকৈ দিয়া নাই। উচ্চস্তৰীয় কমিটিৰ প্ৰতিবেদন দিল্লীলৈ প্ৰেৰণ কৰা হ'লনে নাই সেইটো স্পষ্ট নহয়। এতিয়া মই আৰু জানিব বিচাৰিছো দিল্লীলৈ উচ্চস্তৰীয় প্ৰতিবেদন গ'ল নে নগ'ল স্পষ্টকৈ মন্ত্ৰী মহোদয়ে নিশ্চয়কৈ উত্তৰ দিব আৰু ঘূৰাই পকাই যাতে নিদিয়ে। মন্ত্ৰী মহোদয়ে আজি পবিত্ৰ বিধান সভাত স্পষ্টকৈ জনোৱা উচিত ৬ নং দফা চৰকাৰে কাৰ্য্যকৰী কৰিব নে নকৰে? ৬ নং দফা কেতিয়া কাৰ্য্যকৰী কৰা হ'ব তাৰ নিৰ্দিষ্টি সীমাৰ বিষয়ে জনাওঁক মন্ত্ৰী মহোদয়ে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি সদনৰ মজিয়াত যিকেইটা উত্তৰ দিছো সেইকেইটা অতি স্পষ্ট। ইয়াত আমি ঘূৰাই পকাই উত্তৰ দিয়া নাই। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ গাইডেনচত যিখিনি যোৱা দিনকেইটাত অসম চুক্তি ৰূপায়ন সম্পৰ্কে কৰা হৈছে সেইখিনি স্পষ্টভাৱে দিয়া আছে। এতিয়া মাননীয় সদস্যগৰাকীয়ে এটা কথা সুধিছে যে ৬ নং দফাৰ ওপৰত যি উচ্চস্তৰীয় কমিটি গঠন কৰি দিছিল বিপ্লৱ শৰ্ম্মা ডাঙৰীয়াৰ নেতৃত্বত, সেই কমিটিৰ ৰিপোৰ্ট টো কেন্দ্ৰীয় চৰকাৰলৈ পঠালে নে নাই। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সাংবিধানিক আৰু বিধিগত দিশ সমূহৰ ওপৰত যাতে কোনো প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা নহয় সেই যি ৰিপোৰ্ট সেই ৰিপোৰ্ট ৰূপায়ণ কৰিবলৈ যাওঁতে, সেই খিনি চোৱাচিতা কৰিবৰ কাৰণে এখন চাব কমিটি গঠন কৰি দিছিল। চাব কমিটিত আমাৰ সৈতে আৰু দুই গৰাকী মন্ত্ৰীও আছে। অজন্তা নেওঁগ ডাঙৰীয়ানী আৰু পীযুষ হাজৰিকা ডাঙৰীয়া আৰু লগতে সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা আৰু সম্পাদকদ্বয়। এই দুয়োগৰাকী এই চাব কমিটিৰ সদস্য। যোৱা দিন বিলাকত আমি ৫ বাৰ বৈঠকত মিলিত হৈছো আৰু বিশদভাৱে আলোচনা কৰিছো, প্ৰতিটো দফা সম্পৰ্কত. অচিৰেই আৰু একলানি আলোচনা কৰিম। আমি আশা কৰিছো যে ৩ মাহৰ ভিতৰত আমি স্পষ্টভাৱে ইয়াৰ এটা ৰূপৰেখা প্ৰস্তুত কৰিব পাৰিম আৰু আমি চাবমিট কৰিব পাৰিম। সেই মতে আমি আগবাঢ়িব পাৰিম। মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তি ৰূপায়ণৰ ন'ডেল মিনিষ্ট্ৰি হৈছে, Union Home Ministry.Union Home Ministry ৰ সহায় নহলে আচলতে চুক্তি ৰূপায়ণ কৰাটো ৰাজ্য

চৰকাৰৰ কাৰণে অকলে সম্ভৱ নহয়। মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৫ চনত ৰাজীৱ গান্ধী ডাঙৰীয়াই সেই সময়ৰ তদানীন্তন প্ৰধান মন্ত্ৰীয়ে চুক্তিখন স্বাক্ষৰ কৰিছিল ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ যি দীঘলীয়া গণ আন্দোলন হৈছিল, গণ আন্দোলনৰ ফলত অসম চুক্তি কৰিবলৈ সেই সময়ত এখন চুক্তি কৰিবলৈ বাধ্য হৈছিল। কিন্তু দীঘলীয়া সময়লৈ কংগ্ৰেছ দিল্লীটো শাসনত থাকিল আৰু আমাৰ ৰাজ্যটো ক্ষমতাত থাকিল। যদি সদিচ্ছা থাকিলে হেতেন তেতিয়াহ'লে সেই সময়ছোৱাতে

----হুলস্থুল----

**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয় প্ৰধান মন্ত্ৰী ড°মনমোহন সিং ডাঙৰীয়াৰ নেতৃত্বত প্ৰথমবাৰৰ বাবে অসম চুক্তিক লৈ ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰিছিল ২০০৫ চনত এই কথা পাহৰিলে নহ'ব ছাৰ।

----হুলস্থুল----

**মাননীয় অধ্যক্ষ ঃ** প্লিজ প্লিজ হ'ব । আপুনি মাত্ৰ উত্তৰটো দিয়ক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** এখন চুক্তি কৰিলে লগতে আই এম ডি টি আইন খনো লগাই দিলে, যাতে বিদেশীক খেদিব নোৱাৰে। আজি যিবিলাক সমস্যা হৈছে এই সমস্যা বিলাকৰ কাৰণে জগৰীয়া কোন? আজি কংগ্ৰেছে আমাক সোধাৰ আগতে নিজক সুধিব লাগে, তেওঁলোকৰ নেতৃত্বক সুধিব লাগে।

--- হুলস্থুল ----

**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয় সেই সময়ত এটা কমিটি কৰিছিল সেই কমিটিৰ কথা ক'ব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে,কমিটিৰ কথাটো কৈ দিয়ক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)** ঃ ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াও সেই সময়ৰ সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত আছিল আৰু চুক্তিৰ অংশীদাৰ আছিল।

--- হুলস্থুল ----

**মাননীয় অধ্যক্ষ** ঃ হ'ব প্লিজ প্লিজ হ'ব ।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মই এই কথাটোৱেই কৈছো যে এখন চাব কমিটি মাননীয় মুখ্যমন্ত্ৰীয়ে গঠন কৰি দিছিল আৰু সেই চাব কমিটি ৫ বাৰ বৈঠকত মিলিত হ'ল আৰু খুব কম দিনৰ ভিতৰতে বিশেষকৈ এই চাব কমিটি কেৱল ছয় নং দফাৰ কাৰণে কৰা নাছিল, অসম চুক্তিৰ প্ৰতিটো দফা পুংখানুপুংখ ভাৱে আলোচনা কৰি এক ৰূপৰেখা প্ৰস্তুত কৰিবলৈকে এইখন গঠন কৰি দিয়া হৈছিল। গতিকে কম দিনৰ ভিতৰতে আকৌ আমি মিলিত হ'ম। মই ইতিমধ্যে উল্লেখ কৰিছো যে সাংবিধানিক আৰু বিধিগত দিশ সমূহৰ ওপৰত যাতে কোনো প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা নহয়, এইখন ৰূপায়ন কৰিবলৈ যাওঁতে সেই দিশবোৰ চোৱাচিতা কৰিবলৈ কমিটিখন গঠন কৰিছে ৰিপোৰ্টৰ পিছতেই আমি নিশ্চিত ভাৱে আমি লক্ষ্যত আগবাঢ়িব পাৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰীৰেকিবুদ্দিন আহমেদ, (ছয়গাওঁ)**ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে খং কৰি উঠিব নালাগে, তেওঁ অসম চুক্তিৰ মন্ত্ৰী, ছাত্ৰ সন্থাৰ সভাপতি আছিল, তেখেতৰ দায়িত্ব আছে আৰু ভগৱানে তেখেতক ইয়াত সেৱা কৰাৰ সুবিধা দিছে, এইটো তেওঁৰ সৌভাগ্য। ৰাজীৱ গান্ধীৰ নাম লোৱাৰ কাৰণে মই ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, বৰ্তমানৰ চৰকাৰে কৈ আহিছে যে অসমৰ সৈতে সংলগ্ন বাংলাদেশ সীমান্ত সম্পূৰ্ণৰূপে চীল কৰা হৈছে। কিন্তু মোৰ (গ) নং প্ৰশ্নৰ উত্তৰত দেখিলো

যে ভাৰত বাংলাদেশ সীমান্তত অসমৰ হৈ কৰিমগঞ্জ জিলাৰ ৪.৩৫ কিঃ মিঃ এলেকা এতিয়াওঁ উন্মুক্ত হৈ আছে । আমি ইমান দিনে সীমান্ত সম্পুৰ্ণৰূপে চীল কৰা এই কথাটো অসত্যৰ ওপৰত প্ৰতিস্থিত আছিল নেকি অধ্যক্ষ মহোদয়। মন্ত্ৰী মহোদয় যিহেতু ছাত্ৰ সন্থাৰ সভাপতি আছিল, সেইখিনি সময়ত আমিও তেওঁৰ লগত ছাত্ৰ সন্থা কৰিছিলো। তেওঁ এই যিটো সুযোগ পাইছে অসম চুক্তি ৰূপায়ণৰ তাৰ কাৰণে মই ভাবো সহ্য আৰু ধৈৰ্য্য সহকাৰে বেছিকৈ তেওঁ সময় দি যিখিনি দফা পুৰা হোৱা নাই সেইখিনিৰ ওপৰত তেওঁ জ্ঞান গৰিমাৰে সৈতে সকলোৰে পৰামৰ্শ লৈ কামখিনি আগবঢ়াব লাগে আৰু খং কৰিব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, (ছয়গাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াৰ আগতে এইটোৰ উত্তৰটো দি লওঁক।

**মাননীয় অধ্যক্ষ ঃ** উত্তৰ দিবৰ বাবে আপুনি প্ৰশ্নয়ে উত্থাপন কৰা নাই।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, (ছয়গাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্ন কৰিছো। ৪.৩৫ কিলোমিটাৰ এলেকা এতিয়াও উন্মুক্ত হৈ আছে। এইটো ছীল কৰা হৈ আছে বুলি কৈছে। এই বিষয়ত মাননীয় মন্ত্ৰী মহোদয়ে clarification দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Once for all যাতে অনুপ্ৰৱেশকাৰী ইয়ালৈ আহিব নোৱাৰে, বাংলাদেশৰ পৰা অনুপ্ৰৱেশ হ'ব নোৱাৰে তাৰ কাৰণেবোৰ্ডাৰ ছীলৰ ওপৰত ভাৰত চৰকাৰ আৰু অসম চৰকাৰে ক্ষীপ্ৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। যিকেইটা ঠাইত এতিয়ালৈকে বোৰ্ডাৰ উন্মুক্ত হৈ থকাৰ কথা উল্লেখ কৰিছে তাত বোৰ্ডাৰ গাৰ্ডে আপত্তি কৰাৰ বাবে কামখিনিত আগবাঢ়িব পৰা নাই। কিন্তু এই সম্পৰ্কত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো প্ৰশ্ন অসম চুক্তিৰ ৬ নং দফা আজিলৈকে কাৰ্য্যকৰী কৰা কিয় নহ'ল, যি কমিটি গঠন কৰা হ'ল সেই কমিটিৰ প্ৰতিবেদন দিল্লীলৈ পঠিওৱা হ'ল নে নাই? এইক্ষেত্ৰত কমিটিখনৰ প্ৰতিবেদন দিল্লীলৈ পঠিওৱা হোৱা নাই এই কথাটো ইয়াত নিলিখিলেও হয়তো স্পষ্টভাৱে প্ৰশ্নটোৰ উত্তৰৰ পৰা গম পোৱা যায়।

দ্বিতীয়তে, অসম চৰকাৰে মন্ত্ৰী গোট গঠন কৰিছিল নেকি? অসম চুক্তিৰ এখন ৰূপৰেখা প্ৰস্তুত কৰিবলৈ অসম চৰকাৰে তিনিজনীয়া মন্ত্ৰী গোট গঠন কৰিছিল। সেই উপ-সমিতিখনে এতিয়ালৈকে পঞ্চম লানি আলোচনা কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো হ'ল যে ২৫ ফেব্ৰুৱাৰী, ২০২০ চনত Ministry of Home Affairs য়ে এইটো ৰিপোৰ্ট নলওঁ বুলি ক'লে। তেতিয়া অসম চৰকাৰৰ সম্পূৰ্ণ কেবিনেট খনক এই ৰিপোৰ্টটো দিয়া হ'ল আৰু ২০১৯ চনত ৰাজ্য সভাত মাননীয় শ্ৰী অমিত শ্বাহ ডাঙৰীয়াই কৈছিল যে ৰাজীৱ গান্ধীয়ে চুক্তি কৰিলে কিন্তু তেওঁ ৰূপায়ণ কৰিবলৈ সাহস নহ'ল। আমাৰ বুকুত সাহস আছে, আমি আখৰে আখৰে ৰূপায়ণ কৰিম। অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে একে লাইনত কৈছিল যে অসমৰ কথাখিনি ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰে বিবেচনা কৰিছে। অসম চুক্তি আখৰে আখৰে পালন কৰা হ'ব। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া ৪ বছৰ, ২০২৪ চনৰ আগষ্ট মাহত আমি আহি আছো। ৪ বছৰতকৈ অধিক কাল ধৰি এই চুক্তিখন আৰু ৬ নং দফাৰ বিপ্লৱ শৰ্মাৰ কমিটিৰ ৰিপোৰ্টটো দিল্লীলৈ পঠোৱা

নহ'ল। তেতিয়া ৰিপোৰ্ট চাবমিশ্যনৰ ৪ মাহৰ পিছত সদৌ অসম ছাত্ৰ সংস্থাই প্ৰয়াত এডভোকেট জেনেৰেল নিলয় দত্তৰ সহযোগত অসমীয়াৰ সংজ্ঞা আৰু অন্যান্য ৮০ শতাংশ মান seat reservation ইত্যাদি যে ইয়াত আছে সেই কথাখিনিৰ তথ্য সংবাদ মহলত জাৰি কৰিলে। ইয়াত অসমীয়াৰ সংজ্ঞা বা খিলঞ্জীয়াৰ সংজ্ঞা অসম চৰকাৰে দিবলৈ ইচ্ছা কৰা নাই। কিন্তু তাত কোৱা হৈছে যে- ১ জানুৱাৰী, ১৯৫১ চনলৈকে অসমত থকা সকলো নাগৰিক ভাৰতীয় নাগৰিক, অসমৰ খিলঞ্জীয়া অসমীয়া মানুহ। সকলোকে অসমীয়া হিচাপে ইয়াত গণ্য কৰা হ'ব। এই কথাখিনি তাত ওলোৱাৰ পিছত এতিয়াও চৰকাৰে এই কথাবিলাত কিয় স্পষ্ট কৈ উল্লেখ কৰিব বিচৰা নাই, এই কথাটো মোৰ প্ৰশ্ন আৰু কেতিয়া এইখন কেন্দ্ৰীয় চৰকাৰৰ হাতত দিব? যিহেতু অসম চৰকাৰৰ কমিটি কৰাৰ কোনো প্ৰয়োজন নাছিল। মাত্ৰ এজনে কেন্দ্ৰীয় চৰকাৰৰ Home Secretary জনে তাত চহী কৰা নাছিল। বাকী সকলোৱে সৰ্ব্বসন্মত ভাৱে এই কথাখিনি মানি লৈ চহী কৰি অসম চৰকাৰক জমা দিলে। Implementing agency কেন্দ্ৰীয় চৰকাৰ। তেওঁলোকে ক'ব আমি কৰিব পাৰো নে নোৱাৰো। চৰকাৰে মাজত কিয় এই চাব কমিটি গঠন কৰিছে? সেয়েহে কেন্দ্ৰীয় চৰকাৰক তাৎক্ষণিক ভাৱে কেতিয়া পঠাব মই জানিব বিচাৰিছো আৰু কমিটিখনৰ ৰিপোৰ্ট ইয়াত দাখিল কৰা হোৱা নাই। কমিটি বিলাকৰ প্ৰয়োজনেই নাই। সেইকাৰণে কমিটি ভঙ্গ কৰিব নেকি আৰু পোনাপটীয়াকৈ জাষ্টিচ শৰ্মাৰ ৰিক'মেণ্ডেশ্যন খিনি দিল্লীলৈ পঠাব নেকি জানিব বিচাৰো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে উল্লেখ কৰি গৈছো যে বিপ্লৱ শৰ্মাৰ কমিটিৰ যি ৰিপোৰ্ট সেই ৰিপোৰ্টৰ সম্পৰ্কে কেইগৰাকীমান আইনজ্ঞই কিছুমান বিধিগত দিশ আঙুলিয়াই দিছিল আৰু যদি আমি সেই উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদন কাৰ্য্যকৰী কৰিবলৈ হয়, কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত যাতে বাধা নহয় সাংবিধানিক আৰু বিধিগত দিশ সমূহৰ ওপৰত যাতে কোনো প্ৰত্যাহ্বানৰ সন্মুখীন নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি সেই চাব-কমিটিখন গঠন কৰিছিলো। দফা নং ৬ সম্পৰ্কে নহয়। অন্যান্য যিবিলাক ক্লজ আছে, মাননীয় অধ্যক্ষ মহোদয়, আজি যদি সাংবিধানিক ৰক্ষা কবচৰ কথা কোৱা যায় তেতিয়াহ'লে আমাৰ চৰকাৰখনে অৰ্থনৈতিক ৰক্ষা কৱচ, সাংস্কৃতিক ৰক্ষা কৱচ আৰু সাংবিধানিক ৰক্ষা কৱচৰ কাৰণেও ইতিমধ্যে বহুতবোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰত চৰকাৰেও কৰিছে অসম চৰকাৰে ও কৰিছে। শেহতীয়াকৈ যি delimitation হ'ল, এই delimitation টো আমাৰ পুৰণা দাবী। Delimitation এই কাৰণেই ডিমাণ্ড কৰা হৈছিল যাতে খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষিত হয়। এনেদৰে যিবিলাক ৰিপোৰ্টত উল্লেখ কৰা হৈছে বহুত কামেই ইতিমধ্যে চৰকাৰে সম্পূৰ্ণ কৰিছে। তৎসত্বেও যাতে আকৌ এইখিনি ৰূপায়ণ কৰিবলৈ যাওঁতে নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া নহয় সেই দিশবোৰ চোৱা-চিতা কৰিবৰ কাৰণে এইটো মন্ত্ৰী গোট বুলি ক'ব নোৱাৰি, হয় ইয়াত আমি তিনি গৰাকী মন্ত্ৰী আছো আৰু সদৌ অসম ছাত্ৰ সংস্থাৰ প্ৰতিনিধি ও আছে। আমি আশা কৰিছো যে কম দিনৰ ভিতৰতে আমি ৰিপোৰ্ট দাখিল কৰিব পাৰিম।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো আমি যেনেদৰে বিচাৰিছিলো তেনেদৰে পোৱা নাই। গতিকে আমি মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰত সন্তুষ্ট হোৱা নাই, প্ৰশ্নৰ উত্তৰে দিয়া নাই।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মূল বিষয়ৰ পৰা আঁতৰি গৈছে।

.........................................সদনত হুলস্থুল.....................................

**माननीय অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৪.৩০৩৫ ৰ কৰিমগঞ্জ টাউনৰ কাষেৰে যোৱা অঞ্চলখিনিৰ কাম হোৱা নাই। মই বিচাৰিছো যে এই অঞ্চলৰ Geo line fencing ৰ কামখিনি সোনকালে হ'ব লাগে যাতে আমি এই অঞ্চলখিনি ছীল কৰিলে চিৰদিনৰ বাবে এই সমস্যাটোৰ পৰা সমাধান লাভ কৰিম। মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই এইটো ক্লিয়াৰলি জানিব বিচাৰিছো যে ১৯৮৫ চনৰ পৰা আজিলৈকে কিমান মানুহ বহিস্কাৰ কৰা হৈছে আৰু ১৯৮৫ চনৰ পৰা ২০১৫ চনলৈ দফা নং ৬ ৰ ওপৰত কি কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে, চাব-কমিটি গঠন কৰা হৈছিল নেকি বা কিবা সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে deportation ৰ কথা জানিব বিচাৰিছে। ১৯৮৫ চনৰ পৰা এতিয়ালৈ ৩০,১১৩ জনক post back কৰা হৈছে। যিখিনি অঞ্চলত এতিয়ালৈকে ফেঞ্চিং হোৱা নাই তাৰ কাৰণে ক্ষীপ্ৰতাৰে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য ড° ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত যিখিনি কথা মাননীয় মন্ত্ৰী মহোদয়ে ক'লে যে বিপ্লৱ শৰ্মাৰ কমিটিয়ে যিটো ৰিপোৰ্ট চাবমিট কৰিছে তাত কিছুমান আইনী দিশ আঙুলিয়াই দিয়াৰ কাৰণে কৰিব নোৱাৰে বুলি কৈছে। বিপ্লৱ শৰ্মা এজন জাষ্টিচ আছিল। এজন অৱসৰ প্ৰাপ্ত judge হৈয়ো যদি সংবিধানৰ বিৰূদ্ধে ৰিপোৰ্ট চাবমিট কৰিছে যেনেকৈ ৮০ শতাংশ সংৰক্ষণৰ কথাটো আহিছে, ভাৰতীয় সংবিধানে ৮০ শতাংশ সংৰক্ষণৰ কাৰণে অনুমতি নিদিয়ে। গতিকে তেনেকুৱা এজন অৱসৰ প্ৰাপ্ত judge থাকিও যদি সংবিধানৰ বিৰূদ্ধে ৰিপোৰ্ট প্ৰস্তুত কৰে এইটো কেনেকুৱা কথা হ'ব। অসম চুক্তিও ৰূপায়ণ হওঁক আৰু সংবিধানৰ বিৰুদ্ধেও যাব নালাগে।

.........................................সদনত হুলস্থুল.....................................

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা সৰু চাবমিশ্যন আছে। বিৰোধী দলপতি আৰু কংগ্ৰেছে কৈ আছে যে বিধান সভাৰ ৮০ শতাংশ আসন সংৰক্ষণ কৰি হ'লেও বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন গ্ৰহণ কৰিব লাগে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেনেকৈ কোৱা হোৱা নাই। কমিটিৰ ৰিপোৰ্টত এইটো আছে বুলি সংবাদ মাধ্যমত প্ৰকাশ .পাইছে আৰু এই বিষয়টো ৰিপোৰ্টত উল্লেখ আছে।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰিপোৰ্টত উল্লেখ আছে মানে আপোনালোকে কৰিব লাগে বুলি কৈছে আৰু AIUDF য়ে কৰিব নালাগে বুলি উল্লেখ কৰিছে। এইখিনিয়ে মোৰ চাবমিশ্যন।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত ল'ব। এইক্ষেত্ৰত অসম চৰকাৰে মাত মাতিব লগীয়া নাছিল।

...................................................সদনত হুলস্থুল.......................................

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ (সোনাৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক অৱগত কৰিব বিচাৰিছো যে কিছু দিন আগত শেহতীয়া বানৰ পৰিস্থিতিয়ে সোনাৰি সমষ্টিৰ প্ৰায় ৬ টা পঞ্চায়ত প্লাবিত কৰিছিল। খেতি পথাৰত প্ৰায় ২০ ফুটৰ ওপৰত পানী হৈ গৈছিল। প্ৰায় ১৫ দিনৰো অধিক পানীৰ তলত বুৰ গৈ আছিল। খেতি পথাৰ, ধান খেতি, পশুধন, ফিচাৰীৰ মাছকে ধৰি বহুখিনি ক্ষতি হৈছিল। প্ৰায় ৪০খনৰো অধিক গাওঁ প্লাৱিত হৈ গৈছিল। তেনেকুৱা এটা পৰিস্থিতিত মই নিজেই থাকি দেখিলো যে গৰু-ছাগলী, হাঁহ-কুকুৰা, গাহৰি ফাৰ্ম, মুৰ্গী ফাৰ্মৰ বিস্তৰ ক্ষতি হৈছিল। যিসকল লোকৰ ক্ষতি হৈছিল, সেইসকলক চৰকাৰ তথা প্ৰশাসনৰ তৰফৰ পৰা যথেষ্ট relief দিয়া হৈছিল আৰু ভুক্তভোগী ৰাইজেও সেইখিনি স্বীকাৰ কৰিছে। যিসকলৰ খেতি-বাৰী বা পশুধন নষ্ট হৈছিল, সেইসকলক ক্ষতিপূৰণ দিয়াৰ কথা আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰিছিল, কিন্তু, তেওঁলোকক কিমান দিনত ক্ষতিপূৰণ দিয়া হ'ব, কেনেকৈ দিয়া হ'ব এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে অৱগত কৰিলে অন্ততঃ ক্ষতিগ্ৰস্ত ৰাইজ আশ্বস্ত হ'ব বুলি মোৰ বিশ্বাস। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ**মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, পশুপালন ও পশুচিকিৎসা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ বানত যথেষ্ট সংখ্যক livestock population, poultry population ৰ ক্ষতি হৈছে। অন্যান্য ক্ষয়-ক্ষতিও হৈছে। তেওঁ ইতিমধ্যে প্ৰশ্ন উত্থাপন কৰিছে যে কিমান সংখ্যক পশুধনৰ মৃত্যু ঘটিছে আৰু ক্ষতিপূৰণৰ বাবদ কি কৰা হ'ব? চৰকাৰী নিয়ম অনুসৰি মৃত পশুধনৰ ক্ষতিপূৰণ হিচাপত ডাঙৰ জন্তু, গাভিনী খিৰতী গৰু, ম'হ আদিৰ ক্ষেত্ৰত ৩৭,৫০০ টকা ছাগলী, গাহৰি, ভেড়াৰ ক্ষেত্ৰত ৪০০০ টকাকৈ, ইতিমধ্যে সৰ্বমুঠ ৩০ টা পশুধনৰ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিছো। অধ্যক্ষ মহোদয়, এইবাৰ ৰাজ্যখনৰ ৩৪ খন জিলাত বানপানীত যিখিনি ক্ষয় ক্ষতি হৈছিল, তাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ততাতৈয়াকৈ সতীৰ্থ মন্ত্ৰীসকলক বিভিন্ন জিলালৈ প্ৰেৰণ কৰিছিল আৰু জিলা আয়ুক্তসকলক নিৰ্দেশ দিছিল যাতে assessment টো সঠিক ভাৱে হয়। প্ৰশাসনীয় বিষয়াসকলক লৈ assessment ৰ এটা এটা গোট গঠন কৰিও দিছিল আৰু সেইমতে সমগ্ৰ ৰাজ্যখনৰ assessment হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ইচ্ছা যে আগষ্ট মাহৰ ভিতৰতে এইখিনি ক্ষতিপূৰণ দিব। চৰাইদেউ জিলাত যিখিনি ক্ষয়-ক্ষতি হৈছে তাৰ তথ্য ইতিমধ্যে চৰকাৰৰ ঘৰলৈ আহিছে। নিশ্চয়কৈ এইখিনি খুব সোনকালে দিয়াৰ ব্যৱস্থা কৰিব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। প্ৰশ্ন নং ৪৩। শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ।

মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ (গোলকগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিখিনি উত্তৰ পাইছো, তাত এটা কথা লক্ষ্য কৰিছো। যিহেতু গংগাধৰ নৈখন গোসাইগাওঁ, গোলকগঞ্জ, গৌৰীপুৰ আৰু ধুবুৰী এই চাৰিটা সমষ্টিৰ মাজেৰে বয়, তাৰ ফলত ইয়াত গৰাখহনীয়া হয়, বানপানীৰ কবলত পৰি গাওঁ নোহোৱা হৈ যায়। সেয়েহে মই ADB ৰ অধীনত গংগাধৰ নৈখন গৰাখহনীয়াৰ পৰা ৰক্ষা কৰাৰ বাবে আঁচনি ল'বলৈ অনুৰোধ কৰিছিলো। কিন্তু ইয়াত দিয়া হৈছে যে ADB ৰ জৰিয়তে ইয়াৰ বাবে কোনো আঁচনি নোৱা নহয়। মই এটা কথা ক'ব বিচাৰিছো যে কেইদিনমান আগত মন্ত্ৰী মহোদয়ে গোসাইগাওঁ আৰু গোলকগঞ্জ সমষ্টিৰ কিছু অংশ পৰিদৰ্শন কৰিছিল। যোৱা

বিধান সভাৰ অধিবেশনত কৰা মোৰ অনুৰোধ মৰ্মে যদি ভোলাৰখাছ বান্ধটো নহ'লেহেঁতেন, এইবেলি বানৰ যি প্ৰকোপ আছিল কেইবাখনো গাওঁ উটি গ'লহেঁতেন। তাৰ পৰা ৰক্ষা কৰা কাৰণে মই ধন্যবাদ জনাইছো। কিন্তু, লোহাজানী, উত্তৰমৰাগদাধৰ, শিঙিমাৰী, টোকৰেছৰা আদিৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ২০ কোটি টকাৰ এটা প্ৰাক্কলন দিয়া বুলি প্ৰশ্নৰ (গ) নং উত্তৰত দিছে যদিও পুঁজি সাপেক্ষে কৰিব বুলিও উল্লেখ কৰিছে। যিহেতু 15th Finance ৰ জৰিয়তে মথাউৰি আৰু খহনীয়া প্ৰতিৰোধৰ কাম কৰিব বুলি মন্ত্ৰী মহোদয়ে যোৱাকালি বিধান সভাত কৈছিল সেয়েহে মই অনুৰোধ কৰিছো যে এই ২০ কোটি টকাৰ কামখিনি 15th Finance ৰ জৰিয়তে অতিশীঘ্ৰে যাতে কৰে। অন্ততঃ গোলকগঞ্জ সমষ্টিৰ মানচিত্ৰৰ পৰা প্ৰায় নোহোৱা হৈ যোৱা গাওঁখিনিৰ অলপ অংশ বাচিব। ইয়াৰ বাবে মই অনুৰোধ জনাইছো আৰু এই বিষয়ে মন্ত্ৰী মহোদয়ে উত্তৰ দিব লাগে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি)ঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, আমি তেখেতৰ সমষ্টিত এতিয়ালৈকে তিনিটা কাম কৰিছো। এটা হৈছে Pro Siltation measures for restoration of Belguri Village from flood damage of river Gangadhar, ইয়াৰ ৭৮%কাম সম্পূৰ্ণ হৈছে । ইয়াৰোপৰি, Bank Protection measures to protect Tamarhat Bazar and its adjoinig areas from the erosion of river Gangadhar on its left bank ইয়াৰ ৪৫% কাম সম্পূৰ্ণ হৈছে। তেখেতে কোৱা ভোলাৰখাছৰ পৰা কৈমাৰীলৈ এটা মথাউৰি P&D য়ে বনাইছিল। ইয়াৰ ৮৫% কাম আমি এইবছৰ সম্পূৰ্ণ কৰিলো। এই কামৰ ফলত প্ৰায় ৪০ খন গাওঁ বানপানীৰ পৰা বাচিছে বুলি সেই অঞ্চলৰ মানুহে টি.ভি. বা অন্য ভাৱে অসমৰ ৰাইজক জনাইছে। মই কেইদিনমান আগতে তেওঁৰ সমষ্টিলৈ গৈছিলো। তেখেতে মোক যোগাযোগ কৰিছিল যদিও দেখা নকৰিলে। তথাপিও আমি অসমৰ প্ৰত্যেকটো সমষ্টিৰ কাম কৰিবলৈ সাজু আছো বা আমি কাম কৰিবলৈ বাধ্য। তেখেতে মোক সহযোগ নকৰাৰ পাছতো তেখেতৰ সমষ্টিত উপস্থিত হৈ বাগদুগৰা গাৰোপাৰা নামৰ এখন ৯০০ মিঃ ৰ গাওঁ পাইছিলো। গংগাধৰ নদীৰ সোঁফালে আৰু বাওঁফালে পশ্চিমবংগ। পশ্চিম বংগৰ দুয়োফালে protection আছে কিন্তু আমাৰ protection নাই। সেয়েহে ময়ো আগতে exact spot লৈ যোৱা নাছিলো। কিন্তু মই উপলব্ধি কৰিলো যে আমাৰ মানুহখিনিৰ অলপ বেদনা আছে। পশ্চিমবংগই দুইফালে protection দি ল'লে। কিন্তু, আমাৰ মাজত থাকি গ'ল। ভৌগোলিকভাৱে কি আছে সেয়া satellite বা drone ৰ জৰিয়তে মই ইমান বিতং ভাৱে চাব পৰা নাই। সেইকাৰণে ওচৰত গ'লে ইমান বুজি পোৱা নাযায়। মই দেখিলো যে অসমৰ যি ৯০০ মিঃ অংশ আছে, সেইখিনিত protection নাই। সেয়েহে মই প্ৰতিশ্ৰুতি দি আহিছো যে এইবাৰ আমি ৩.৫ কোটি টকা খৰচ কৰি বাগদুগৰা গাৰোপাৰা অঞ্চলটো protection দিম, মথাউৰি বনাম আৰু অতি সোনকালে কাম আৰম্ভ কৰিম। সন্মানীয় সদস্যগৰাকীয়ে বাকী যিকেইটা কথা কৈছে, সেইকেইটা পুঁজি সাপেক্ষে নিশ্চয়কৈ কৰাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ (গোলকগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কোৱাৰ দৰে এইবেলি লোকসভা নিৰ্বাচনত গোটেই ভাৰতবৰ্ষৰ এটা ভোট কেন্দ্ৰত ভোট বৰ্জন কৰাৰ বিষয়ে সকলোৰে জ্ঞাত। পশ্চিমবংগৰ চাৰিওফালে, আচলতে চাৰিওফালে বুলি ক'ব নোৱাৰি, চাৰে তিনিফালে বুলি ক'ব লাগিব, অৰ্থাৎ কলহৰ লেখীয়া এটা অঞ্চল, য'ত মুখৰ ফালে মাত্ৰ ২০০

মিঃ মান আমাৰ যোৱাৰ ৰাস্তা আছে বাকী চাৰিওফালে পশ্চিমবংগ, upper section আৰু downline ৰ গোটেইখিনি boulder pitching ৰে পশ্চিমবংগই বান্ধিলে কিন্তু আমাৰখিনিৰ কোনো ধৰণৰ boulder pitching বা কোনো ধৰণৰ erosion protection নোহোৱাৰ বাবে প্ৰতি বছৰে খহাই খহাই গাওঁখিনি নোহোৱা হৈ আছে যাৰ বাবে এইবেলি সেই অঞ্চলৰ মানুহে ভোট বৰ্জন কৰিছিল। নিশ্চিতভাৱে পশ্চিমবঙ্গই যিহেতু upper line আৰু down line গোটেইখিনি কৰিব পাৰিছে, গতিকে মই অনুৰোধ কৰিছো কুটিভামনভাঙা গাওঁখনৰ কাৰণে কিবা এটা ব্যৱস্থ কৰিব লাগে লগতে মই আৰু অনুৰোধ কৰিব খুজিছো যে 15th Finance ৰ জৰিয়তে লোহাজানী, উত্তৰ মৰাগদাধৰ-শিঙিমাৰী, উত্তৰ টোকৰাৰছৰা এই চাৰিখন গাঁৱৰ কাৰণে কিবা এটা কৰিব বুলি মই অনুৰোধ কৰিছোঁ।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, (জলসম্পদ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীৰ সমষ্টিলৈ যাওঁতে তেখেতক মতা হৈছিল, তেখেতে আহি মোক অকনমান সহযোগীত কৰিলে হয়তো কুটিভামনভাঙা গাঁওখনৰ কামটো কিজানি নিশ্চয়কৈ সেইদিনাই কামটোও হৈ গ'ল হেতেন। গতিকে মই ভৱিষ্যতলৈ সেই গাঁওখনৰ কামটো কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ সন্মানীয় সদস্য শ্ৰী ভাস্কৰ বৰুৱা।

**শ্ৰীভাস্কৰজ্যোতি বৰুৱা, (তিতাবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হৈছে তিতাবৰত নগা পাহাৰৰ পৰা বৈ অহা চায়াপানী নামৰ এখন নদী আছে। সেই নদীখনৰ পানীৰ সোঁত আৰম্ভনীতে বহুত বেছি। মই যিটো চৰাইপানী অঞ্চলৰ কথা কৈছো, তাত চাহ শ্ৰমিকৰ পৰা আৰম্ভ কৰি জনজাতীয় লোকসকলে বসবাস কৰে। সেই অঞ্চলসমূহ protection ৰ অভাৱৰ কাৰণে দিনে ðĒö á1±àýÃÏûþ1+ô ÆËåÃ‚ýÃþ1 ßÁ1Ë ÷Lä÷ËýÃðÃþÁýÃ Â÷ËñÉ৩ টা proposal হাতে হাতে দি থৈ আহিছো। তেখেতে কৈছে যে পুঁজি সাপেক্ষে কৰি দিম বুলি। গতিকে এই কামখিনি কৰি দিয়াৰ কাৰণে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক পুনৰ অনুৰোধ কৰিলো।

আৰু এটা কথা হ'ল যে ২০২১ চনৰ প্ৰথম বিধান সভাত মই উল্লেখ কৰিছিলো যে তিতাবৰত থকা সীমান্তবৰ্তী এলেকা সমূহত পাহাৰৰ পৰা মাটি খহি আহি হাজাৰ হাজাৰ বিঘা মাটি লাহে লাহে পুতি পেলাইছে আৰু তাত এখন তেৰিমেৰি নদী আছে, সেই নদীখনক সংযোগ কৰিব লাগে কাকোদোঙা নদীৰ লগত। গতিকে মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে এটা বিশেষ ব্যৱস্থা লোৱাৰ কাৰণে অনুৰোধ কৰিছো।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)**ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি আলোচনাত ময়ো এইটো কথাই কৈছিলো কৃষি বিভাগৰ কথাখিনি আলোচনা হওঁতে। মোৰ সমষ্টিত এনেকুৱা পাহাৰীয়া নৈ বাবে ১৭ কোটি টকাৰ খাদ্য ধান উৎপাদন হোৱা নাই, ৩ হাজাৰ বিঘা মাটি, ৩ হাজাৰ পৰিয়ালৰ নাগালেণ্ডৰ পৰা অহা ৩ খন নৈৰ বাবে। তাৰ বাবে জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই কিবা ব্যৱস্থা ল'ব পাৰিব নেকি?

**শ্ৰী পীযুষ হাজৰিকা, (জলসম্পদ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি যিহেতু জলসম্পদ বিভাগৰ cut motion আছে, তাত এই বিষয়ে বিতংভাৱে আলোচনা হ'ব। তথাপিও মই চমুকৈ কওঁ যে বানপানী অসমৰ এটা ডাঙৰ সমস্যা। অসমৰ পৰা বানপানীৰ সমস্যা নাইকিয়া কৰিবই লাগিব। গতিকে সন্মানীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়া আৰু সন্মানীয় ভাস্কৰজ্যোতি বৰুৱা ডাঙৰীয়াই যি দুটা কথা কৈছে, সেইটোও গুৰুত্বপূৰ্ণ মই অস্বীকাৰ নকৰো, কিন্তু আমি

পৰ্য্যায়ক্ৰমে সকলোতকৈ বেছি বান বিধাস্ত অঞ্চলসমূহ কৰি কৰি আহি আছো। পৰবৰ্তী সময়ত নিশ্চয়কৈ সেই অঞ্চলসমূহ কৰিব লাগিব আৰু কৰিম বুলি আশ্বাস দিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৪৪, সন্মানীয় সদস্য শ্ৰীদুৰ্গা দাস বড়ো।

**শ্ৰী পীযুষ হাজৰিকা, (জলসম্পদ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী দূৰ্গা দাস বড়ো, (কলাইগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে মোৰ প্ৰশ্নৰ গোটেই কেইটা উত্তৰ দিছে যদিও মোৰ কেৱল আৰু এটা প্ৰশ্ন সুধিব লগীয়া আছে যে বাতৰি কাকত সমূহৰ যিটো মান আৰু সংখ্যা, সেইবিলাকৰ দৃষ্টি ৰাখে নেকি আমাৰ বিভাগে?

**শ্ৰী পীযুষ হাজৰিকা, (জলসম্পদ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি circulation ৰ কথাটো তেখেতলোকে A B C certificate দিয়ে বা আমি TV যদি দিও, TRP ৰ কথা নিশ্চয়কৈ আলোচনা কৰো আৰু কিছু ক্ষেত্ৰত মই অস্বীকাৰ নকৰো বহুত strongly, strictly আমি নকৰো। বাতৰি কাকতৰ কথাটো সকলোৱে জানে যে কভি'ডৰ পিছত বাতৰি কাকত উদ্যোগটো বহু ক্ষেত্ৰত বিপদত পৰি আছে। গতিকে এটা কথা ঠিক যে আমাৰ advertisement কতো নোলোৱাকৈ আমি কাকো এক টকাও নিদিও বা extra benefit নিদিও। কিন্তু আমি আকৌ কৈছো যে বহুত বেছি strongly আমি circulation ৰ ওপৰত নাযাওঁ। কিন্তু এটা কথা ঠিক যে অসম চৰকাৰৰ I&PR department য়ে আগতকৈ বহুখিনি কৰিবলৈ চেষ্টা কৰিছে। আগতে I&PR department বাজেট আছিল ৩০কোটি টকা, অসম চৰকাৰে এতিয়া I&PR department বাজেট কৰিলে ১০০ কোটি টকা। মাননীয় অধ্যক্ষ মহোদয়, বাতৰি কাকতত বা TV ত কিয় advertisement দিব লাগে, তাৰ এটা মই সৰু উদাহৰণ দিব বিচাৰিছো। এবাৰ আমাৰ কেবিনেট হৈছিল বঙাইগাওঁ জিলাত। আমি বঙাইগাওঁ জিলাত কেবিনেটলৈ যাওঁতে আমাক কেইটামান কাম দিছিল যি কেইটা মই দক্ষিণ কামৰূপেৰে কৰি গৈছিলো আৰু আহোতে কেইটামান কাম দিছিল সেইটো বাক্সা জিলাৰে কৰি আহিছো। এটা অন্যতম কাম আছিল যে মই এগৰাকী অটল অমৃত অভিযানৰ হিতাধিকাৰীৰ ঘৰলৈ যাব লাগে আৰু তেখেতৰ কি উপলব্ধি বুজি আহিব লাগে। সেই মৰ্মে মই অটল অমৃত অভিযানৰ হিতাধিকাৰীৰ জনৰ ঘৰলৈ গ'লো। মানুহ গৰাকীয়ে জনালে যে তেখেতে ২০১৮ চনত অটল অমৃত কাৰ্ডখন ব্যৱহাৰ কৰিছিল। মই সুধিলো যে আপুনি তাৰ পিছত কৰিছে নে নাই? তেওঁ কলে যে তাৰ পিছত ব্যৱহাৰ কৰা নাই। মই তেখেতক ক'লো যে অটল অমৃত কাৰ্ডখন প্ৰত্যেক বছৰে ব্যৱহাৰ কৰিব পাৰি, কিছুমানে renew কৰিব নালাগে, কিছুমানে ১০০ টকা দি renewal কৰিব লাগে, সেই কথাটো আপুনি জানে নে নাই? তেখেতে ক'লে মই নাজানো।

মাননীয় অধ্যক্ষ মহোদয়, আমি এতিয়াও বহু ব্যক্তিক কিছু কথা বুজাব পৰা নাই। চৰকাৰী আঁচনিৰ কথা আমি ভালদৰে বুজাব লাগে, সেই কাৰণে আমি advertisement ৰ সহায় লওঁ, তাৰোপৰি চাকৰিৰ নিবিদা বিষয়টো বহুত গুৰুত্বপূৰ্ণ। সেয়েহে আমি এই বিভাগক শক্তিশালী এইটো কাৰণে কৰিছো যাতে চৰকাৰী আঁচনি সমূহ মানুহৰ মাজলৈ লৈ যাব পাৰো। আমি আকৌ কওঁ যে অসমৰ যিমানখিনি বাতৰি কাকত বা TV আমাৰ বিভাগৰ অন্তৰ্ভূক্ত হৈ আছে, সকলোকে আমি নিয়মীয়া কৈ advertisement আৰু বিল দিবলৈ যত্ন কৰো আৰু কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীদূৰ্গা দাস বড়ো, (কলাইগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ শেষৰ প্ৰশ্ন হ'ল যে ১ জানুৱাৰী,

২০২২ চনৰ পৰা ৩১ জুলাই, ২০২৪ চনলৈকে ২২১,৯৩,৩৬,৪১৯ টকা মোকলাই দিয়া হৈছে বুলি জনাইছে। বৰ্তমানৰ চৰকাৰখনে যথেষ্ট ধন বৃদ্ধি কৰিছে, বৃদ্ধি কৰাৰ পিছতো কৰবাত কৰবাত আপত্তি থাকে। গতিকে মই  বিস্তৃত ভাৱে এই কাৰণে বিচাৰিছো যে বিভাগে আৰু অলপ তন্ন তন্নকৈ চাব নেকি ? তেনেকুৰা ধৰণৰ পাবলগীয়া আৰু পাব নলগীয়া সকলক তন্ন তন্নকৈ চোৱাৰ কাৰণে মই অনুৰোধ জনাইছোঁ।

**শ্ৰী পীয়ুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, নিয়ম আগতে এনেকুৰা আছিল যে আমাৰ অসম চৰকাৰৰ বিভাগৰ ক্ষেত্ৰত কৈছো যদি payment আমি ল'ব লাগে যে বিত্ত বিভাগলৈ চিলিং পঠিয়াব লাগে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেতিয়া সিদ্ধান্ত ললে যে এইটো বাতৰি কাকতক আমি খৰতকীয়ালৈ টকাকেইটা দিলে তেখেতলোকৰ  সুবিধা হয়, আমাৰো সুবিধা হয়। আগতে এনেকুৰা নিয়ম আছিল চিলিঙৰ কাৰণে বিত্তবিভাগলৈ যায়। বিত্ত বিভাগে তন্ন তন্নকৈ চায়। গতিকে ৬ মাহ ১ বছৰৰলৈকে বাতৰি কাকত, টি.ভি য়ে payment নাপায়। আমি এতিয়া এইটো নিয়ম কৰি দিছো যে আমি বিভাগলৈ দিব পাৰো। Highest level ৰ authority মই। Director য়ে Commissioner লৈকে দিয়ে, Commissioner য়ে মোলৈ দিয়ে আৰু মই approve কৰিলে লগে লগে দুদিনৰ ভিতৰত বাতৰি কাকত, টি. ভিয়ে বিল পায়। তাতকৈ ডাঙৰ কামটো হৈছে বাতৰি কাকত বা TV industry টোৰ কাৰণে কৰিব পৰা হয়। গতিকে তেখেতলোকো সুখী। কিন্তু অসুখী শ্ৰেণী এটা আছে মাননীয় অধ্যক্ষ ডাঙৰীয়া। আমি কম পালো, বেলেগে বেছি পালে এইটো এটা ডাঙৰ সমস্যা আছে। মই গম পাইছো যে মাননীয় সদস্য শ্ৰীদূৰ্গা দাস বড়ো ডাঙৰীয়াই এইটো কথাই নিশ্চয় কৈছে। মই তেখেতৰ প্ৰশ্নৰ ভিতৰৰ কথাখিনি মই কৈ দিছো। আমি যদি ABC ৰ কথা চাওঁ, কেতিয়াবা কওঁ যে news print ৰ GST ৰ copy দিয়ক। তেতিয়া মোক সকলোৱে বেয়া পাই যায়। কিছুমান কাম কৰো বুলিও কৰিব নোৱাৰো। তথাপিতো যিমানখিনি পাৰিছো শক্তিশালীভাৱে কৰিবলৈ চেষ্টা কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মই প্ৰশ্ন কৰিব নোৱাৰো। এইটো বিষয়ত বহুতেই মোৰ তাত আহি থাকে। মোৰ এটাই অনুৰোধ চৰকাৰৰ যিকোনো বিজ্ঞাপন ৰাইজে জনাতো অত্যন্ত দৰকাৰ। তেতিয়াহ'লে local language ৰ কিছুমান মিচিং, ৰাভা বা অন্যান্য পেপাৰত যাতে TRP নাচায়, বিজ্ঞাপনতো যাতে দি দিয়ে সেই মানুহখিনিয়ে গম পায়।

**শ্ৰী পীয়ুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপুনি খুব গুৰুত্বপূৰ্ণ কথা কৈছে language টো অলপ চিন্তা কৰিব লাগে। কিন্তু একেবাৰে যদি ABC নাচাওঁ, কৰবাত কেতিয়াবা শুনা যায় ২ শ copy চপাই DIPR ত approve কৰাব লাগে আৰু বিজ্ঞাপন লাগে তেতিয়া সমস্যা হৈ যায়। কিন্তু আপোনাৰ এই যিটো advice যে local language যিটো, সেইটো মই নিশ্চয় চাম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। প্ৰশ্ন নং- ৪৫ মোঃ নুৰুল হুদা।

**শ্ৰী অতুল বৰা (কৃষি মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মোঃ নুৰুল হুদা, (ৰূপহী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে। অসমত যোৱা বানপানীত  ১ লাখ ৩৬ হাজাৰ ৫ হেক্টৰ কৃষিভূমি নষ্ট হৈছে। ক্ষতিগ্ৰস্থ পৰিয়াল ২ লাখ ৮ শ ১৪ টা আৰু ৭ হাজৰ ৩ শ ৫ খন গাওঁ প্লাৱিত হৈছে। উত্তৰত যিটো দিছে কেৱল কঠীয়া ধানৰ বীজ, ৰবিশস্যৰ বীজ দিয়ে তেওঁলোকে দায়িত্ব সামৰিছে। এই ৰবিশস্য পাচলি খেতি পটল,

ভেন্দী, ভাতকেৰেলা, তিতাকেৰেলা, বীন এইবিলাক খেতি কৰিব যাওঁতে বাহেৰে চাং বনোৱা হয় আৰু ১ বিঘা মাটিৰ চাং বনাই খেতি কৰিবলৈ যাওঁতে কৃষকৰ প্ৰায় ৮০-৯০ হাজাৰ টকা খৰচ হয়। ঠিক তেনেকৈ কল খেতি যদি কৰিবলৈ যায় ১ বিঘা মাটিত ৪০-৫০ হাজাৰ টকা খৰচ হয়। অমিতা খেতিতো খৰচ হয়। বিলাহী, বেঙেনাৰ খেতি কৰোতে যথেষ্ট খৰচ হয়। এনেকুৱা কিছুমান পৰিয়াল আছে যে ১ বিঘা মাটি আছে, সেই মাটিতে চাং দি শস্য কৰি তাৰপৰা তেওঁ উপাৰ্জনেৰে চলি আছে। এনেকুৱা কষ্ট কৰি কপালৰ ঘাম মাটিত পেলাই তেওঁলোকে ধাৰ ঋণ কৰি খেতি কৰাৰ পাছত বানপানীয়ে খেতিসমূহ একেবাৰে নিঃশেষ কৰি দিছে আৰু চৰকাৰে কেৱল বীজ দি তেওঁলোকৰ পৰা দায়িত্ব সামৰিব বিচাৰিছে। যিসকল খেতিয়কৰ খেতি নষ্ট হৈছে মই মাননীয় মন্ত্ৰী মহোদয়ক বানপানীৰ সময়ত ফোন কৰিবলৈ কৈছিলো যে এনেকুৱা এটা অৱস্থা হৈছে। তেখেতে কৈছিল যে District Officer ক কৈ দিব District Officer সেইসমূহ কৰিব। কিন্তু এতিয়ালৈকে আমি একো গম নাপালো। মোৰ মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত এইটোৱেই প্ৰশ্ন এই যে হাজাৰ হাজাৰ টকা ক্ষতি কৰি খেতি কৰিলে আৰু সেই খেতি যে নষ্ট হৈ গ'ল মানুহৰ জীৱিকাৰ অসুবিধা হৈ গৈছে। গতিকে সেইসকলক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব নে নাই মই এই কথাটো জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, (কৃষি মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে বানপানী হৈ থকা অৱস্থাতে তেখেতৰ সমষ্টিত যিমান ক্ষয়ক্ষতি হৈছে সেই সম্পৰ্কে আমাক অৱগত কৰিছিল। তেখেতৰ প্ৰশ্নৰ উত্তৰত মই কৈ গৈছো যে অসমত যি বানপানী হৈ গৈছে তাত ১ লাখ ৩৬ হাজাৰ হেক্টৰ কৃষিভূমি বিনষ্ট হৈছে আৰু নগাওঁ জিলাত ১০ হাজাৰ ৯৩ হেক্টৰ বিনষ্ট হৈছে তেনেকৈ কাষতে লাগি থকা মৰিগাওঁ জিলাতো ১১ হাজাৰ ৫ শ ৭০ হেক্টৰ ক্ষতিগ্ৰস্থ হৈছে। আমি যিমানখিনি ব্যৱস্থা লৈছিলো কাৰণ বানপানী প্ৰত্যেক বছৰে আহে, গড়াখহনীয়া প্ৰত্যেক বছৰে হয় আৰু তাৰবাবে আমি আগতীয়াকৈ বিভাগৰ তৰফৰ পৰা কিছুমান প্ৰস্তুতি ৰাখো সমূহীয়া কঠীয়াতলিৰ প্ৰস্তুতি কৰো আৰু এই সমূহীয়া কঠীয়াতলিৰ প্ৰস্তুতিৰ জৰিয়তে ২ হাজাৰ ৫০ হেক্টৰ কঠীয়া প্ৰস্তুত কৰি সেই সময়ছোৱাতে ২০ হাজাৰ ৫ শ হেক্টৰ মাটিত ৰোপন কৰাৰ ব্যৱস্থা কৰা হৈছিল. ইয়াৰ উপৰিও আমি জানো যে কিছুমান ঠাইত বানপানী হোৱাৰ পাছত শালী খেতি কৰাৰ পৰিৱেশ নাথাকে। কাৰণ পানী বহু দিনলৈকে থাকে আৰু তাৰ কাৰণে আমি ৰবি প্লান কৰিছো। ৰবি প্লানত আমি RKVY ৰ জৰিয়তে সৰিয়হৰ বীজ, বাদাম, আলু, নহৰু, মটৰ, মিলেট ইত্যাদি RKVY আৰু NASF যোজনাৰ জৰিয়তে সকাহ দিয়াৰ আমি চেষ্টা কৰিছো আৰু ইয়াৰ উপৰিও আপেনালোকে জানে যে প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা এই ফচল বীমা যোজনা আমি জনপ্ৰিয় কৰি তুলিবৰ কাৰণে আমি অত্যন্ত চেষ্টা কৰিছো। বানপানীত যিখিনি ক্ষয়ক্ষতি হ'ল আমি তাৰ কাৰণে disaster managment ৰ জৰিয়তে কিমানখিনি কৃষকক দিব পাৰো তাৰ কাৰণে আমি চেষ্টা অব্যাহত ৰাখিছো, ৰবি খেতিত যাতে সহায়ক হয়, কিন্তু তেখেতে যিখিনি কথা কৈছে বীজ দিয়াৰ পৰা চাঙি দিয়ালৈতে সকলো কাম চৰকাৰে বা বিভাগে কৰি দিব নোৱাৰে। নিজাববীয়াকৈয়ো খেতিয়কসকলে কৰিব লাগিব। কিন্তু ২০২৩-২৪ বৰ্ষত মুঠ ৮ লাখ ২৮ হাজাৰ ২ শ ২৬ গৰাকী কৃষকৰ নাম ফচল বীমা যোজনাত পঞ্জীয়ণভূক্ত কৰা হৈছে আৰু ২০২৪ বৰ্ষত ৰাজ্যখনৰ প্ৰায় ৫ লাখ ৩০ হাজাৰ কৃষকে ফচল বীমা যোজনাৰ অধীনত নিজৰ নাম পঞ্জীয়ণ কৰিছে। যিবিলাক ঠাইত প্ৰত্যেক বছৰে বানপানী হয়, মই সন্মানীয় সদস্যসকলক অনুৰোধ জনাম যাতে এই ফচল বীমা যোজনাৰ জৰিয়তে

পিছৰ পৰ্য্যয়ত যাতে এইখিনি ক্ষতিপুৰণৰ কাৰণে কৃষক সকলক যাতে suport দিয়ে।

**মোঃ নুৰুল হুদা, ৰূপহী** ঃ বৰষুণৰ পানী জমা হৈ কিছুমান ঠাইত কৃত্ৰিম বানৰ সৃষ্টি হয়।

**মাননীয় অধ্যক্ষ** ঃ আপুনি এতিয়া মন্ত্ৰীৰ পৰা কি উত্তৰ বিচাৰে।

**মোঃ নুৰুল হুদা, (ৰূপহী)** ঃ কৃত্ৰিম বানৰ সৃষ্টি হৈ মানুহে খেতি কৰিব নোৱৰে। পানী জমা হৈ থাকে,কোনোবাই ফিচাৰী দিছে, ৰাস্তা বন্ধ হৈ গৈছে, ৰাস্তা এটা হৈছে কিন্তু কালভাৰ্ট হোৱা নাই। কৰবাত ৰাস্তাৰ কালভাৰ্ট বন্ধ কৰি দিছে, পানী জমা হৈ গৈছে, সেই পানী জমা হৈ খেতি অনুপযোগী হৈ গৈছে। তাত drain দি পানী নিষ্কাষণৰ ব্যৱস্থা কৰিব পৰা যায় নেকি ? মোৰ সমষ্টিৰ মাইৰিপাৰ পথাৰ, আদাখুণ্ডা পথাৰ, বগৰিগুৰি পথাৰ, বৰুণগুৰি পথাৰ, হিংদিয়া পথাৰ, গদাইবাৰী পথাৰ তাত ৩ হাজাৰ বিঘা মাটি পানীৰ তলত আছে তাত খেতি কৰিব নোৱাৰে। পানী যোৱাৰ কাৰণে পকা drain ৰ ব্যৱস্থা কৰি দিয়া হয়, তেতিয়াহ'লে ৩ হাজাৰ বিঘা মাটি খেতিৰ উপযোগী হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শিৰামণি বৰা।

**শ্ৰীমতী শিৰামণি বৰা, (বটদ্ৰৱা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব পাৰিছো যে উন্নত মান দণ্ডৰ খেতিবাতি কৰিবৰ বাবে কৃষি বিভাগত প্ৰত্যেকখন জিলাতে এখনকৈ সমিতি গঠন কৰি দিয়া হৈছে আৰু স্থানীয় বিধায়ক সকলক তাত অন্তৰ্ভূক্ত কৰা হৈছে। আপোনালোকে উন্নত মানদণ্ডৰ কাৰণে ট্ৰেক্টৰৰ পৰা আৰম্ভ কৰি যিখিনি সা-সঁজুলি দিয়ে সেইখিনি প্ৰত্যেকটো সমষ্টিত ভগাই দিয়ে। ধৰি লওঁক মোৰ বটদ্ৰৱা সমষ্টিৰ বাবে এখন ট্ৰেক্টৰ বা ২০ খন পাৱাৰ টিলাৰ আহিছে। মোৰ কথাটো হ'ল যে- এই সমিতিসহূক আমাক ৰখাৰ পিছত আমি মিটিং সমূহত বিধায়ক হিচাপে আমাৰ সমষ্টিৰ বাবে কিছুমান বস্তুত ৰিকমেণ্ড কৰো। কিন্তু তাৰ পিছত আপোনালোকৰ বিভাগৰ ফালৰ পৰা আমাক জনোৱা হয় যে আমাৰ কথা তেওঁলোকে ৰাখিব নোৱাৰে কাৰণ ওপৰৰ পৰা কিছুমান নিৰ্দ্দেশনা আছে। নগাওঁ জিলাৰ ডি ডি চিয়ে মোক এইবাৰ কৈছে যে "বাইদেউ আপুনি যিখিনি ৰিকমেণ্ড কৰিছে আমি দিব নোৱাৰো।" মই মাননীয় মন্ত্ৰী মহোদয়ক এইটোৱেই ক'ব বিচাৰিছো যে যদি আমাৰ বিৰোধী বিধায়ক সকলৰ ক্ষেত্ৰত এনেকুৱাই হয়, তেন্তে আমাক সমিতিত ৰাখি কি লাভ ? মাননীয় মন্ত্ৰী মহোদয়, আপুনি গোটেই জিলালৈ এটা নিৰ্দ্দেশনা দিয়ক যে আমাৰ বিৰোধী বিধায়ক সকলক নামত সমিতিত ৰাখি কি লাভ ? মোৰ এই কথাটোৱেই অৱগত কৰিবলগীয়া আছিল। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, উত্তৰ দিয়ক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যোৱা দিনকেইটাত কৃষি যান্ত্ৰিকীকৰণৰ কাৰণে বহু ব্যৱস্থা গ্ৰহণ কৰিছো। পাৱাৰ টিলাৰ, ট্ৰেক্টৰ, থ্ৰেচাৰ, কমবাইন হাৰ্ভেষ্টাৰ আদি এনেধৰণৰ কৃষি সঁজুলি বিতৰণ কৰাৰ ব্যৱস্থা কৰিছো। মাননীয় সদস্য গৰাকীয়ে নিজেই কৈছে যে তেওঁ বা বিধায়ক সকল এই সমিতিৰ সদস্য। বিধায়ক হিচাপে আপোনালোকে সদনত ইমান হৈ-হাল্লা কৰে। তাত ডি চি জন চেয়াৰমেন। গতিকে নিজৰ অধিকাৰটো কোনে খৰ্ব কৰিব। আপোনালোকে জানে যে আমাৰ যিবোৰ কৃষিৰ যন্ত্ৰ আহিছে, বেছিভাগ এনেকুৱা অঞ্চলত আছে, য'ত বিধায়ক সকল কংগ্ৰেছ বা এ আই ইউ ডি এফ দলৰ সদস্য। য'ত বংগীয়মূলৰ লোক আছে। তেনেকুৱা অঞ্চলত খেতি-বাতি খুব বেছি হয়। কিন্তু মই জনাত সেইবোৰ অঞ্চলত আমাৰ চৰকাৰে দিয়া বয়-বস্তু পোৱাত কোনো অসুবিধা হোৱা নাই। কিন্তু তথাপিতো যিহেতু আপুনি নগাওঁৰ বিষয়ে অভিযোগ কৰিছে, মই খবৰ ল'ম আৰু ইয়াৰ ওপৰত ব্যৱস্থা ল'বলৈ কম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ যিটো মূল প্ৰশ্ন আছিল যে বান পানীত ক্ষতিগ্ৰস্ত কৃষক সকলক কি কি সহায় কৰিলে? মাননীয় মন্ত্ৰী মহোদয়ে কেইবাটাও প্ৰশ্নৰ উত্তৰ দিলে যদিও মূল প্ৰশ্নটোৰ উত্তৰ নিদিলে। আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টকৈ জানিব বিচাৰিছো যে হৈ যোৱা বান পানীত ক্ষতিগ্ৰস্ত কৃষক সকলক কি কি সহায় কৰিলে আৰু আহি থকা দিনত কি কি সহায় কৰিব? এটা কথা ক'ব বিচাৰিছো যে বিগত বছৰটোত বান পানীত ক্ষতিগ্ৰস্ত কৃষক সকলক সহায় কৰাত বিভাগটো ব্যৰ্থ হৈছে আৰু এইবাৰো ব্যৰ্থ হ'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিগত সময়ছোৱাত কংগ্ৰেছ যেতিয়া শাসনত আছিল মই মন্ত্ৰী সকলৰ নাম নকওঁ, সেই সময়ত কৃষি বিভাগটো ঠিকাদাৰৰ বিভাগ হৈছিল। কিন্তু আজিৰ দিনত কৃষি বিভাগটো কৃষকৰ বিভাগ হৈছে। ............Interruption.............

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা হ'লে তদন্ত হ'ব লাগে। এইটো ভুল কথা। তেওঁ ৰাজনৈতিক নেতাসকলক কিয় দোষাৰোপ কৰিছে।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়।)

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ পি এম কিষাণৰ ১৭ সংখ্যক কিস্তিৰ অধীনত আমাৰ ৰাজ্যখনত ১৭ লাখ ৪৯ হাজাৰ কৃষকে তেওঁলোকৰ বেংক একাউণ্টত প্ৰায় ৩৮১ কোটি টকা লাভ কৰিবলৈ সক্ষম হৈছে। তাতোকৈ ডাঙৰ কথা হৈছে- ২০২৩-২৪ বৰ্ষত অসমত...........Interruption.........

আমাৰ চৰকাৰে সমূহীয়া কঠিয়াতলিৰ প্ৰস্তুতিৰ জৰিয়তে ২,০৫০ হেক্টৰ মাটিত ৰোপণ কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মন্ত্ৰী ডাঙৰীয়া, আপোনাৰ উত্তৰ দিয়া হৈছে। এতিয়া প্ৰশ্ন নং-৪৬।

**শ্ৰী পীযূষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়ত ৰখা হৈছে।

**শ্ৰীমতী, নন্দিতা দাস,(বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰখিনি ঠিকেই পাইছো। মাথো মোৰ আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়লৈ অনুৰোধ এটা আছে যে মোৰ সমষ্টিত বহুতো নদী আছে আৰু যথেষ্ট গৰাখহনীয়া হৈছে। ব্ৰহ্মপুত্ৰ নদীৰো যথেষ্ট গৰাখহনীয়া হৈছে আৰু কিছু কাম হৈছে। শেহতীয়াকৈ পানীখাইতীৰ আপষ্ট্ৰীম আৰু ডাউন ষ্ট্ৰীম আৰু লটৰদিয়া এন. চি এই দুটা অঞ্চল যথেষ্ট স্পৰ্শকাতৰ হৈ আছে। যোৱা বানপানীত যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে। তাত Maintaince ৰ কাম কৰা হৈছে। কিন্তু আমি ইয়াৰ স্থায়ী সমাধান বিচাৰিছো। মই বিভাগৰ ফালৰ পৰা যিখিনি জানিব পাৰিছো যে A D B New Loan Phase-I আৰম্ভ হ'ব আৰু ইয়াৰ ইতিমধ্যে এষ্টিমেটো হৈ গৈছে। মই অনুৰোধ কৰিছো যে পানীখাইতীৰ আপষ্ট্ৰীম আৰু ডাউন ষ্ট্ৰীমৰ ১,১০০মিটাৰ আৰু লটৰদিয়া এন. চি ৰ ২৬০০ মিটাৰ দৈৰ্ঘ্য অতি সোনকালে A D B New Loan Phase-I ত আৰম্ভ কৰা হওঁক। মাননীয় মন্ত্ৰী মহোদয়ক আৰু এটা অনুৰোধ কৰিব বিচাৰিছো যে মোৰ সমষ্টিত বহু নদী আছে। জলজলী নদীৰ গৰাখহনীয়াৰ দ্বাৰা এটা বিশেষ অঞ্চল মন্দিৰা এন চি অঞ্চলটো যথেষ্ট ক্ষতিগ্ৰস্ত হৈ আছে। মই বিভাগক ইয়াৰ বাবে লাগি থকাৰ বাবে ইতিমধ্যে এষ্টিমেট সাজু হৈছে। এই কামটো যাতে অতি সোনকালে কৰা হয় আৰু এইটো

কেতিয়া কৰিব ? চনতলিৰ পৰা তোপামাৰি হৈ নগৰবেৰালৈ যিটো মঠাউৰি আছে, সেইটোৰ কাম কৰি আছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰিছো যে লোক নিৰ্মাণ বিভাগৰ ফালৰ পৰা কামটো কৰি থকা হৈছে। মোৰ অনুৰোধ থাকিল যে কিন্তু বহু কাম এতিয়াও বাকী আছে আৰু বাকী থকা কামখিনি অতি সোনকালে কৰিব নেকি ? ধন্যবাদ।

**শ্ৰী পীযূষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যা গৰাকীয়ে আজি ক'লে যে তেখেতৰ সমষ্টিত ২৬৯ কোটি টকাৰ protection measures at Panikhaiti area ত ১১ কিলোমিটাৰ আৰু লটৰদিয়া এন চি অঞ্চলত ২৬ কিলোমিটাৰ ADB Fund ৰে কৰা হৈছে। আমাক ADB য়ে এনেই টকা নিদিয়ে। আমাক কেন্দ্ৰীয় চৰকাৰে ADB ৰ পৰা লোণ লৈ আমাক দিছে। তাৰে ৯০ শতাংশ কেন্দ্ৰীয় চৰকাৰে আৰু ১০ শতাংশ আমি পৰিশোধ কৰো। তেখেতৰ সমষ্টিত আমি নবেম্বৰ মাহৰ পৰা কাম আৰম্ভ কৰিম। আমি এতিয়া কাম কৰিব পাৰো। কিন্তু বানপানীৰ সময়ত কাম নকৰো কাৰণে কৰা নাই। ২৬৯.৫৬ কোটি টকা এগৰাকী বিৰোধী দলৰ বিধায়িকাৰ সমষ্টিত দিছো। মোক যাতে কোনেও ভেদভাৱ কৰা বুলি নকয়। কাৰণ এতিয়া আলোচনা হ'ব। বানপানী আৰু গৰাখহনীয়া সমস্যা আছে কিন্তু মই কাকো ভেদভাৱ কৰা নাই। আমি য'ত আটাইতকৈ বেছি কাম কৰা বুলি ক'ব পাৰো তাৰে এটা সমষ্টি মাননীয়া সদস্যা গৰাকীৰো সমষ্টি। গতিকে সেই কামখিনিও আৰম্ভ হ'ব আৰু বাকী কামখিনিও কৰিবলৈ চেষ্টা কৰিম। মন্দিৰা সমষ্টিতো পুঁজি সাপেক্ষে কৰিবলৈ চেষ্টা কৰিম। মই গোটেই অসমৰে কাম কৰিব লাগে। আপোনাৰ সমষ্টিত এবাৰতে ২৬৯.৫৬ কোটি টকা পাইছে। ২০০১ চনৰ পৰা ২০১৬ চনলৈ কিমান টকা খৰচ কৰিছিল আৰু আমি বৰ্তমান কিমান টকা খৰচ কৰিলো মই আজি কম। একেদিনাই গোটেইখিনি কাম কৰিব নোৱাৰো। কিন্তু এই কামখিনি পুঁজি সাপেক্ষে পৰ্য্যায়ক্ৰমে কৰাৰ বাবে প্ৰতিশ্ৰুতি দিছো। আপোনাৰ বকো সমষ্টিত আপুনি বা কোনোৱে নোকোৱাকৈ এটা বাতৰি দেখি মঠাউৰিৰ কাম কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া Qestion Hour is over.

এতিয়া কাৰ্য্যসূচী নং - ৩ । মাননীয় জলসম্পদ মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া সন্মানীয় ৰাজ্যপালৰ অনুমোদন মৰ্মে মই প্ৰস্তাৱ কৰিব খোজো যে ২০২৪-২৫ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালচোৱাত কেত বোৰ ব্যয়বহন কৰিবলৈ মঞ্জুৰী নং ৬৩ জলসম্পদৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীক অতিৰিক্ত ২০০০ লাখ টকা মঞ্জুৰ কৰিব লাগে ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে । ধন্যবাদ। এতিয়া কৰ্ত্তন প্ৰস্তাৱ আছে । প্ৰথমতে কৰ্ত্তন প্ৰস্তাৱটো শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেখেতৰ যিকোনো সহযোগী এজনক উত্থাপন কৰিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলপতি) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ২০২৪-২৫ চনৰ মঞ্জুৰীৰ বাবে পৰিপুৰক দাবী সমূহৰ তালিকাত ১৭২, ১৭৪ পৃষ্ঠাত থকা জলসম্পদ শিতানৰ ৬৩ নং পৰিপুৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা ২০০০ লাখ টকাৰ পৰা এশ টকা হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য হাফিজ ৰছিৰ আহিমেদ আৰু তেওঁৰ সহযোগী।

**হাফিজ বছিৰ আহমেদ, (বিলাসীপাৰা পশ্চিম) ঃ** I, on behalf of AIUDF party to move at the provision of rupees 2000 lakhs under Suplimentary Demand for Grant No. 63 in respect of the Water Resources at pages

172 and 174 of the list of the suplimentary demand to reduce the rupees 100 that is the amount of the whole suplimentary demand of rupees 2000 Lakhs.

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে । ধন্যবাদ। শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** ২০২৪-২৫ চনৰ মঞ্জুৰীৰ বাবে পৰিপুৰক দাবী সমূহৰ তালিকাত ১৭২, ১৭৪ পৃষ্ঠাত থকা জলসম্পদ শিতানৰ ৬৩ নং পৰিপুৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ২০০০ লাখ টকাৰ পৰা এশ টকা হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অখিল গগৈ। তেওঁ অনুপস্থিত । শ্বেৰমান আলী ডাঙৰীয়া তেওঁ অনুপস্থিত। এতিয়া আলোচনা । শ্ৰী দেৱব্ৰত শইকীয়া ।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয় অসমৰ বানপানী সমস্যা ৰোধ কৰিবলৈ আমি মথাউৰি নিৰ্মাণ কৰো আৰু জলসম্পদ বিভাগে এই কাম কৰি আহিছে । ১৯৫০ চনত যি ভূমিকম্প হৈছিল তাৰ পৰৱৰ্তী সময়ত ব্ৰহ্মপুত্ৰ আৰু অন্যান্য উপনৈ সমূহত পৃষ্ঠভূমি যথেষ্ট হ্ৰাস পালে বুলি কোৱা হয় । আৰু সেইখিনি সময়ৰ পৰা বিভিন্ন কৌশল, পদ্ধতি লোৱাৰ পিছতো বিশেষকৈ জলসম্পদ বিভাগে মথাউৰি নিৰ্মাণত গুৰুত্ব দি আহিছে । এই মথাউৰিৰ বিষয়ে লাগে বা নালাগে বহুত খিনি কথা থাকে কাৰণ মথাউৰিৰ পৰা বাহিৰত থকা মানুহখিনিয়ে প্ৰত্যাহ্বানৰ সন্মুখীন হয়। যিহেতু মথাউৰিতোৰ বাহিৰত থাকিলে তেওঁলোকৰ অঞ্চল বিলাক প্লাবিত হয় । তথাপিতো মই অসম চৰকাৰৰ জলসম্পদ বিভাগক ধন্যবাদ জনাম যে যদিও কৈ থকা হৈছে যে পূৰ্বৰ মন্ত্ৰী সকলৰ মুখৰ পৰা শুনি আছো বা মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যি সমূহ মথাউৰি কংগ্ৰেছে নিৰ্মাণ কৰিছিল সেই সমূহে প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে । অৰ্থাৎ যিবিলাক মথাউৰি ১৯৫০ চনৰ পিছত নিৰ্মাণ কৰা হৈছে সেই সমূহ মথাউৰি কিন্তু ৰাইজক যোৱা ৭৫ বছৰে যি সেৱা আগবঢ়াব লাগে, আগবঢ়ালে। সেইখিনি মথাউৰিৰ নিৰ্মাণ বিভাগে কৰাৰ বাবে বিভাগৰ বৰ্তমান কৰ্মৰত , অৱসৰ প্ৰাপ্ত সকলো কৰ্মচাৰীকে মই ধন্যবাদ জনাওঁ। মহোদয়, পুঁজি আৱন্টন নিশ্চিত ভাবে লাগিব। এটা সময়ত বহু খিনি মথাউৰি নিৰ্মাণ কৰা হৈছে । কেতবোৰ অঞ্চলত ৰাস্তাৰ লগতে বান্ধ নিৰ্মাণ কৰিছিল । এই ক্ষেত্ৰত কেনেকুৱা ধৰণৰ অগ্ৰাধিকাৰ কোন অঞ্চলত দিছে, যদিও আপত্তি কৰিবলগীয়া আছে তথাপিও আমি উন্নয়নৰ স্বাৰ্থত বহু ক্ষেত্ৰত চৰকাৰৰ লগত সহমত কৰিছো কিন্তু আজি মই দেখা পাইছো ত্ৰিশজন মান সন্মানীয় সদস্যই আলোচনাত অংশগ্ৰহণ কৰিব । সেয়েহে মই আৰু বেছি সময় নলওঁ যদিও মোক পাচ মিনিট সময় দিয়া হৈছিল যাতে অন্য সকলেও ক'ব পাৰে । কিন্তু মহোদয় এটা কথা মই ক'ব বিচাৰিছো যে কলং নৈৰ যি বোৱাই নিয়াৰ কথা কোৱা হৈছিল, যি কলংৰ লৈ কবিতা লিখে, সপোন দেখে আৰু সেই গতিকে যি মৰি কলং তাক বোৱাই অনাৰ কাৰণে যোৱা সময়চোৱাত প্ৰচেষ্টা লোৱা হ'ল আৰু এই অ-কংগ্ৰেছী চৰকাৰৰ দিনতেই তাত দুবাৰকৈ মথাউৰি ভাঙি যোৱাৰ বাবে জনগণ বিপৰ্যয়ৰ সন্মুখীন হৈছিল । এতিয়া মহোদয় আজি কিছুদিন পূৰ্বে আমিও গৈছিলো নগাওঁ জলসম্পদ সংমণ্ডলৰ অধীনত হাতীমৰা বান্ধটো আৰু তাৰ শ্লুইচ গেটৰ অসুবিধা খিনি চাবৰ বাবে । মহোদয় এই কম সময়ৰ ভিতৰতে বান্ধটো কিয় ভাঙিল সেই কথাটো খুব ভাল তদন্ত হ'ব লাগে । বান্ধটো ভাঙি যোৱাৰ ফলত তাত বহুতো ক্ষতি হ'ল । কেইবাদিনও দেখিছিলো যে তাত মানুহৰ বিপৰ্যয় হৈছে । শ্লুইচ গেটখন বা সেই বান্ধটো নিৰ্মাণৰ বাবে ভাৰত চৰকাৰৰ এটা সংস্থাক দ্বায়িত্ব দিয়া হৈছিল। যদিও আমি সকলোৱে, লগত অসম চৰকাৰৰ মন্ত্ৰী, অসম চৰকাৰৰ জলসম্পদ বিভাগক যোৱা সময়চোৱাত সমালোচনা কৰিলে, আমি

কোনেও কিন্তু কেন্দ্ৰীয় চৰকাৰৰ যিটো প্ৰতিষ্ঠানে যি ডিপি আৰ বনাইছিল ১৩৫ কোটি টকাৰ সেই প্ৰকল্পটোৰ বাবে সেই প্ৰতিষ্ঠানৰ লগত আকো যোগাযোগ কৰা হ'ল। ৱাক পোষ্ট নামৰ প্ৰকল্পটোৰ তেওঁলোকৰ নক্সা সমূহৰ কাৰিকৰী ভাবে কিমান শুদ্ধ আছিল সেই বিলাক আই আই টি গুৱাহাটীয়ে চাইছে বুলি কৈছে । এই বিলাকত কি পৰামৰ্শ দিলে সেই কথা বিলাক কিন্তু আমি আলোচনা কৰা নহ'ল । চুইচ গেটত আমি যি অন্য অঞ্চল সমূহত দেখা পাওঁ ব্ৰহ্মপুত্ৰ বা ডাঙৰ ডাঙৰ নৈ বিলাকত তাত Wings wall থাকিব লাগে কিন্তু তাত আমি যেতিয়া আমি পৰিদৰ্শন কৰিব গলো তাত আমি Wings wall নিৰ্মান কৰা দেখা পোৱা নাছিলো আৰু এই Wings wall নথকাৰ বাবে গাতে লাগি থকা বান্ধটোৰ মূৰ দুটা Wings wall ৰ অবৰ্তমানত দুৰ্বল অংশ চিঙি গ'ল আৰু ফলত সমগ্ৰ ক্ষতিগ্ৰস্ত হ'ল। এই প্ৰকল্প যিহেতু এটা কেন্দ্ৰীয় চৰকাৰৰ সংস্থাই কৰিলে তেওঁলোকে কিবা কৰিব বিচাৰিলে অসমৰ বান পৰিস্থিতিৰ লগত কেনেদৰে অধ্যয়ন কৰিছিল সেই কথা বিলাক আমি জনাৰ দৰকাৰ । আজি আমাৰ অসমৰ ৰিভাৰ ৰিছাৰ্চ প্ৰতিষ্ঠান যিটো এটা দলৰ অফিচ হৈ গ'ল । পৰৱৰ্তী সময়ত এই ব্ৰহ্মপুত্ৰৰ যি এশ কোটি টকা প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ব্ৰহ্মপুত্ৰ বান্ধৰ গতিবিধি অধ্যয়ন কৰিববলৈ দিম বুলি কৈছিল তাৰ ভিত্তিত কি কি তথ্য আগবাঢ়ি আহিলে সেই তথ্য বিলাক জনাৰ দৰকাৰ । আমাৰ সমষ্টিত ব্ৰহ্মপুত্ৰই মোক ক্ষতি নকৰে কিন্তু নাগালেণ্ডৰ পৰা নামি অহা পাহাৰীয়া নৈ কেইখনে দহ-বাৰ বছৰ ধৰি তিনি হাজাৰৰ অধিক পৰিয়াল আৰু তিনি হাজাৰৰ অধিক হেক্টৰ মাটিত খেতি কৰিব নোৱাৰাৰ অৱস্থাৰ সৃষ্টি কৰিছে, তাৰ ফলত গ্ৰাম্য অৰ্থনীতিও দুৰ্বল হৈ পৰিছে । সেই গতিকে সেই অঞ্চল সমূহতো অধ্যয়ন কৰি যাতে অকল ব্ৰহ্মপুত্ৰ নহয় অন্যান্য অঞ্চল সমূহৰ ৰাইজক নিৰাপত্তা দিব পৰাকৈ পুঁজি ধাৰ্য্য কৰে যেন । এই কথাখিনি আগত ৰাখি এই প্ৰস্তাৱটো উত্থাপন কৰিলো । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী ভুৱন পেগু।

**শ্ৰী ভূৱন পেগু, (জোনাই ) ঃ** অধ্যক্ষ মহোদয়, আমাৰ জলসম্পদ বিভাগৰ যি পৰিপুৰক দাবী মঞ্জুৰীৰ কৰ্ত্তন প্ৰস্তাৱ আনিছে এই প্ৰস্তাৱক বিৰোধ কৰি মই কেইটামান কথা উল্লেখ কৰিব বিচাৰিছো । মই ২০০৬ চনত প্ৰথম বিধায়ক হৈছো আৰু বিধায়ক হিচাপে মই সমষ্টিটোত নাগৰিক সভাবোৰ পাতি কি কৰিলে ভাল হ'ব আলোচনা কৰিছিলো। জোনাইৰ এটা সৰু দাবী আছিলে, জোনাই একেবাৰে য'ত উত্তৰ অসম শেষ হয় উৰিয়ামঘাট, সেই উৰিয়ামঘাট অঞ্চলটোত চিয়াং নৈৰ পানী আহি প্ৰথম খুন্দাটো মাৰে আৰু অসমত সোমায়। সেই উৰিয়ামঘাটৰ খহনীয়া আৰু তাৰ লগত লাগি থকা ধেমাজি জিলাৰ একমাত্ৰ বাচি থকা ৰিজাৰ্ভ ফৰেষ্ট পবাহ। প্ৰত্যেক বছৰ শ শ ৰিজাৰ্ভ ফৰেষ্টৰ ভূমি খহনীয়াত গৈ আছিলে লালি নদীত। প্ৰত্যেক বছৰে লালী নদীৰ শ শ reserve forest ৰ ভূমি খহনীয়াত গৈ আছিল। এতিয়া এই দুটা জেগা, তাৰ পিছত তিনি মাইল ঘাট, ভেৰা চাপৰি এই অঞ্চলবোৰত প্ৰত্যেক বছৰে শ শ বিঘা মাটি খহনীয়াত জাহ গৈ আছিল। আমাৰ ৰাইজৰ এটা দাবী আছিল যে এইটো একেবাৰে আমাৰ জোনাই মহকুমাৰ মূৰত আছে, এই ঐৰামঘাট, পবা, ভেৰাচাপৰি, তিনিমাইল ঘাট এইবিলাক যদি বচোৱা নহয় তেতিয়াহলে জোনাই মহকুমা ধ্বংস হ'ব। সেই সময়ত আমি চৰকাৰৰ ওচৰলৈ আহো, কথাবোৰ উত্থাপন কৰো। তেতিয়া কংগ্ৰেছ চৰকাৰ আছিল আৰু সেই সময়ত কথাবোৰ উত্থাপন কৰাতে সীমাবদ্ধ আছিল। অধ্যক্ষ মহোদয়, পবা reserve forest টো এতিয়া সংৰক্ষিত হ'ল, এইটো এটা wild life sactuary হিচাপে declare কৰিব লাগে। তাৰবাবে Rule 54 ত মোৰ এটা issue আছে। এইটো আজি মই বেছি details ত নাযাওঁ। কিন্তু এই বিষয়বোৰ যেনে ঘাই নদী, জীয়া ধল প্ৰত্যেক

বছৰে ছিঙে। যিহেতু মই ধেমাজি জিলাৰ মানুহ, বানপানীৰ বিষয় বুলি ক'লে আমাতকৈ আৰু এই কথা কোনে ভালদৰে জানে। এটা সময় আছিলে বানপানী আৰম্ভ হোৱাৰ লগে লগে প্ৰথম বাতৰি ওলায় ধেমাজি জিলা অসম আৰু ভাৰতবৰ্ষৰ পৰা পদ পথেৰে বিচ্ছিন্ন হৈ গল। কতদিন পাৰ হৈ গল, চেঙাজান, মাজৰবাৰী ইয়াতে আছিলে। অধ্যক্ষ মহোদয়, ২০০৬ চনৰ পৰা মই বিধায়ক হৈ আছো কিন্তু অসহায় অৱস্থাত বিভাগক বাৰে বাৰে অনুৰোধ কৰাৰ পাছতো ২৫ খন গাওঁ একেবাৰে ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱা দেখিলো। কামবিলাক আৰম্ভ হয় বাৰিষা আৰম্ভ হোৱাৰ পাছত মাৰ্চ, এপ্ৰিল, মে' বা জুন মাহত আৰু তাৰ পিছত উটুৱাই লৈ যায়। তেতিয়া জলসম্পদ বিভাগ বুলি ক'লে আমি ৬০ঃ৪০ বুজো। ইয়াৰোপৰি আৰু এটা বস্তু বিখ্যাত আছিলে, সেইটো হৈছে MNR. MNR মানে সেই সময়ত এই ৰাজনৈতিক দল, চৰকাৰ, কংগ্ৰেছ পাৰ্টীৰ লগত যিখিনি পালি পহৰীয়া, সৰু- সুৰা লিডাৰ তেওঁলোকক বানপানীৰ নামত খাদ্য যোগান ধৰে। জীৱনত কেতিয়াও নদী পাৰ হৈ নোপোৱা মানুহৰ নাম অক্টোবৰ, নৱেম্বৰ মাহত MNR ত ওলায়। মাছৰ বজাৰ। এইটো নহয় যে সেই সময়ত চৰকাৰৰ পইচা নাছিল। মোৰ মনত আছে মাতমৰাত বাৰিষাত কাম চলাই আছিলে, সেইটো নিছিগি কি হ'ব? প্ৰতিখন ঠাইত আপুনি যদি সেই সময়ৰ TV recording সমূহ চায়, ৰাইজৰ এটাই অভিযোগ আছিল যে খৰালি অক্টোবৰ মাহৰ পৰা মাৰ্চ মাহলৈকে কামবোৰ কিয় নকৰে, যেতিয়া বাৰিষা নাথাকে তেতিয়া কামবোৰ কিয় নকৰে? কিন্তু চৰকাৰে নুশুনে। এতিয়া উপাধ্যক্ষ মহোদয়, আমাৰ তাত এটা গাজা আছিল, জলসম্পদ বিভাগৰ এই মথাউৰি ঠিকাদাৰ আৰু বিষয়া কিছুমানৰ nexus ত সোণৰ কণী পাৰা হাঁহ। যেতিয়া আমাৰ তাত কাৰেং চাপৰি, হাৰনে চাপৰি বা বৰ চাপৰি ছিগে তেতিয়া কিছুমান ঠিকাদাৰে কয় যে সন্ধিয়া ছিগিলে ভাল হ'ল, এইবাৰ পইচা আহিব। তাৰমানে তেওঁলোকে সন্ধিয়া দামী দামী মদৰ বটল খুলি খায়। It was the culture at that time,60:40 was the culture, MNR was the culture.মথাউৰি ছিগিবলৈ বাট চাই থকাটোও এটা culture আছিলে। মথাউৰি নিছিঙিলে পইচা ক'ৰ পৰা আহিব, repairing ৰ নামত? যোৱাকালি মন্ত্ৰী মহোদয়ে ঠিকেই কৈছে। মথাউৰি ছিগে, জুলাইত ছিগিলে মাৰ্চলৈকে কাম হ'বনে নাই গেৰেন্টি নাই আৰু মাৰ্চলৈকে সেই নদীৰ মুক্ত পানীয়ে গৈ গাওঁ শেষ কৰি পেলায়, শুকান বালিময় পথাৰ কৰি দিয়ে। কিন্তু এইখন চৰকাৰ অহাৰ পাছত মই ক'ব বিচাৰিছো যে আজি বহুদিনৰ পৰা ধেমাজিৰ ৰাষ্ট্ৰীয় ঘাই পথ ছিগি , বানপানীত বিচ্ছিন্ন হৈ আমাৰ দেশৰ পৰা পৃথক হোৱা বুলি ওলোৱা বাতৰি নাইকিয়া হ'ল। এতিয়া ঐৰামঘাট, পবা ৰিজাৰ্ভ, তিনিমাইল ঘাট, ভেৰাচাপৰি, কাৰকাৰ, মাজৰবাৰী, চেঙাজান, কাৰেংচাপৰি এইসমূহ ঠাইত গ'লে সপোন সপোন লাগে। তাত এতিয়া খহনীয়া নাই। আগতে মানুহে এই বিভাগটোৰ নাম শুনিলে খং উঠিছিলে। কিন্তু এই বিভাগটোক আজিৰ তাৰিখত মোক যদি সুধে যে সকলোতকৈ ডাঙৰ কাম এইখন চৰকাৰে কি কৰিছে বুলি, এই ৬০ঃ৪০ culture, MNR culture ৰ পৰা আহি এটা শক্তিশালী কাম কৰা, technology ব্যৱহাৰ কৰা আৰু উন্নত কাম কৰা এটা মজবুত বিভাগলৈ ৰূপান্তৰিত হৈছে। তাৰকাৰণে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। একেই বিষয়া, একেই বিভাগ কিন্তু আজি এই বিভাগক ধন্যবাদ দিম, বিষয়াসকলক ধন্যবাদ দিম যে তেখেতসকলে এতিয়া শ্ৰমিকৰ নিচিনা খাটি Excutive Engineer,Engineer site ত থিয় হৈ দিনে ৰাতিয়ে কাম কৰে। উপাধ্যক্ষ মহোদয়, সৌ সিদিনা আপুনি দেখিছে যে মাজুলীত মথাউৰি ছিগিছিলে, নগাৰঁত মথাউৰি ছিগিছে কিন্তু দিনে ৰাতিয়ে তেওঁলোকে কাম কৰি এমাহত কাম শেষ কৰি দিলে। এতিয়া যদি কংগ্ৰেছ চৰকাৰ থাকিলেহেতেন তেতিয়া মাৰ্চৰ

বাজেটলৈকে ৰৈ থাকিবলগীয়া হ'লহেতেন, অহা বাৰিষাতহে কাম আৰম্ভ কৰিলেহেতেন। কিন্তু এতিয়া পৰম্পৰাটো সলনি হৈছে এইখন চৰকাৰৰ দিনত। মই ভাৱো এই বিষয়া সকল বা বিভাগটো যে সলনি হ'ল, এইটো কিয় হ'ল? আগত এটা কথা আছিলে মাছ গেলিলে মূৰৰ পৰা গেলে। যদি ৬০:৪০ হৈছিলে সেইটো চৰকাৰৰ একেবাৰে highest মূৰব্বীৰ পৰা হৈছিল। এতিয়া এই মাছ গেলাটো বন্ধ হৈছে। ওপৰৰ পৰা মন্ত্ৰী মহোদয়ে বা চৰকাৰখনে যেতিয়া ভালকৈ কাম হ'ব লাগে বুলি ধৰিছে, আজি এই বিভাগৰ পৰিৰৰ্তন হৈছে। উপাধ্যক্ষ মহোদয়, এতিয়া ইয়াত কিছুমান নতুন concept ত কাম হৈছে। RCC percupine launch হৈছে। কিন্তু সকলোতকৈ ডাঙৰ পৰিৰৰ্তনটো হৈছে আগতে একেবাৰে ভৰ বাৰিষাৰ সময়ত আমাৰ ফাণ্ড নাথাকে বুলি কয়। যদি ক'ৰবাত ফাণ্ড আহে MNR শেষ। কিন্তু এইখন চৰকাৰে এটা নতুন পলিচি লৈছে। Percupine ৰ বাবে যিমান material লাগে, flood fighting ৰ বাবে যিমান ফাণ্ড লাগে সকলো দিয়ে। উপাধ্যক্ষ মহোদয়, এইবাৰ মই এইখন চৰকাৰক ধন্যবাদ জনাম মোৰ অৰুণাচলৰ পৰা নামি অহা ২৫ খনমান উপনৈ আছে। এই সমূহত emergency works ৰ কাৰণে এইবাৰ ১৮,০০০ percupine এইখন চৰকাৰে ৰাতিৰ ভিতৰত supply দিবলৈ সক্ষম হৈছে। ১০,০০০ Geo bag লাগে বুলি ক'লে সেয়াও দিবলৈ প্ৰস্তুত। This is Government.সচাঁ অৰ্থত যদি চৰকাৰে কাম কৰিব লাগে বা সচাঁ অৰ্থত বানপানী নিয়ন্ত্ৰণ কৰিব লাগে, এনেকৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াই বা জলসম্পদ মন্ত্ৰী ডাঙৰীয়াই সন্মুখৰ পৰা থিয় দি on the spot material দি সহায় কৰাটোয়ে হৈছে flood fighting. এনেকৈ যদি চৰকাৰ আগবাঢ়ি যায় আমাৰ বানপানীৰ সমস্যা সমাধান হ'ব। উপাধ্যক্ষ মহোদয়, মই মাননীয় অধ্যক্ষ শ্ৰী বিশ্বজিৎ দৈমাৰী ডাঙৰীয়াৰ concept ত এটা কথা কওঁ এই যে আমাৰ Agri-bund বোৰ বাৰে বাৰে ছিগি গৈ আছে, সেইবোৰ জলসম্পদ বিভাগৰ অধীনত নপৰে। এই Agri-bund সমূহৰ পৰা মুক্ত পাবলৈ কেনেকৈ এইটো নিয়ন্ত্ৰণ কৰিব পৰা যায়, সৌ সিদিনা মন্ত্ৰী মহোদয়ে আমাৰ সমষ্টিলৈ গৈছিলে। মই যেতিয়া তেওঁক উপনৈ সমূহ দেখুৱাই দিলো তেখেতে এটা খুব ধুনীয়া power point presentation এটা দিলে যে দুয়ো পাৰৰ পৰা RCC percupine দি guide bund দি কৰা কামৰ। অধ্যক্ষ শ্ৰী বিশ্বজিৎ দৈমাৰী ডাঙৰীয়াই তেখেতৰ নিজৰ সমষ্টিত experimentally এটা programme লৈছে, সেইটো সফল হৈছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে মোৰ তাত কেইটামান উপনৈ আছে ছিলে নৈ,ৰায়াং নৈ, ৰাজাখাৰা নৈ,মেনজেক নলা, শুকান নলা, নাহৰ,গালিত, দেপী, ডেটা, ডিকাৰী,ডেকা এনেকৈ ২৬ টা উপনৈ আছে। এই concept মন্ত্ৰী মহোদয়ে সিদিনা কৈ গৈছে, এই concept যদি মই লওঁ, বানপানী, গৰাখহনীয়া এটা সময়ত লাহে লাহে সপোনৰ নিচিনা লাহেকৈ নাইকিয়া হৈ যাব । আমি প্ৰকৃতিৰ লগত চেলেঞ্জ কৰিছো বুলি নকওঁ কিন্তু কংগ্ৰেছৰ দিনত যিটো ডিজেষ্টাৰ হৈছিলে - বানপানী- গড়াখহনীয়া হৈছিলে, যিটো কনট্ৰেক্টৰ আৰু কংগ্ৰেছৰ মুৰব্বীসকলৰ নেতৃত্বত হৈছিলে মই ভাবো এইটো আজি নাইকীয়া হৈছে , তাৰ কাৰণে মই চৰকাৰক ধন্যবাদ দিছো আৰু এই চৰকাৰক আৰু অধিক শক্তিশালী কৰিব লাগে , নতুন নতুন টেকন'ল'জীৰ বাবে আৰু পইচা দিব লাগে তাৰ বাবে কৰ্ত্তন প্ৰস্তাৱটো মই বিৰোধ কৰি মোৰ বক্তব্যৰ মোখনি মাৰিছো

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ-- এতিয়া চামচুল হুদা । আপোনাক দলে চাৰি মিনিট দিছে ।

**শ্ৰীচামচুল হুদা, (পূৰ বিলাসীপাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱক সমৰ্থন কৰি ক'বলৈ ওলাইছো । বানপানী সম্পৰ্কে আমাৰ অসমৰ সকলো মানুহে জানে - যে এইটো এটা

অসমৰ সকলোতকৈ ডাঙৰ সমস্যা । ইয়াৰ লগত গৰাখহনীয়া সমস্যাটোও আছে । বান পানী আৰু গড়াখহনীয়া প্ৰতিৰোধ সৰ্ম্পকে আমাৰ আগৰ বক্তাই যিখিনি কথা কৈ গৈছে এইক্ষেত্ৰত মই যিটো দেখিছো সেইটো হ'ল কাম কৰাৰ ক্ষেত্ৰত বৈষম্য । যোৱা চাৰি বছৰত মই মন্ত্ৰী ডাঙৰীয়াক বহু কেইবাৰ অনুৰোধ জনাইছো যে, বিলাসীপাৰা পূৱ সমষ্ঠিত য'ত ফুটকীবাৰী গাওঁ পঞ্চায়ত আছে তাত মন্দিৰ আৰু শ্মশান- এলেংবাৰী গাওঁ পঞ্চায়ত, কৈমাৰী, চিৰামাৰী , উদমাৰী, নামাপাৰা, নামাবাসী শ্মশান ঘাটৰ পৰা , হাতী পোতা প্ৰথম খণ্ড, দ্বিতীয় খণ্ড ,চৌখাতা - প্ৰথম খণ্ড , দ্বিতীয় খণ্ড, কাজিকাটা প্ৰথম খণ্ড , দ্বিতীয় খণ্ড, কাহাউৰি, বাহিৰ চৌপাতা , ধীৰেৰ চৰ, তাৰাংগাপুৰ, শব্দমাৰা, জালিকুৰা এনেকৈ বহু গাওঁ তাত আছে । আমাৰ ঘাইকৈ তিনিখন নদী- এখন ব্ৰহ্মপুত্ৰ নদী এখন গৌৰাং নদী আৰু এখন চম্পাৱতী নদী - এই তিনিখন নদীয়ে হাজাৰ হাজাৰ বিঘা কৃষি মাটি , ঘৰ মাটি তাত গৰাখহনীয়াত জাহ গৈছে । তাত মানুহখিনি থাকিবলৈ ঘৰ নাই , খেতি মাটি নাই এনেকুৱা এটা অৱস্থা হৈছে । মই মন্ত্ৰী মহোদয়ক বহু ৰিকুৱেষ্ট কৰাৰ পিচত স্কীম চাবমিট হৈছিল ডিপাৰ্টমেন্টত , কিন্তু মন্ত্ৰী মহোদয়ে এটা কথাই কয় পুঁজি সাপেক্ষে দিয়া হ'ব । এই পুঁজি সাপেক্ষে কোৱা কথাটো মই বুজি নাপাওঁ যে উজনি অসমত যথেষ্ট টকা দিয়া হয় কিন্তু নামনি অসমৰ কথা ক'লেই পুঁজি সাপেক্ষে টকা দিয়া হ'ব বুলি কৈ দিয়ে । পুঁজিৰ অভাৱত আমাৰ নামনি অসমত বিভাগৰ কোনো কাম নহয় । অধ্যক্ষ মহোদয়, এইটো বহু দুখ আৰু পৰিতাপৰ কথা আমাৰ এই অঞ্চলটো অসমৰ বাহিৰত নেকি? ফুটুকীবাৰী গাওঁ পঞ্চায়ত যিটো আছে সেইটো মিঞা অঞ্চল নহয় কিন্তু আমি সদনত এইবিলাক কথা ক'বলৈ গ'লে আপোনালোকে মিঞাঁ মিঞাঁ বুলি কৈ থাকে । বিলাসীপাৰা পূব সমষ্টিৰ ফুটকীবাৰী, এলেংমাৰী গাওঁ পঞ্চায়ত হিন্দু মানুহে বসবাস কৰা অঞ্চল । তাত আপোনালোকে গ'লে দেখা পাব তাত বহু অঞ্চল আজি গৰাখহনীয়াত জাহ গৈ আছে । মন্ত্ৰী মহোদয়ে মোক কিয় বেয়া পায় নাজানো কিন্তু মই ৰাইজৰ প্ৰতিনিধি হিচাপে বহুকেইবাৰ অনুৰোধ কৰা স্বত্বেও মোৰ এই বানপিড়িত অঞ্চলটোত তেখেতে চকু নিদিলে । মই মন্ত্ৰী মহোদয়ক আকৌ অনুৰোধ জনাম যে যিখিনি টকা ইয়াত ধৰা হৈছে দুই হাজাৰ লাখ টকা - সেই টকাখিনি প্ৰকৃততে কমেই হৈছে, অসমৰ কাৰণে এই টকাখিনি বহু কম । আৰু বেছিকৈ টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা আমাৰ চৰকাৰে আনিব লাগে । আমাৰ বানপানী আৰু গৰাখহনীয়া সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰি এই সমস্যাটো অসমত অতি শীঘ্ৰে সমাধান কৰিব লাগে । আজি আমাৰ সদস্য বন্ধুসকলে কৰ্তন প্ৰস্তাৱ বিৰোধীতা কৰি কৈ আছে কিন্তু কৰ্ত্তন প্ৰস্তাৱ আমি কৰিছো- এইটো কাৰণে কৰিছো কাৰণ আপোনালোকৰ অঞ্চলত কাম হ'ব, আমাৰ অঞ্চলত কাম নহয় সেই কাৰণে কৰ্তন প্ৰস্তাৱৰ দুই হাজাৰ লাখ টকা গোটেইটোৱে আমাৰ বাবে কৰ্ত্তন কৰি দিলে কোনো অসুবিধা নাই । আমাৰ অঞ্চলত কাম নহ'ব আৰু উজনি অসমত কাম হ'ব সেই কাৰণে এই টকা কৰ্ত্তন কৰিব লাগে । মই মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাইছো যে এনেধৰনৰ বৈষম্য আপোনালোকে নকৰিব আপোনালোকে গোটেই অসমৰ মুৰব্বী কেৱল উজনি অসমৰ মুৰব্বী নহয় । গোটেই অসমৰ সমস্যা সমাধান কৰিবলৈ আপোনালোকে চেষ্টা কৰিব লাগিব । গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো বিলাসীপাৰা ইষ্ট সমষ্টিৰ ফুটকীবাৰী তাৰাংঙ্গাপুৰ, বহলপুৰ, ৰঙামাটি, হাতীপোতা, মাচাৰাঙ্গা, লক্ষীগঞ্জ ইত্যাদি এই অঞ্চলবোৰত কাম কৰি তাৰ ৰাইজক অলপ সকাহ দিয়ে আৰু গাওঁসমূহ নদীত জাহ যোৱাৰ পৰা ৰক্ষা কৰে তাৰ বাবে অনুৰোধ জনাই এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন জনাই মোৰ বক্তব্য সামৰিছো ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ---- অনাৰেবল্ মেম্বাৰ চক্ৰধৰ গগৈ ।

**শ্ৰীচক্ৰধৰ গগৈ, (মৰান) ঃ** ধন্যবাদ উপাধ্যক্ষ মহোদয়, মই অসম চৰকাৰৰ মাননীয় জল সম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে যি পৰিপূৰক দাবী মঞ্জুৰি প্ৰস্তাৱ ইয়াত আগবঢ়াইছে আৰু তাক বিৰোধ কৰি বিৰোধী সদস্যসকলে যিটো কৰ্ত্তন প্ৰস্তাৱ আগবঢ়াইছে তাক বিৰোধীতা কৰি মই দুআষাৰ ক'ব বিচাৰিছো । উপাধ্যক্ষ মহোদয় এইবাৰ বানপানীত মোৰ সমষ্টিতে প্ৰায় তিনি হাজাৰতকৈ অধিক মানুহ ক্ষতিগ্ৰস্ত হৈছে । সমগ্ৰ অসমত প্ৰায় ৫ লাখ মানুহ প্ৰত্যক্ষ বা পৰোক্ষভাৱে ক্ষতিগ্ৰস্ত হৈছে। ৰিলিফ কেম্পত প্ৰায় ৩ লাখ ৬১ হাজাৰ মানুহ থকা বুলি মিডিয়াত প্ৰকাশ পাইছে। বানত ডুব গৈ প্ৰায় ৪৬ জন ব্যক্তি মৃত্যু হোৱা বুলি ইতিমধ্যে খৰৰ ওলাইছে । বহু খেতিয়কৰ ধাননি পথাৰ নষ্ট হৈছে । শাক পাছলিৰ বাড়ী নষ্ট হৈছে ।৪৯ হাজাৰ ৪৫২ হেক্টৰ খেতি মাটি ক্ষতিগ্ৰস্ত হৈছে । এনেকৈ সাংঘাতিকধৰনে ক্ষয় ক্ষতি হৈছে যিটো আমি সকলোৱে ওচৰৰ পৰা প্ৰত্যক্ষ কৰিলো । এই দুৰ্যোগৰ মূহুৰ্ত্তত আমাৰ মন্ত্ৰী মহোদয়ে যেনেকৈ যাৱতীয় ব্যৱস্থা ল'লে তাৰ বাবে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো । উপাধ্যক্ষ মহোদয় এই মূহুৰ্ত্তত এটা পুৰনি কথা মনলৈ আহিছে - মই ২০১৬ চনত বিধায়ক হৈছিলো - ২০১৫ চনতো এটা ডাঙৰ বানপানী হৈছিল এইবাৰৰ দৰে । শদিয়াৰ পৰা ধুবুৰীলৈকে আৰু বৰাক ভেলীকে ধৰি গোটেই অসমত তীব্ৰ বানপানী হৈছিল । মোৰ সমষ্টিতো দিহিং নদীয়ে ঘৰ দুৱাৰ বুৰাই মথাউৰি খহাই তীব্ৰ বিভীষিকাৰ সৃষ্টি কৰিছিল। এতিয়া মোৰ মনত পৰিছে এই বানপানীত ৰাইজক সহায় কৰিবলৈ মই নিজে এক হাজাৰ বস্তা কিনি স্থানীয় কেইজনমান ল'ৰা লৈ মটৰ চাইকেলত উঠাই মানুহক প্ৰটেকশ্যন ল'বলৈ প্ৰদান কৰিছিলো । বানপানীৰ বাবে ৰাস্তা ভাঙি যোৱাত গাড়ী নিব নোৱাৰিছিলো । ডিপাৰ্টমেন্টে আমাক বস্তাখিনি দিবলৈও অপৰাগ হৈছিল । আনকি সেই সময়ত বিল দিব নোৱাৰা বাবে ঠিকাদাৰ সকলেও কাম কৰিব বিচৰা নাছিল । চৰকাৰে ঠিকাদাৰ সকলক পইচা দিব পৰা নাছিল। গতিকে ৰাইজে নিজে এই কামবিলাক কৰিবলৈ আগভাগ লৈছিল। সেই সময়ত বহু সমাজ সেৱকৰ লগতে মইয়ো ৰাইজক সহায় কৰিবলৈ আগভাগ লৈছিলো । বস্তা- বেগ ইত্যাদি সেই সময়ত এনেধৰণৰ সামগ্ৰী যোগান ধৰিব লগা হৈছিল । কিন্তু যদিও আজি এটা বিভীষিকাময় পৰিস্থিতি এইবাৰ বানপানীত হৈছে তথাপি কিন্তু কোনোৱে খাদ্য বস্তু বা সামগ্ৰী বা বান প্ৰতিৰোধৰ সামগ্ৰী বিচাৰি ককবকাই থাকিব লগা পৰিস্থিতি সৃষ্টি হোৱা নাছিল । মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দেশ আৰু জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ ঐকান্তিক প্ৰচেষ্টাৰ বাবে অসমৰ পাঁচ ঠাইত যি মূল মথাউৰি ভাঙিলে আৰু কেইবা ঠাইতো ৰিং বান্ধবিলাক ভাঙিলে , তাত যিমান গাওঁ জলমগ্ন হ'ল যিটো পৰিস্থিতি সৃষ্টি হ'ল তাত অকনো অসুবিধা নোহোৱাকৈ - ৰেশ্যন বিতৰণৰ পৰা আৰম্ভ কৰি তাৎক্ষনিকভাৱে ৰিং বান্ধবিলাক বা মথাউৰি মেৰামতি কৰালৈকে যিটো ব্যৱস্থা লোৱা হৈছিলে এইটো প্ৰসংশনীয় । এই সুযোগতে মই আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাব বিচাৰিছো , জল সম্পদ বিভাগৰ মন্ত্ৰীৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়াৰ লগতে মই অভিভাবক মন্ত্ৰী ৰঞ্জিত দাস ডাঙৰীয়াকো ধন্যবাদ জনালো। **এই চাৰিও গৰাকী** মন্ত্ৰীয়ে **সেই বানপানীৰ সময়ত মোৰ সমষ্টিত বানৰ বিভিযিকাৰ মাজত জীয়াই থাকিবলৈ বাধ্য হোৱা মানুহ খিনিক, আৰ্তনাদৰ সময়ত সহায়ৰ হাত আগবঢ়াবৰ কাৰণে, এযাৰী মৰমৰ মাত দিবৰ কাৰণে তেখেত**সকলে **গৈ এই মানুহখিনিক** আস্থা **দিছিল।** আস্বাস **জগাই তুলিছিল। জীয়াই থাকিবৰ কাৰণে তেখেত সকলক প্ৰেৰণা প্ৰদান কৰিছিল। তাৰ বাবে মই তেখেত**সকলক **ধন্যবাদ জনাইছো। আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই নিজেই পানীৰ মাজলৈ গৈ মানুহৰ ঘৰ দুৱাৰত খবৰ কৰি, যি সকল পিড়িত লোক আছিল তেখেত সকলক লগ ধৰি সমবেদনা** জ্ঞাপন **কৰিছিল আৰু আজি বৰ্তমানৰ সময়ছোৱাত আমি দেখিবলৈ**

**পালো যে মোৰ সমষ্টিত ইতিমধ্যে এটা জেগাত মাননীয় মন্ত্ৰী ডাঙৰীয়াই মথাউৰিৰ যি** ৰিং **বান্ধ** চিঙিছিল, **চাৰি জেগাত চিঙিছিল,**তাৰ ভিতৰত **এটা বান্ধৰ নিৰ্মান কাম ইতিমধ্যে** সম্পূৰ্ণ **কৰিছে। ইমান অত্যাধুনিক প্ৰযুক্তিৰে নিৰ্মান কৰিছে, য'ত জি'অ টিউব ব্যৱহাৰ কৰা হৈছে, জি'অ বেগ ব্যৱহাৰ কৰা হৈছে, যিটো সহজে পানী হ'লেও ভাঙিব নোৱাৰিব।** ইমান **সুন্দৰকৈ নিৰ্মান কৰা হৈছে। তাৰ বাবে আমি চৰকাৰক প্ৰশংসা কৰিছো। মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। কিন্তু, আজি মই মন্ত্ৰী ডাঙৰীয়াক এটা কথা জনাব খুজিছো, যে আমাৰ ইয়াত বানপানী হোৱাৰ দুটা কাৰণ মই দেখিলো। এটা কাৰণ হ'ল যে মূল মথাউৰি বিলাক ভাঙিছে, অন্য এটা কাৰণ হ'ল যে ৰিং বান্ধ বিলাক ভাঙিও বানপানীৰ সৃষ্টি হৈছে। মোৰ সমষ্টি খোৱাংত এইবাৰ যি চাৰিটা ঠাইত ৰিং বান্ধ চিঙি** ৫৮ **খন গাওঁ ঢুবিল, হাজাৰ হাজাৰ কৃষি ভূমি নষ্ট কৰিলে, ইয়াৰ বাবে কিন্তু কোনো মথাউৰি ভঙা নাই। ইয়াৰ বাবে দিহিং নদীখনৰ দাতিকাষৰীয়া অঞ্চলত বাস কৰা যিসকললোক, সেইসকলক ৰিং বান্ধ দি পেলাই তেওঁলোকক সুৰক্ষিত কৰি ৰখা হৈছিল, সেই পুৰনিকলীয়া ৰিং বান্ধ কেইটা এইবাৰ ভাঙি যোৱাত আজি মোৰ সমষ্টিৰ** ৫৮ খন গাওঁ ঢুবিলে আৰু বহুত ৰাইজ ভূক্তভূগি হৈছে। তাৰ ভিতৰত মই ক'ব পাৰো যে আমাৰ দ'লনি কোৰৰ অঞ্চলৰ দীঘলীয়া হোলাত যি ৰিং বান্ধ ভাঙিছিল, খোৱাংৰ কাৰৈমাৰী অঞ্চল দিহিংৰ যি ৰিং বান্ধ ভাঙিলে, ভগামুখ Block এলেকাত যি ৰিং বান্ধ ভাঙিলে, ডি'মহোলা অঞ্চলত যি ৰিং বান্ধ ভাঙিলে, ইয়াৰ যোগেদি হাজাৰ হাজাৰ বিঘা কৃষি ভূমি নষ্ট হোৱাতো হয়। কিন্তু, তাৰ বিপৰীতে মই এটা কথা আজি প্ৰশংসা কৰিব লাগিব মন্ত্ৰী মহোদয়ক, যে মোৰ সমষ্টিৰ লেজাই আৰু কলাখোৱা অঞ্চলত, উজনি অসমত আটাইতকৈ বেচি বানপানী হৈছিল পূৰ্বৰ দিনবিলাকত। কংগ্ৰেছ চৰকাৰ থাকোতে সেই অঞ্চল বিলাকত মানুহে হাতুৰী- নাদুৰী বানপানীৰ সময়ত দিন কটাব লগীয়া হৈছিল। কিন্তু যোৱা চাৰি বছৰ পৰা মোৰ লেজাই কলাইখোৱাৰ অঞ্চলত বানপানী মুক্ত কৰিবৰ কাৰণে এইখন বি জে পি নেতৃত্বাধীন চৰকাৰ ড০ হিমন্তবিশ্ব শৰ্মাৰ ডাঙৰীয়াৰ চৰকাৰ, আৰু প্ৰাক্তন মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া চৰকাৰৰেও আমাক যথেষ্ট পৰিমানে সহায় কৰাত, আজি সেই লেজাই কলাইখোৱা অঞ্চলত আমি বানপানী মুক্ত হৈ আছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ please conclude.

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ)ঃ** গতিকে, এই যিখিনি আমাৰ ৰিং বান্ধ আমাৰ নিৰ্মান কৰিবলৈ আছে, অনাগত দিনবিলাকত মথাউৰিক যেনেকৈ গুৰুত্ব দিয়া হয়। ঠিক তেনে ধৰনেৰে ৰিং বান্ধ বিলাককো নিৰ্মান কৰি মোৰ সমষ্টিত এইবাৰ জলমগ্ন হোৱা ৫৮ খন গাওঁক যাতে বানপানী মুক্ত কৰিব পাৰে তাৰ কাৰণে মই মন্ত্ৰী ডাঙৰীয়াক ব্যৱস্থা ল'ব বুলি আশা ৰাখি এই কথাটো আহ্বান জনাইছো। দ'লনি কোৰৰ, গেৰ-গেৰিয়া, খলিহামাৰী অঞ্চলৰ ৰাইজে যথেষ্ট কষ্ট ভূগিছে, আমাৰ এই ভগা মুখ Block এলেকাত কোৰৰ গাওঁ, খিটিংয়া চাপৰিকে ধৰি এই অঞ্চলৰ ৰাইজে সাংঘাতিক ধৰনে ক্ষতিগ্ৰস্থ হৈছে, আৰু কাৰৈমাৰী চায়াপাখাতী অঞ্চলৰ ৰাইজেও সাংঘাতিক ধৰনে ভূক্তভোগী। গতিকে এই ৰাইজক বানমুক্ত কৰিবলৈ হ'লে গেমন দলংখনৰ কাষৰ পৰা একেবাৰে প্ৰায় ১৫ কি.মি মান যিটো ৰিং বান্ধ আছে, এই ৰিং বান্ধ টো নতুনকৈ নিৰ্মাণ কৰাৰ প্ৰয়োজন আছে। গতিকে এই ক্ষেত্ৰত মই মাননীয় মন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ কৰিব খুজিছো, আৰু আশা ৰাখিছো, আনাগত দিনবিলাকত তেখেতে এই ব্যৱস্থা গ্ৰহণ কৰি মোৰ সমষ্টিটোক বানমুক্ত কৰি ৰাখিবলৈ সক্ষম হ'ব। ধন্যবাদ, নমস্কাৰ।

**মাননীয় উপাধ্যক্ষ ঃ** Thank you .Hon'ble Member, শ্ৰী ৰাজেদ আলি চৌধুৰী।

**শ্ৰী ৰাজেদ আলি চৌধুৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি যি কৰ্তন প্ৰস্তাৱ অনা হৈছে তাৰ সপক্ষে মই অলপ বক্তব্য ৰাখিব খুজিছো। বানপানীৰ কাৰণে আমাৰ অঞ্চলটো অসমৰ ভিতৰত আটাইতকৈ জলন্ত সমস্যা বুলি ক'ব পাৰি। কাৰণ, ব্ৰহ্মপুত্ৰ নদী ধুবুৰীৰ পৰা ফকিৰাগঞ্জলৈকে ৭ কি. মি আছিল। এতিয়া ২৫ কি.মি. হৈছে। প্ৰতিবছৰেই গড়াখহনীয়াৰ ফলত হাজাৰ হাজাৰ ঘড়-বাৰী ব্ৰহ্মপুত্ৰ নদীত জাহ গৈছে। মই দেখিছো অসমত ২/৩ বছৰৰ পিছত এইবাৰ আটাইতকৈ বেছি বানপানী হৈছে। এই বানপানীত ১০৯ জন মানুহৰ মৃত্যু হৈছে। ভাৰতবৰ্ষৰ ভিতৰত অসমত আটাইতকৈ বান পানী বেছি হয় , গড়াখহনীয়া বেছি হয়। গড়াখহনীয়া অন্যান্য ৰাজ্যত বহুত কম। কিন্তু অসমত আটাইতকৈ বেছি হয়। চাৰ, ভাৰতবৰ্ষৰ বানপানী প্ৰৱন এৰিয়াৰ তুলনাত, অসমত বানপানী প্ৰৱন এৰিয়া চাৰিগুন বেছি। যি হিচাপে কেন্দ্ৰীয় চৰকাৰে আমাৰ অসমক বানপানী আৰু গড়াখহনীয়াৰ নামত যিধৰণে সহায় কৰিব লাগিছিল, কিন্তু আমি সেইটো দেখা পোৱা নাই। উপাধ্যক্ষ মহোদয়, আমাৰ বিশেষকৈ যোৱা বানপানীত অসমৰ ১৪ খন জিলাত ৩০৯ খন গাওঁত বসবাস কৰা ১ লাখ পাচঁ হাজাৰ সাতশ শিৰাসীজনলোক বানত ক্ষতিগ্ৰস্থ হৈছে। অসমৰ লগে লগে চাৰ, এই বানপানীত মথাউৰি, ৰাস্তা - ঘাট, দলং যথেষ্ট ক্ষতিগ্ৰস্থ হৈছে। তাৰ লগতে মোৰ দক্ষিন শালমৰা সমষ্টিৰ বোৰাউৰিৰ পৰা আৰম্ভ কৰি ফকিৰগঞ্জলৈকে ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিনপাৰত একেৰাহে এইবাৰ বানপানীত হাজাৰ হাজাৰ ঘৰ ব্ৰহ্মপুত্ৰ নদীত জাহ গৈছে। বিগত সময় ছোৱাত মন্ত্ৰী মহোদয়ক মই সাক্ষাৎ কৰি তেখেতক অনুৰোধ জনাইছিলো যে এইবাৰ protection ৰ বাবে এইবাৰ কিবা এটা আঁচনি আমাক দিয়ক। মাননীয় মহোদয়ে, মোক উওৰ দিছিল যে আপোনাৰ সমষ্টিত ADP আঁচনিৰ ধৰা হৈছে। যদি ADP আঁচনি য'ত ধৰা হৈছে তাৰ পৰা আমি বেলেগ আঁচনি দিলে এইটো Overlaping হোৱাৰ সম্ভাৱনা থকাৰ কাৰণে বিষয়া সকলে এইটোত সন্মতি জনোৱা নাই। তথাপিও বিভাগৰ ফালৰ পৰা কিছু বস্তু যোগান দিয়া হৈছে। জি'অ বেগ আৰু আমি বিধায়ক পুঁজিৰ পৰা , NREGA আঁচনিৰ পৰা, লেবাৰ আৰু মাটিৰ ব্যৱস্থা কৰি আমি তাত protection ৰ ব্যৱস্থা কৰিছো যদিও কিন্তু সেইটো যথেষ্ট নহয়।
গতিকে, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে, আজি দক্ষিন শালমৰাৰ বিভিন্ন চৰ অঞ্চলতো খহনীয়া আৰম্ভ হৈছে। এটা সময়ত NREGA ৰ পৰা ব্ৰহ্মবৰিং কৰি সেইবিলাক Protection দিয়া হৈছিল, কিন্তু সেইটোও বন্ধ হৈ গ'ল। সেয়েহে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে আমাক এই এচিয়ান Development Bank ৰ যিটো Schecm,এই Schecm টোৰ কাম কেতিয়া আৰম্ভ হ'ব? এই বছৰটো গ'ল। অহাবছৰ আমাৰ এই কাম আৰম্ভ হ'ব নে নাই? এই বিষয়ে মন্ত্ৰী মহোদয়ে আমাক আশষ্ট কৰিলে ভাল পাম। কাৰণ ৰাইজৰ আশা যে, এইবাৰ যি হ'ল কিন্তু যদি ADB ৰ কামটো হয়, তেতিয়া হ'লে অঞ্চলটো বাচি যাব। নহ'লে আমাৰ Hospital, থানা, কলেজ, Higher Secondary, বিভিন্ন অনুস্থান -প্ৰতিষ্ঠান ফকিৰগঞ্জ অঞ্চলৰ পৰা ব্ৰহ্মপুত্ৰ নদীৰ জাহ যোৱাৰ সম্ভাৱনা আছে। গতিকে, এইখিনি কথা মাননীয় মহোদয় আকৌ ADP আঁচনিৰ সম্পৰ্কে অৱগত কৰি মই মোৰ বক্তব্য ইয়াতে সামৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য মজিবুৰ ৰহমান। আপোনাক দলে কবলৈ ৫ মিনিট সময় দিছে ।

**শ্ৰীমজিবুৰ ৰহমান, (দলগাওঁ)** ঃ Thank you for giving me an opportunity to speak about Cuthmotion. মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিত মাত্ৰ ৩ খন নদীহে আছে। সেই কেইখন হ'ল ধনশীৰি নদী, ককালভাঙি নদী আৰু তাংগি নদী। যোৱা ২০২১-২২ ত

এখন টেণ্ডাৰ নিবিদা আহ্বান কৰা হৈছিল immediate measure to restore the flood damage at Rahmanpur, Rangaparapathar and it's adjoining areas from the avulsion of river Dhansiri under SDRF for 2021-22 under Mangoldoi Water Resourse Division. মই এইকথা শাৰী মাননীয় জলসম্পদৰ মন্ত্ৰী মহোদয়ক যোৱাবাৰ বিধান সভাৰ সময়ত উত্থাপন কৰিছিলো, তেখেতে assure কৰিছিল যে এইটো হৈ যাব। হয়তো কিবা টেকনিকেল কাৰণত মই বিভাগক সুধিছিলো বিভাগে উত্তৰ দিছিল যে টেকনিকেল কিবা অসুবিধাৰ কাৰণে আপোনাৰ কামটো হৈ উঠা নাই। আকৌ নিবিদা গ্ৰহণ কৰা হ'ব আৰু কামটো হ'ব। মাননীয় জনসম্পদ বিভাগৰ মন্ত্ৰী উপস্থিত আছে মই তেখেতক কৰযোৰে অনুৰোধ কৰিম এই কামটো যিটো কামৰ টেণ্ডাৰ এবাৰ হৈছিল এই টেণ্ডাৰৰ কামটো কেতিয়া হ'ব আৰু কৰিলে ওৰাং যিখন ফৰেষ্ট আছে বেছিকেলি এই দুখন গাঁৱত ৰহমানপুৰ, ভৰপুৰ আৰু ৰঙাপাৰা পথাৰ এই গাঁও কেইখন ৰক্ষা পৰিব আৰু লগতে ওৰাং ফৰেষ্ট খন ৰক্ষা পৰিব। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম যে আপুনি কম দিনৰ ভিতৰত এই টেণ্ডাৰৰ কামটো প্ৰচেচ্ কৰি কামটো যাতে কৰি দিয়ে ৰাইজৰ সুবিধাৰ্থে। লগতে ধনশীৰি নদীয়ে এইবাৰ ২০২৪ চনত ৰৌমাৰী বুলি এখন চাপৰি আছে আৰু এখন খেৰণী চাপৰি আছে, ৰৌমাৰী চাপৰিত প্ৰায় ৫০ ঘৰ নদীয়ে উটুৱাই লৈ গ'ল। খেৰণি চাপৰিত ৩০ ঘৰ উটুৱাই লৈ গৈছে আৰু এল পি স্কুল আৰু অংগনাবাড়ী কেন্দ্ৰ এটা আছিল সেই ধনশীৰি নদীৰ কবলত পৰি এতিয়া উটি যাও যাও অৱস্থা হৈছে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম ধনশীৰি নদীৰ প্ৰটেক্চনৰ কাৰণে যদি আপুনি এটা বান্ধৰ বিধি ব্যৱস্থা কৰি দিয়ে নিশ্চিত ভাৱে ৰঙাপাৰা পথাৰ, ৰহমানপুৰ, ৰৌমাৰী চাপৰি আৰু খেৰণি এই গাঁও কেইখন ৰক্ষা পৰিব। মাননীয়া সভাপতি মহোদয়া, ককালবাৰী এখন নদী আছে সেই নদীখনক যদি প্ৰটেকচন কৰা নহয় তেতিয়াহলে মনত ৰাখিব ৰাষ্ট্ৰীঘাইপথ ১৫ যিটো বাইহাটাৰ পৰা তেজপুৰলৈ গৈ আছে সেই ৰাষ্ট্ৰীয়ঘাই পথটো ভাঙি যোৱাৰ প্ৰকোপ হৈ আছে। আলীচিঙা গাঁও বুলি বেছিমাৰী জংঘল আলী চিঙা এখন গাঁও আছে, সেই গাঁও খনৰ ওচৰৰে ৰাষ্ট্ৰীয় ঘাই পথটো গৈছে। এই পথটোৰ পৰা নদীটো মাত্ৰ ৫০০ মিটাৰ মান দূৰত আছে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম আপুনি অতি শীঘ্ৰে এই ব্যৱস্থাটো ল'ব লাগে প্ৰটেক্চন দিয়াৰ কাৰণে ব্যৱস্থা ল'ব লাগে যাতে ঘাইপথটো ভাঙি নপৰে। যাতায়তৰ যাতে বিচিন্ন হৈ নপৰে। লগতে দলগাঁও সমষ্টিৰ বেছিমাৰী হায়াৰ চেকেণ্ডাৰী এখন নাম জনা স্কুল বুলি কব লাগিব। এই স্কুল খনো এতিয়া ককাল ভাঙি নদীৰ কবলত পৰিছে। স্কুলৰ পৰা মাত্ৰ ২০০ বা ৩০০ মিটাৰ আছে। তাতে কোনোপধ্যে অলপ ব'লডাৰ মই বিধায়ক পুঁজিৰ পৰা দি আৰু কিছু বাহ লোকেলি সংগ্ৰহ কৰি সেইটোক প্ৰটেক্চন দি ৰখা হৈছে। মাননীয় মন্ত্ৰী মহোদয়ক মই এই কথা টানি অনুৰোধ কৰিম বেছিমাৰী হায়াৰ চেকেণ্ডাৰীৰ স্বাৰ্থত এই হাজাৰ হাজাৰ ল'ৰা-ছোৱালীৰ স্বাৰ্থত আপুনি কম দিনৰ ভিতৰত অলপ কিছু হলেও দি সেই স্কুলখন সেই নদীৰ পৰা ৰক্ষা কৰিব লাগে। আৰু এখন নদী আছে টাংগী নদী। এই টাংগী নদীক ভয়ানক নদী বুলি কব লাগিব। ইমান ক্ষতি কৰে বছৰে বছৰে, বানপানী অহাৰ আগতেও ভাঙে, বানপানী অহাৰ পিছতো ভাঙে আৰু বানপানীৰ সময়তো ভাঙে। বেছিকেলি ক্ষতি কৰিছে দেৰপাম পাৰা, নমাটিগাঁও, চিমালুগুৰি, গলন্দি জি পি, কোৱাৰী পুখুৰী, বোধপুখুৰী আৰু ফকিৰপাৰা। মাননীয় মন্ত্ৰী মহোদয় আছে উপস্থিত সদনত, তেখেতক মই কৰযোৰে অনুৰোধ কৰিম বিগত ৩ বছৰ হৈ গ'ল আপোনাৰ বিভাগৰ পৰা মই আজিলৈকে মোৰ সমষ্টিত এক টকা এটা ৰাইজে নাপালে। মই টানি অনুৰোধ কৰিছো যে

আপুনি এই বাৰ এই বিধান সভাৰ মজিয়াত আমাক আস্বস্থ্য কৰিব লাগিব যে মোৰ সমষ্টিত আপুনি কেতিয়া এই ধনশীৰি, ককাল বাৰী আৰু টাংগী নদীৰ প্ৰটেক্চনৰ বিধি ব্যৱস্থা কৰিব এই কথা খিনিৰ যদি আপুনি আস্বাস দিয়ে মই ভাৰিম যে অহা ২ বছৰৰ ভিতৰত এই কাম খিনি কৰিব পাৰো যাতে আৰু কৰিলেহে অহা বছৰ ৰাইজৰ ওচৰত যাব পাৰিম ভোটৰ কাৰণে। নহলেতো আমাৰ অৱস্থা বেয়া হ'ব। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই টানি অনুৰোধ কৰিছো যদি আপোনালোকৰ মায়া মহব্ত আছে আমাৰ প্ৰতি বিৰোধী বুলি আৰু নকৰিব, আপোনালোকে দিছে, আপুনি যথেষ্ট কাম কৰিছে, মই নকও যে আপুনি কাম কৰা নাই, জলসম্পদ বিভাগে কিন্তু যথেষ্ট কাম কৰিছে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ কৰিছে। কিন্তু মাজে মাজে আপুনি Minority এৰিয়া বিলাকত কাম কম কৰিছে। গতিকে মই আপোনাক টানি অনুৰোধ কৰিছো Minority এৰিয়াৰ ভিতৰত লাহৰী ঘাটত কৰিছে, আমাৰ আমিনুল চাহাবৰ কামখিনি কৰি দিছে। মই কিমানবাৰ কলো কিন্তু আপুনি গুৰুত্ব নিদিলে আজি পবিত্ৰ সদনত মই অনুৰোধ কৰিছো আপুনি গুৰুত্ব সহকাৰে লব আৰু অলপ মৰম কৰি মোক অলপ চাব আপুনি। এইখিনি কৈয়ে মই মোৰ কথা শেষ কৰিছো।

**শ্ৰীমতী শিৰামণি বৰা, (সভাপতি )** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য মানৱ ডেকা, আপোনাক দলে সময় দিছে ৭ মিনিট।

**শ্ৰীমানৱ ডেকা,(লক্ষিমপূৰ)** ঃ সভাপতি মহোদয়া, মই আজি জলসম্পদৰ বিভাগৰ কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ ভাষণ আৰম্ভ কৰিব ওলাইছো। জল সম্পদ বিভাগ মানে কেৱল বানপানীৰ লগতে জড়িত হৈ নাথাকে। অসমত সমগ্ৰ অৰ্থনৈতিক ব্যৱস্থাটোৰ লগত বানপানীয়ে প্ৰভাৱ পেলাই। যেতিয়া বানে বিধস্ত কৰা এটা অঞ্চল তেতিয়া খেতি পথাৰ নষ্ট হয় মানুহৰ সম্পত্তি নষ্ট হয় আৰু যিহেতু অসম খন এখন কৃষি প্ৰধান ৰাজ্য গতিকে অৰ্থনৈতিক বিৰোপ প্ৰভাৱ পৰে। আজি যদি বানপানীৰ ক্ষেত্ৰত অসমক যদি কোনোবাই সবতকৈ বেছি প্ৰতিনিধিত্ব কৰিছিল ধেমাজী আৰু লখি মপুৰ জিলাৰ বিধায়ক সকলে। বান বিধস্ত ধেমাজী, বানবিধস্ত লখিমপুৰ এনেকৈ আগতে কোৱা যায়। ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়া সেই বিভাগৰে মন্ত্ৰী আছিল বা এতিয়াও তেওঁ সেই অঞ্চলৰে বিধায়ক। আগতে আমাৰ লখিমপুৰ বা ধেমাজীৰ ৰাইজে কি বিচাৰিছিল জানে নে জনপ্ৰতিনিধিৰ পৰা, আমাৰ মনত আছে, আমি তেতিয়া সৰু আছিলো। যে জনপ্ৰতিনিধি জনে বিধান সভাত বানৰ সমস্যাটো উত্থাপন কৰিলে নে নাই, সিমানতে সীমাবদ্ধ আছিল কংগ্ৰেছ চৰকাৰৰ দিনত। যে ৰাইজ সন্তুষ্ট হৈ গৈছিল যদি তাৰে জনপ্ৰতিনিধি জনে বিধান সভাত বানপানী সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰে। কিন্তু আজি সেই একেখিনি ৰাইজে বিজেপি চৰকাৰৰ দিনত আমাৰ কি বিচাৰে যে আমাৰ বানৰ সমস্যাটো সমধান কৰি দিয়ক। কিয় বিচৰা হৈছে আপোনালোকে জানেনে? কংগ্ৰেছৰ দিনত লখিমপুৰৰ পৰা ধেমাজীলৈ যাবলৈ ২ ঘন্টা ৩ ঘন্টা সময় লাগিছিল। কিয় লাগিছিল যে আমাৰ সমজান বুলি এটা ঠাই আছিল, যেনেকৈ প্ৰত্যেক বছৰে বিহু আহে, পূজা আহে তেনেকৈ সমাজানত বানপানী আহে। প্ৰায় ১০ কি.মিটাৰ বিস্তীৰ্ণ অঞ্চল বাৰিষা হলে সাগৰ সদৃশ হৈ যায় আৰু খৰালী হলে মৰুভূমি হৈ যায়। গাড়ী যাব নোৱাৰে প্ৰায় ১ ঘন্টা লাগে ১০-১৫ কি.মিটাৰ পথত। কোনো দিন কংগ্ৰেছ দলে সেই সমস্যা সমধান নকৰিলে। কিন্তু যেতিয়াৰ পৰা বিজেপিৰ চৰকাৰ আহিলে অসমত সেই ধেমাজী, লখিমপুৰৰ পৰা আজি ৪৫ মিনিটত গৈ পাব পৰা হ'ল। সেই সমস্যা সমধান হ'ল। আজি সুৱনশিৰি নৈ যিখন ব্ৰহ্মপুত্ৰৰ পিছতে সকলোতকৈ বৃহত নদী অসমত, সেই সুৱনশিৰি নদী নব কুমাৰ দলে ডাঙৰীয়া, ৰনোজ পেগু ডাঙৰীয়া আমাৰ বা ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াৰ সমষ্টিৰ মাজেৰে পাৰ হৈ গৈছে। কিমান সমস্যা আছিল তাত, বানপানী বুলি কলে আমাৰ বুকু কপি

যায়। ৰঙা নদীৰ বানপানী বুলি কলে আমাৰ বুকু কপি যায়। আজি আপোনালোকে চাওক সেই মথাউৰী একেবাৰে লোহাৰ নিচিনা বনোৱাই অকল নহয় নৱ কুমাৰ দলে ডাঙৰীয়াৰ সমষ্টিতে হওঁক মোৰ সমষ্টিতে হওঁৰ ৰঙা নদীৰ পৰা মথাউৰী ভাঙি টাউনৰ ভিতৰলৈ পানী সোমাই গৈছিল। কিন্তু বি জে পি চৰকাৰৰ দিনত সেই মঠাউৰি ভাল কৰাই নহয়, ২৬ কিঃ মিঃ National High Way ৰ নিচিনা ৰাস্তা মোৰ সমষ্টিত কৰা হৈছে। ঠিক তেনেকৈ নৱ দলে ডাঙৰীয়াৰ সমষ্টিত কৰা হৈছে। মই কোৱা নাই যে সকলো সমস্যা সমাধান হৈ গৈছে। কিন্তু আজি লক্ষিমপুৰ জিলাৰ যি বান বিধস্ত অঞ্চল বুলি এটা দূৰ্নাম আছিল আজি কিন্তু তাৰ ৮০ শতাংশ কাম সম্পুৰ্ণ হৈ গৈছে। এতিয়া অলপ কাম আছে, মই আৰু এটা কথা ইয়াত উনুকিয়াব পাৰো যে চৰকাৰখনে কেৱল অসমৰ জলসম্পদ বিভাগে নহয়, মুখ্যমন্ত্ৰী মহোদয়ে নিজৰ পদক্ষেপত, আমাৰ তাত আপোনালোকে জানে যে NSPCৰ প্ৰকল্প আছে, সোৱনশিৰি নদীৰ ওপৰত।. আগতে NSPCৰ CSR ৰ পইচা আগৰ দলৰ প্ৰতিনিধি সকলে নামঘৰৰ নামত আনে, কি ? পানীযোগান আঁচনি, আগতে ক্লাবৰ নামত আনে পানীযোগান আঁচনি। কিয় আনে? বা ক'তো মই এই বিলাক দেখাও নাই পানীযোগান আঁচনি। কিন্তু আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই NSPCৰ লগত কথা পাতি নৱ দলে ডাঙৰীয়া, মই, প্ৰদান বৰুৱা ডাঙৰীয়া, ভুবন পেগু ডাঙৰীয়া, ৰনোজ পেগু ডাঙৰীয়াই ২শ কোটি টকা NSPCৰ CSR ৰে আমি সোৱনশিৰীত মঠাউৰি বনাইছো আৰু সেয়া সম্ভৱ হৈছে জলসম্পদ বিভাগৰ মন্ত্ৰী আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পদক্ষেপৰ কাৰণে। আজি আকৌ আমি এই বছৰ ২শ কোটি টকাৰ কাম আৰম্ভ কৰিবলৈ লৈছো। কিছু সমস্যা আমাৰ আছে, মাজুলীৰ ফালেও আছে। আমাৰ ভুৱনগাম ডাঙৰীয়া লাগি আছে। অৰ্থাৎ মাজুলী আৰু লক্ষীমপুৰ, এফালে মাজুলী পৰে আমাৰ সোৱনশিৰীৰ কাৰণে, এফালে লক্ষীমপুৰ পৰে। সেই ধৰণৰ কাম-কাজ আগতে কেতিয়াও হোৱা নাছিল। আগতে জলসম্পদ বিভাগ মানে কেৱল দুৰ্নীতিৰ বিভাগ । আগতে জলসম্পদৰ কোনোবা যদি ইঞ্জিনিয়াৰ আছে বিহু পূজাৰ চান্দা বিচাৰি যোৱা মানুহ আছিল। কোনো মঠাউৰি বিচাৰি যোৱা মানুহ নাছিল কাৰণ জানে যে জলসম্পদ মানে ৬০-৪০ হৈছিল, কংগ্ৰেছ চৰকাৰৰ দিনত। কিন্তু আজি জলসম্পদ বিভাগৰ সেই বিষয়া সকলে ইমান নিপুনতাৰে কাম বিলাক কৰিছে, ইমান ভাল মঠাউৰি বনাইছে। হয়তো অসমৰ সকলোৱে এই সমস্যাবিলাক নাজানিব য'ত নদী প্ৰধান অঞ্চল তাৰ মানুহে জানিব। গৈ যদি চাই আহে যে ইমান সুন্দৰ কৈ অসমৰ জলসিঞ্চন বিভাগেও যে কাম কৰিব পাৰে তাৰ নজিৰ আমাৰ লক্ষীমপুৰ ধেমাজিত প্ৰতিফলিত হৈছে। সভানেত্ৰী মহোদয়ানী মই সেই কাৰণে কংগ্ৰেছ বা বিৰোধী সকলে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে এই কৰ্তন প্ৰস্তাৱক মই বিৰোধিতা কৰিছো আৰু মই জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক বিশেষকৈ ধন্যবাদ জনাইছো। তেওঁ জলসম্পদ মন্ত্ৰী হোৱাৰ পাছত আমাৰ সমষ্টিতে এতিয়ালৈকে ৪-৫ বাৰ গৈছে। যোৱা মানে DC. Office ৰ কনফাৰেঞ্চ হ'লত বহি মিটিং কৰি ঘূৰি অহা নাই। তেওঁ আমাৰ লগত একেলগে নাওঁৰে গোটেই অঞ্চল ঘুৰিছো, আৰু যিমান সমস্যা আছে প্ৰায়খিনি সমস্যা তেওঁ সমাধান কৰাৰ চেষ্টা কৰিছে। সেই কাৰণে তেওঁক মই বিশেষভাৱে ধন্যবাদ জনাইছো, আৰু এই বিভাগৰ বিষয়া সকলে বহুত আজি কালি ভালকৈ কাম কৰে। যোৱা বছৰ ভৰত নৰহ ডাঙৰীয়াৰ সমষ্টিত ছাৰ, গৈ পাওঁতে দুইদিন মান পলম হ'ল তেখেতৰ তাত মঠাউৰি এটা ভাঙি থাকিলে শিঙৰা নদীত। মোক মুখ্যমন্ত্ৰী মহোদয়ে কলে, যে লগে লগে যাওঁক. মই ১০ মিনিটত গৈ পালো, মন্ত্ৰী ডাঙৰীয়াৰ লগত কথা পাতিলো, মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত কথা পাতিলো, বিশ্বাস কৰিব ১৫ দিনৰ ভিতৰত সেইখিনি ঠিক কৰি দিয়া হ'ল। ছাৰে হয়টো কথাটো স্বীকাৰ কৰিব। এনেকুৱা ঘটনা কেতিয়াওঁ আগতে

আমাৰ অসমত হোৱা নাছিল, জলসম্পদ বিভাগত। যেতিয়া বাৰিষা হয় তেতিয়া কাম কৰিবলৈ আৰম্ভ কৰে খৰালি কাম নহয় আৰু মঠাউৰি ভঙাটো ৬ মাহলৈ সেইটো নলাই হৈ যায়। কিন্তু আজি এনেকুৱা এটা পৰিবেশ আহিছে যে মঠাউৰি ভঙাৰ পিছদিনাখনৰ পৰাই কাম আৰম্ভ হোৱাৰ পৰিবেশ এই চৰকাৰখনে কৰিছে। সেই কাৰণে মই বিশেষ ভাৱে মুখ্যমন্ত্ৰী মহোদয়ক আৰু আমাৰ জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকা ডাঙৰীয়া, আৰু বিষয়া সকল সকলোকে ধন্যবাদ জনাই এই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্য সামৰণি মাৰিছো।

**সভানেত্ৰী** ঃ ধন্যবাদ, মাননীয় সদস্য এতিয়া আছে মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন লস্কৰ। আপোনাক দলে ৫ মিনিট সময় দিছে। তেখেত অনুপস্থিত এতিয়া আছে, ড০ ৰফিকুল ইছলাম, আপোনাক দলে সময় দিছে ৮ মিনিট।

**ড° ৰফিকুল ইছলাম, (জানিয়া)** ঃ মাননীয় সভানেত্ৰী মহোদয়া, কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মোক দুষাৰ কোৱাৰ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। জলসম্পদ বিভাগক লৈ আমি মাজে মাজে আলোচনা কৰো। জল আমাৰ কাৰণে সম্পদ কিন্তু অসমত জল আপদ হৈছে যাৰ কাৰণে আমি এই আপদখিনি সদায় আলোচনা কৰো। সম্পদলৈকে আমি আহিবই নোৱাৰো, নামটো হয় জলসম্পদ । আমি জল কেনেকৈ সম্পদ হিচাপে ব্যৱহাৰ কৰিব পাৰো তেনেকুৱা ধৰণৰ পৰিকল্পনা আমি কৰাৰ প্ৰয়োজন। কিন্তু সেই পৰিকল্পনালৈকে আমি যা বই নোৱাৰো। যিহেতু আমাৰ অসমত ব্ৰহ্মপুত্ৰকে আদি কৰি বাকী যি নৈবোৰ আছে, আমাৰ ওচৰত আপদ হৈ ঠিয় দিয়ে। জনগনৰ সন্মুখত যাৰ কাৰণে আমি সদায় জলসম্পদ টো আপদ হিচাপে আমি আলোচনা কৰি আহিছো। ব্ৰহ্মপুত্ৰকে আদি কৰি বাকী নৈ সমূহ খননৰ কথা বহুবাৰ চৰ্চা হৈছে। কিছু প্ৰস্তুতিও কিছু সময়ত দেখা গৈছে কিন্তু সেইটো কৰা হোৱা নাই আৰু নকৰাৰ কাৰণে হয়তো যেতিয়া বাৰিষাৰ সময় হয় ইমান পানী হৈ যায় গোটেই অসম ব্ৰহ্মপুত্ৰৰ আশে পাশে থকা অঞ্চলবিলাক প্ৰত্যেক বছৰ প্লাৱিত হয় । লাখ লাখ মানুহ তেখেত সকলৰ খেতিবাতি নষ্ট হয়, গড়াখহনীয়াত বহুত মানুহ ক্ষতিগ্ৰস্থ হয়। সেই মানুহখিনি পিছত এডোখৰ ঠাই নাথাকে থিতাপি ল'বলৈ। এই সমস্যাটো লৈ চৰকাৰে হয় , ইয়াৰ পৰিত্ৰাণৰ কাৰণে কিছু চেষ্টা কৰিছে, সেইখিনি আমি অস্বীকাৰ নকৰো। গড়াখহনীয়া প্ৰতিৰোধৰ কাৰণে কিন্তু এই ব্ৰহ্মপুত্ৰ বিশাল নদী আৰু ইয়াৰ উপনৈ সমূহে যিমান গড়া খহাইছে, আমি যিখিনি ব্যৱস্থা লওঁ সেইখিনি মুঠেও যথেষ্ট নহয়, আৰু বহু কৰিব লগা আছে। এখন ৰাজ্যৰ গোটেই বছৰৰ বাজেট থাকে এই গোটেইখিনি পইচা দিওঁ যদি আমি ব্ৰহ্মপুত্ৰ বা নদীৰ প্ৰটেকশ্যনৰ কাম আমি কৰিব বিছাৰো এই মানুহখিনিৰ সংস্থাপনৰ আমি চিন্তা কৰো,তথাপিও কম হ'ব আৰু সেই পইচাখিনি বিভিন্ন বিভাগত ভগাব লগা হয় আৰু বিভাগবোৰে যিমানখিনি পইচা পাই এইখিনি দি এই আপদটো , এই সমস্যা সমাধান কৰাটো মুঠেই সম্ভৱ নহয়। গতিকে মন্ত্ৰী মহোদয়ৰ বিভাগত ভালেইখিনি কাম হৈছে । বাজেট তাতে ভালেইখিনি ধাৰ্য্য হৈছে, কিন্তু মই ভাবো এইখিনি যথেষ্ট নহয়, আৰু এই বিভাগত বেছিকৈ পইচা দিব লাগে। কিয়নো গড়াখহনীয়া কিছু পৰিমানে কৰা হৈছে, কিন্তু গড়াখহনীয়াত ক্ষতিগস্থ মানুহখিনিৰ সংস্থাপনৰ বাবে কোনো ব্যৱস্থা ল'ব পৰা যোৱা নাই। বানপানীত যদি কোনো মানুহৰ ঘৰবাৰী উটি যায় disaster management ৰ অধীনত তেখেত সকলক সামন্য এটা পুঁজি তথাপিও দিয়া হয় যে সম্পুৰ্ণ ভাবে এটা ঘৰ ভাঙি গ'লে তেখেত সকলে এক লাখমান টকা পায়। কিছু নষ্ট হ'লে এটা পইচা দিয়া হয়। কিন্তু গড়াখহনীয়াত যিসকল ক্ষতিগ্ৰস্থ হৈ যায় গোটেই অসমত শদিয়াৰ পৰা ধুবুৰীলৈকে। আমি যদি হিচাপ কৰো কেইবালাখ মানুহ যি সকলৰ ঘৰবাৰী নদীৰ মাজত গুছি গৈছে, সেই সকলৰ থাকিবলৈ এডোখৰ মাটি নাই।

কিন্তু তেখেত সকলে কোনো ধৰণৰ ক্ষতিপুৰন নাপাই ৫ বিঘা, ১০বিঘা,২০বিঘা মাটিৰ মালিক ৰাতাৰাতিৰ ভিতৰত ভিক্ষাৰি হৈ যায়। পকী ঘৰ আছিল সেই গোটেইখিনি যদি নদীৰ মাজত জাহ যাই সেই সকলে মঠাউৰিত থাকিব লগা হয়, সেই সকলে অনাই বনাই ইফাল সিফাল কৰি ঘুৰিব লগা হয়। তাৰ পাছত নানা ধৰণৰ প্ৰশ্ন উৎথাপন হয়, ৰাতা-ৰাতিৰ ভিতৰত এই মানুহখিনি ক'ৰ পৰা আহিল? ৰাতা-ৰাতিৰ ভিতৰত অহা মানুহ নহয়,সেই মানুহখিনি গড়াখহনীয়া মানুহ, সম্ৰান্ত পৰিয়ালৰ বহুত মানুহ। বিপদত পৰি তেওঁলোক হয়টো এখন জিলাৰ পৰা আন এখন জিলালৈ যাব লগা হয়। মঠাউৰিত থাকিব লগা হয় ভাৰাঘৰত থাকিব লগা হয়। সেই বিলাকলৈ নানা ধৰণৰ ইছ্যু হয়। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম আপোনাৰ বিভাগত পইচা যিমানখিনি আছে, আপুনি কাম কৰি আছে, আমি দেখিছো। হয় যিখিনি কাম কৰিছে সেইখিনি আমি স্বীকাৰ কৰিবই লাগিব। গোটেই অসমত বানপানীৰ সময়ত ইমুৰ পৰা সিমুৰলৈ তেখেতে ঘুৰিছে। সেইখিনিও আমি দেখিছো। কিছু ঠাইত কাম হৈছে সেইখিনিও আমি দেখিছো। কিন্তু এই পুঁজি যথেষ্ট নহয়, অনাগত দিনত আপোনাৰ বিভাগত আৰু পুঁজি লওঁক , আমি সমৰ্থন কৰো, আমি ৰিকুৱেষ্ট ৰাখিম আৰু এই সমস্যা সমাধানৰ ক্ষেত্ৰত আৰু শক্তিশালি ভাৱে বিভাগে নিশ্চয় চকু ৰাখিব আমিও সহযোগিতা আগবঢ়াম। মাননীয় সভানেত্ৰী মহোদয়া আমি কৈছো যে সম্পদ হিচাপে আমি পৰিকল্পনা কৰিব নোৱাৰো আপদ হিচাপে আলোচনা কৰিব লাগে। মোৰ সমষ্টিত বেকী নৈ, জনিয়া সমষ্টি, সগভোগ সমষ্টি, জনিয়া বাঘবৰ হৈ ব্ৰহ্মপুত্ৰত পৰিছে ৱৰ্ল্ডবেংকৰ এটা ভাল কাম চলি আছে ৪ শ কোটিৰ। তাৰে মেজৰ কামটো সৰভোগ সমষ্টিত আছে, প্ৰায় ১৩ কিঃ মিঃ ৰ কাম প্ৰায় সম্পুৰ্ণ হৈছে। সৰভোগৰ বিভিন্ন জেগাত নাৰায়নগুৰিৰ পৰা আৰম্ভ কৰি এলেংমাৰি, গোৰৰ্ধনা আদি অঞ্চল বিলাকত হৈছে। জনিয়া সমষ্টিৰ কিছু ঠাইত এই কাম আৰম্ভ হৈছে। জনিয়াৰ কৰাইগুণত দেৰ কিঃ মিঃ মান কাম হৈছে। মোৱামাৰি, চলচলিত কাম আৰম্ভ হৈছে, কিন্তু এতিয়াও বহু ঠাইত কাম আৰম্ভ হ'ব লগা আছে। মই মন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ কৰিম যে যোৱা দিনবোৰত World Bank ৰ এই কাম জনীয়া সমষ্টিৰ যিবিলাক অঞ্চলত হ'ল তাত কিছু ঠাইত কাম কিছু লেহেমীয়া হৈছে। সেই কামখিনি সম্পূৰ্ণ হৈ উঠা নাই। কাউৰজাহি, বলাই পথাৰ এই এলেকা সমূহত World Bank ৰ কাম আছে। কিন্তু এইবাৰ এতিয়াও গৰাখহনীয়া হৈ আছে। মই মাননীয় মন্ত্ৰী মহোদয়ৰ লগত কিছুদিন আগত কথা পাতিছো। অস্থায়ী ভাৱে সামান্য কাম কৰা হৈছে। কিন্তু কাউৰজাহি স্কুলখনলৈ ভাবুকি আহিছে। মই নিজেও পৰিদৰ্শন কৰিছো। এই বিদ্যালয়খনৰ ওচৰ-পাজৰে আৰু বিদ্যালয় আছে। গতিকে কাউৰজাহি, বলাইপথাৰ অঞ্চলটো একেবাৰে সংকটজনক অৱস্থাত আছে। বৰ্তমান ডাউকমাৰী, বানিয়াৰাপাৰা, কাচুগাটি এই অঞ্চল সমূহত সাংঘাটিক ধৰণে গৰাখহনীয়া হৈ আছে। সৰভোগত বেকী ব্ৰীজ একেবাৰে disconnect হোৱাৰ পৰিস্থিতিত আছিল। এইবাৰ যুদ্ধকালীন ভাৱে তাত কাম কৰাত কিছু পৰিমাণে হয়তো ৰাস্তাটো আছে। কিন্তু আমি যদি খৰালি তাত কাম ভালদৰে নকৰো অহা বছৰ ৰাখিব পৰা নাযাব। তাত পইচা চেংচন হৈ আছে। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে এই পইচাখিনি হয়তো যথেষ্ঠ নহ'ব। কাৰণ বেকী নদীৰ দলঙৰ মুখত একেবাৰে কাম কৰিব পৰা অৱস্থাত নাই। তাত এখন গাৰ্ড ৱাল দিব লাগিব। এই গাৰ্ড ৱালৰ কাৰণে কিন্তু পইচা চেংচন নাই। বোল্ডাৰে যদি আমি গাৰ্ড ৱাল এখন বনাই তাৰপিছত যদি বেকী দলঙৰ মুখত কাম কৰো তেতিয়াহে অঞ্চলটো বাচিব। ইয়াৰ পিছত চান্দপুৰ, সোনাপুৰত বৰ্তমান বেকী নদীৰ গৰাখহনীয়া হৈ আছে। গোবিন্দপুৰত গৰাখহনীয়া হৈ আছে। মোৰ সমষ্টিৰ সন্মুখত সোনাবাৰী, বাঘবৰ সমষ্টিত পৰে এই অঞ্চলটো তাত এইবাৰ গোটেই বজাৰখন উটি গ'ল।

কেইদিনমান আগত তাত গৰাখহনীয়া হৈ অংগনবাড়ী চেণ্টাৰ, পঞ্চায়ত অফিচ, কমিউনিটি হল আৰু সোনাবাৰী গোটেই বজাৰখন উটি বিধস্ত হৈ গ'ল। তাত ও অতি সোনকালে কাম আৰম্ভ কৰিব লগীয়া আছে। চিগনী, জাউৰিবাৰীত আমাৰ কাম আৰম্ভ কৰিব লগীয়া আছে। মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম World Bank ৰ যিহেতু পইচা আছে কাম আৰম্ভ হৈছে, এইবাৰ খৰালিত যাতে জনিয়া আৰু বাঘবৰৰ যি অংশ আছে তাত যুদ্ধকালীন ভাৱে কাম কৰি বেকী নদীৰ protection কৰি অঞ্চলটোক ৰক্ষা কৰা হয়। লগতে মাননীয় মন্ত্ৰী মহোদয়ৰ প্ৰতি মোৰ এটা আহ্বান থাকিল যে এইবাৰ নতুনকৈ এটা চাৰ্ভে কৰিব লাগে। World Bank ৰ এই কামৰ কাৰণে যিখিনি প্ৰস্তাৱ লোৱা হৈছিল কেইবাবছৰ আগতেই লোৱা হৈছিল। বেকী নদীৰ নতুন নতুন ঠাইত গৰাখহনীয়া হৈছে। সেই অঞ্চল বিলাক কিন্তু এই প্ৰজেক্টৰ অধীনত নাই। গতিকে World Bank ৰ ইঞ্জিনীয়াৰ সকল আৰু বিভাগৰ ইঞ্জিনীয়াৰ সকলক পঠাই এই বেকী নদীৰ নতুনকৈ চাৰ্ভে কৰি জনিয়া, বাঘবৰ আদিৰ যি অঞ্চল সমূহত গৰাখহনীয়া কৰিছে সেই অঞ্চল সমূহ ন'টিচত লৈ তাত কাম কৰিব লাগে। মাননীয়া সভানেত্ৰী মহোদয়া, বেকী নদীৰ লগে লগে মোৰ সমষ্টিত চাউলখোৱা, ভেলেঙী, আই, মানাহ আদি কেইবাখনো নদী আছে। চাউলখোৱা, ভেলেঙী নদীতো এইকেইদিন বহুত গৰাখহনীয়া হৈ আছে। কান্দাপাৰা, চিটুলী, ৰাঙাবাৰী, ভেৰাগাওঁত সাংঘাতিক ভাৱে গৰাখহনীয়া হৈ আছে। আমাৰ ইছবপুৰ ক্ষুদ্ৰখোৱাত আই আৰু মানাহ নদী সংলগ্ন হৈছে আৰু তাত গৰাখহনীয়া হৈ আছে। গতিকে বেকীৰ লগে লগে চাউলখোৱা, ভেলেঙী, আই, মানাহ জনিয়া সমষ্টি আদি কৰি অঞ্চল সমূহত যিখিনি গৰাখহনীয়া হৈ আছে বিভাগে যাতে ইয়াৰ ওপৰত দৃষ্টি দিয়ে এই কথাখিনি মই উত্থাপন কৰিলো। গৰাখহনীয়াত ক্ষতিগ্ৰস্ত যিখিনি মানুহৰ ঘৰ-বাৰী একেবাৰে গুছি গৈছে সেইখিনিৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ে দিল্লীৰ লগত আলোচনা কৰি দূৰ্যোগ ব্যৱস্থাপনা বিভাগৰ অধীনত আনি তেখেত সকলক ক্ষতিপূৰণ দিয়াৰ এটা ব্যৱস্থা যদি আমি কৰিব পাৰো এইটো গোটেই অসমত গৰাখহনীয়াত ক্ষতিগ্ৰস্ত মানুহখিনিৰ বাবে ডাঙৰ এটা সকাহ হ'ব। এইখিনি কথা কৈ মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় সভানেত্ৰী ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন শিকদাৰ। আপোনাক ৫ মিনিট সময় দিয়া হৈছে।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয়া সভানেত্ৰী মহোদয়া, আমাৰ বিধায়িনী দলে যি কৰ্তন প্ৰস্তাৱ আনিছে সেই কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মোক দুআষাৰ কোৱাৰ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। মাননীয়া সভানেত্ৰী মহোদয়া, জলসম্পদ বিভাগৰ আগতে নাম আছিল বান নিয়ন্ত্ৰণ বিভাগ। বান নিয়ন্ত্ৰণ বিভাগৰ নাম পৰিৱৰ্তন কৰি জলসম্পদ বিভাগ হিচাবে নামাকৰণ কৰি বৰ্তমান বিভাগে কাম-কাজ কৰি আছে। মই মোৰ বক্তব্যৰ আৰম্ভণিতে উল্লেখ কৰা জল আৰু সম্পদ এই বিভাগৰ নামাকৰণ এই উদ্দেশ্যেৰে কৰা হৈছে যে আমি পানীক সম্পদ হিচাবে ব্যৱহাৰ কৰিব পাৰো। বিভাগে তাৰ বাবে সেই দৃষ্টিভংগীৰে বা সেই উদ্দেশ্যৰে কাম কৰিব লাগিব। যি কামৰ জৰিয়তে পানী, বানপানী, নদী আদিবোৰ মানুহৰ বাবে অভিশাপ নহৈ যাতে আৰ্শীবাদ হয়। বৰ্তমান মূহুৰ্তত আমি যদি চাওঁ এই পৰ্য্যন্ত অসমৰ ৰাইজৰ কাৰণে জল সম্পদ হৈ উঠিব পৰা নাই। বৰঞ্চ বানপানীয়ে মানুহৰ জীৱন, সম্পত্তি ধ্বংস কৰিছে, বহু মানুহ গৃহহীন হৈছে, বহু মানুহৰ খেতি পথাৰ নষ্ট হৈছে। ইয়াৰ উপৰিও এই জলসম্পদৰ লগত জড়িত থকা বিভাগ সমূহেও যথেষ্ট ক্ষতিৰ সন্মুখীন হ'ব লগীয়া হৈছে। সেয়েহে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে এই বিভাগৰ যিটো নাম, যিটো উদ্দেশ্যৰে কৰা হৈছে তাৰ কাৰ্য্যকৰী কেতিয়া হ'ব বা

সেই উদ্দেশ্যত কেতিয়া আমি সফল হ'ব পাৰিম তাৰ কাৰণে বিভাগে চিন্তা-চৰ্চা কৰিব লাগিব। আজি শাসক পক্ষৰ সন্মানীয় বিধায়ক সকলে কৰ্তন প্ৰস্তাৱৰ ওপৰত যি বক্তব্য দাঙি ধৰিছে সেই বক্তব্যবোৰ এনেকুৱা ধৰণৰ লাগিছে যে ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছৰে পৰা আমাৰ অসমত যেন কোনো মথাউৰিৰ কাম হোৱাই নাই লগতে কোনো বিভাগে উপকৃত হ'ব পৰা নাই। তেনেকুৱা ধৰণৰ ধাৰণা এটা দিব বিচাৰিছে। গতিকে মই তেওঁলোকৰ বক্তব্যবোৰ নসাৎ কৰিছো আৰু লগতে তেওঁলোকৰ এনেকুৱা ধৰণৰ মন্তব্যবোৰ উঠাই লোৱাৰ বাবে আহ্বান কৰিলো। কিয়নো পূৰ্বৰ কংগ্ৰেছ চৰকাৰে অসমত বানপানী নিয়ন্ত্ৰণৰ বাবে আৰু নদীক নিয়ন্ত্ৰণ কৰাৰ বাবে বহু কাম কৰিছে, যিসমূহ শাসক পক্ষই দেখিও নেদেখাৰ ভাওঁ জুৰি তেখেত সকল শাসক পক্ষৰ হৈ আছে। যিহেতু এইটো মানুহৰ সমাজ জীৱনৰ লগত জড়িত বিষয় আৰু অসমৰ অৰ্থনৈতিক ক্ষেত্ৰখনৰ লগত জলসম্পদ বিভাগটো যিহেতু জড়িত হৈ আছে যাৰ বাবে আমি শাসক-বিৰোধী উভয় পক্ষই এনেকুৱা এটা আলোচনা হোৱাতো বিচাৰিব লাগে যাতে অসমৰ নদী সমূহৰ পানী অভিশাপ নহৈ আৰ্শীবাদ হয়। তেতিয়াহ'লে আমাৰ বিধায়িনী দলৰ পৰাও সম্পূৰ্ণ সহযোগিতা থাকিব। অসমত সৰু-ডাঙৰ বহু কেইখন নদী আছে। ব্ৰহ্মপুত্ৰ, বৰাক, উজনি-নামনি আদি বিভিন্ন ঠাইত নদী সমূহ আছে। এই নদী সমূহ বানপানীৰ সময়ত পানীৰে ওফন্দি থাকে। নদীৰ পানীবোৰ ঘৰত সোমাই, পথাৰলৈ যায়। ফলত বানপানীৰ সময়ত সমগ্ৰ অসমত যি এক পৰিবেশৰ সৃষ্টি হয় তাক হয়তো বৰ্ণনা কৰিব নোৱাৰিলেও আমি সকলোৱে মৰ্মে মৰ্মে উপলব্ধি কৰো। বানপানীৰ সময়ত অসমৰ সংবাদ মাধ্যম, অসমৰ চচিয়েল মিডিয়াৰ পৰা আৰম্ভ কৰি সকলো ক্ষেত্ৰতেই এই বিষয়টোৰ ওপৰত চৰ্চা হয়। কিন্তু বানপানীৰ সময়ত যিখিন চৰ্চা হয় বা চৰকাৰী পক্ষৰ ফালৰ পৰা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা আৰম্ভ কৰি বিভাগীয় মন্ত্ৰী আৰু শাসক পক্ষই যিধৰণৰ কথাবোৰ কয় কিন্তু বানপানী যোৱাৰ পিছত ঠিক তেনেকুৱা ধৰণে কথাবোৰ পালন কৰা দেখা নাযায়। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক আকৌ অনুৰোধ জনাম যে আমাৰ এই বানপানী ক্ষতিকাৰক নহৈ যাতে উপকাৰ হয় তাৰ বাবে এটা দীৰ্ঘম্যাদী ব্যৱস্থা গ্ৰহণ কৰিব লাগে যাতে আমি উপকৃত হ'ব পাৰো। যোৱা কালি এই পবিত্ৰ সদনত এই বিষয়টোৰ ওপৰত মাননীয় মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰিছিলো যদিও পুনৰ এবাৰ মই ক'ব বিচাৰো যে ডাঙৰ ডাঙৰ নদী সমূহক লৈ বিভাগে ব্যস্ত হৈ থাকে তাত মোৰ আপত্তি নাই। মই মাননীয় মন্ত্ৰী আৰু বিভাগক অনুৰোধ কৰিম যে সৰু সৰু নদীবোৰেও মানুহৰ যথেষ্ঠ ক্ষতি কৰে। মোৰ সমষ্টিত পহুমৰা, পল্লা, কালদিয়া, টিহু, বুঢ়াদিয়া আৰু পাকাবেতবাৰী সমষ্টিত নতুনকৈ অন্তৰ্ভুক্ত হোৱা বেকী নদীৰ গৰাখহনীয়াৰ ফলত, মথাউৰি নথকাৰ ফলত মানুহ যথেষ্ট ক্ষতিৰ সন্মুখীন হৈছে। গতিকে, সৰু সৰু নদীৰ ক্ষেত্ৰতো বিভাগৰ জৰিয়তে অধ্যয়ন কৰি কি কৰিলে সমস্যাৰ সমাধান হয়, তাৰ বাবে যাতে ব্যৱস্থা লয় মই অনুৰোধ জনাইছো। মই শেষত আকৌ কৈছো যে 'জলসম্পদ' অৰ্থাৎ জলক কেনেকৈ সম্পদ কৰিব পাৰি তাৰ বাবে অসম চৰকাৰ তথা মন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰক, এই কথাখিনি কৈ মোৰ বক্তব্য সামৰিছো।

**সভানেত্ৰীঃ** ধন্যবাদ মাননীয় সদস্য। এতিয়া শ্ৰী পোনাকন বৰুৱা। আপোনাৰ সময় ৭ মিনিট।

**শ্ৰী পোনাকন বৰুৱা (চাবুৱা)ঃ** সভানেত্ৰী মহোদয়া, আজি যি কৰ্তন প্ৰস্তাৱ উত্থাপন কৰা হৈছে, তাৰ বিৰোধিতাৰে মই দু-আষাৰ ক'ব বিচাৰিছো। মোৰ উপৰোক্ত বক্তা সকলে এই সম্পৰ্কত যথেষ্টখিনি কৈছে। মই মোৰ দৃষ্টিভংগীৰে গোটেইখিনি কথা ক'ব বিচাৰিছো। যেতিয়া মই প্ৰথম সামাজিক কাম আৰম্ভ কৰিছিলো, ছাত্ৰৱস্থাত থাকোতে সদৌ অসম ছাত্ৰ সন্থাৰ লগতো জড়িত আছিলো, তেতিয়া মই চাবুৱা, ডিব্ৰুগড় জিলাৰ বিভিন্ন সামাজিক কাম-কাজত জড়িত আছিলো।

আমাৰ দাবী পত্ৰ, agenda ত সদায় থাকে - ৰহমৰীয়া বা চাবুৱা অঞ্চলত হৈ থকা গৰাখহনীয়া ৰোধ কৰিব লাগে, বানপানী নিয়ন্ত্ৰণ কৰিব লাগে। আমাৰ আন্দোলন সদায় অনুৰোধত পৰিণত হৈছিল। আগতে, ৰহমৰীয়াৰ আৰ্তনাদ, ৰহমৰীয়াৰ চকুলো নামেৰে সদায় বাতৰি কাকতৰ শিৰোনামা দখল কৰিছিল। খহনীয়াৰ পিছত খহনীয়া, বানপানীৰ পিছত বানপানী। তাৰ পৰা মানুহ পলাব লগীয়া পৰিৱেশৰ সৃষ্টি হৈছিল। অসম গণ পৰিষদৰ চৰকাৰ হওঁতেও বান নিয়ন্ত্ৰণ নহ'ল। তাৰ বিপৰীতে ৰহমৰীয়াৰ মানুহক চাবুৱাৰ বিভিন্ন ঠাইত সংস্থাপিত কৰিবলগীয়া হ'ল। ৰহমৰীয়াৰ লোকসকলক সংস্থাপিত কৰাৰ সমান্তৰালভাৱে তাৰ পৰৱৰ্তী সময়ত যেতিয়া তৰুণ গগৈ ডাঙৰীয়া অসমৰ মুখ্যমন্ত্ৰী হৈছিল, তেতিয়াও পুনৰ বান নিয়ন্ত্ৰণ কৰা, গৰাখহনীয়া ৰোধ কৰাৰ বাবে আন্দোলন কৰাৰ এটা পৰিস্থিতিৰ সৃষ্টি হৈছিল। উদাহৰণ সহ আজি তেৰছ গোৱালা ডাঙৰীয়া আছে। সেই সময়ত কংগ্ৰেছ চৰকাৰত বান নিয়ন্ত্ৰণ মন্ত্ৰী বোধহয় পৃথিৱী মাঝি ডাঙৰীয়া আছিল। তেতিয়া তেৰছ গোৱালা লাহোৱাল সমষ্টিৰ বিধায়ক আছিল। তেওঁ আন্দোলন কৰিবলৈ যাওঁতে দিখৌমুখত তেওঁক পুলিচে বৰ্বৰ ভাৱে মাৰিছিল। তাৰ বাবে তেওঁ আজিও ককালৰ বিষত ভুগি আছে। আমি তেনেকুৱা অৱস্থাৰ পৰা আহি আহি আজি এই অৱস্থাত উপনীত হৈছো। আজিৰ তাৰিখত আমি তথা চৰকাৰে গৌৰৱেৰে ক'ব পাৰো যে শদিয়াৰ পৰা ধুবুৰীলৈকে, বৰাক-ব্ৰহ্মপুত্ৰ সকলোতে বান নিয়ন্ত্ৰণ হৈছে, গৰাখহনীয়া ৰোধ কৰাৰ ক্ষেত্ৰত চৰকাৰ ১০০% নহ'লেও অন্ততঃ ৮০% সফল হৈছে। আজি যদি মই চাবুৱা, লাহোৱাল সমষ্টি, ৰহমৰীয়াৰ কথা কওঁ তেন্তে ৰহমৰীয়া এতিয়া সম্পূৰ্ণভাৱে বানমুক্ত। দিয়াং, চিয়াং, দিবাং, ব্ৰহ্মপুত্ৰ, ডিব্ৰু নদী উপনৈ আহি ঠেকা মাৰে কিন্তু আমাৰ তাত geo bag ৰ কাম বা অন্য ধৰণৰ প্ৰতিৰোধ ব্যৱস্থা কৰাৰ বাবে ৰহমৰীয়া এতিয়া নিয়ন্ত্ৰণত আছে। আগতে, পুনৰ সংস্থাপনৰ বাবে ৰহমৰীয়াৰ পৰা মানুহক বেলেগ ঠাইলৈ পঠাবলগীয়া হৈছিল কিন্তু এতিয়া ৰহমৰীয়ালৈ মানুহৰ প্ৰত্যাৱৰ্তন হৈছে। এনে পৰিৱৰ্তন হৈছে। যেতিয়া সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া মুখ্যমন্ত্ৰী হ'ল, হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া যেতিয়া মুখ্যমন্ত্ৰী হ'ল, কেশৱ মহন্ত ডাঙৰীয়া আৰু পীযুষ হাজৰিকা ডাঙৰীয়া ক্ৰমান্বয়ে জলসম্পদ মন্ত্ৰী হোৱাৰ পিছত এওঁলোকৰ নেতৃত্বত শদিয়াৰ পৰা ধুবুৰীলৈকে সাংঘাতিক ধৰণে পৰিৱৰ্তন হৈছে। জলসম্পদ বিভাগৰ প্ৰশ্নোত্তৰত মই এটা প্ৰশ্ন আনিছিলো কিন্তু সময়ৰ অভাৱত উত্থাপন কৰিব পৰা নহ'ল। তাত উল্লেখ কৰিছিলো যে ডিব্ৰুগড়ৰ পৰা শদিয়ালৈকে ব্ৰহ্মপুত্ৰৰ কিমান অংশ অসুৰক্ষিত অৱস্থাত আছে? ইয়াৰ লিখিত উত্তৰ মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা পাইছো। তাৰ ৩৭ কিঃমিঃ অংশ যি উন্মুক্ত হৈ আছে তাৰ গোটেই কামখিনি কৰিবলৈ ADBৰ জৰিয়তে ডাঙৰ আঁচনি গ্ৰহণ কৰিছে। দিনজান সামৰিক চাউনী আমাৰ গৌৰৱ। তেওঁলোকে আমাক বহিঃৰাষ্ট্ৰৰ আক্ৰমণৰ পৰা ৰক্ষা কৰি আছে, আমাক সুৰক্ষা দি আছে। সেই দিনজান সামৰিক চাউনী ব্ৰহ্মপুত্ৰই খহাই তেওঁলোকৰ এটা অংশ ডুবাই পেলাইছে। কিন্তু, এতিয়া তাক কেন্দ্ৰীয় চৰকাৰৰ সহযোগত নিয়ন্ত্ৰণ কৰা হৈছে। তাক সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰাৰ বাবে এতিয়াও কাম চলি আছে। চাবুৱা বা লাহোৱাল বিধান সভা সমষ্টিৰ বহু ৰাজহ গাওঁ এসময়ত ব্ৰহ্মপুত্ৰৰ খহনীয়াত জাহ গ'ল। ৰহমৰীয়াৰ প্ৰায় ১৮-২০ খন ৰাজহ গাওঁ ব্ৰহ্মপুত্ৰত জাহ গ'ল। চাবুৱা সমষ্টিৰ ৰংমলা চাহ বাগিচা, চাটকাটা চাহ বাগিচা, নুদ্ব চাহ-বাগিচাৰ দৰে ডাঙৰ ডাঙৰ চাহ-বাগিচা সম্পূৰ্ণৰূপে পানীত জাহ গ'ল। ব্ৰহ্মপুত্ৰ উজাই আহি ১০ কিঃমিঃ ভিতৰ পাইছিল। আমি অসহায় ভাৱে চাই আছিলো যে ই এটা প্ৰাকৃতিক দুৰ্যোগ, ইয়াক আৰু নিয়ন্ত্ৰণ কৰা নাযাব। কংগ্ৰেছ চৰকাৰৰ সময়ত মুখ্যমন্ত্ৰী আৰু প্ৰধান মন্ত্ৰীও ৰহমৰীয়ালৈ আহিছিল কিন্তু বান নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে। কংগ্ৰেছ দলৰ মাননীয় সদস্য এগৰাকীয়ে আক্ষেপ কৰিছে যে

তেওঁলোকেও কিবা কৰিছিল কিন্তু আমি কেতিয়াও নেদেখিলো। মাননীয় সদস্যসকলেও কয় যে গোটেই কথাবোৰ ৬০ঃ৪০ ত গুছি গ'ল। কাগজে-কলমে হ'ল কিন্তু আমি কেতিয়াও এইবোৰ কথা নেদেখিলো। কেশৱ মহন্ত ডাঙৰীয়া যেতিয়া জল সম্পদ বিভাগৰ মন্ত্ৰী আছিল তেতিয়া তেখেতৰ সৈতে আমি বিভিন্ন ঠাই ঘূৰিবলৈ সুবিধা পাইছিলো। ৰাজ্যখনৰ য'ত য'ত গৰা-খহনীয়া হৈছিল তাত মন্ত্ৰী ডাঙৰীয়াই পৰিভ্ৰমণ কৰিছিল। মাননীয় পীযুষ হাজৰিকা ডাঙৰীয়াও যেতিয়া জলসম্পদ বিভাগৰ মন্ত্ৰী হ'ল তেওঁ যোৱা তিনিটা বছৰত চাবুৱা, লাহোৱাল সমষ্টিলৈকে ৪-৫ বাৰকৈ গৈছে। যেতিয়া খহনীয়া হয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ো দৌৰি যায় আৰু লগে লগে ব্যৱস্থা লয়। মোৰ চাবুৱা বিধান সভা সমষ্টিৰ ৰংমলা চাহ-বাগিচা ফেক্টৰীটো একেবাৰে যাওঁ যাওঁ অৱস্থাত আছে। ই একেবাৰে নদীলৈকে গুছি গ'ল। আমি ৰাতিৰ ভিতৰত মাননীয় মন্ত্ৰীক ফোন যোগে এই বিষয়ে জনোৱাত ৰাতিপুৱাৰ পৰা তাত খহনীয়া ৰোধৰ কাম আৰম্ভ কৰা দেখিবলৈ পাওঁ। চলিত বৰ্ষত বিভিন্ন ঠাইত খহনীয়া হৈছে আৰু মাননীয় মন্ত্ৰীক এই বিষয়ে জনোৱাৰ লগে লগে তেওঁ ইয়াৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিছে। গুইজান অঞ্চলত কেইদিনমান আগতে খহনীয়া হোৱাত মই অভিযন্তাক খবৰ কৰোতে তেওঁ কয় যে তেওঁলোকলৈ ইতিমধ্যে নিৰ্দেশ আহিছে আৰু অভিযন্তা ইতিমধ্যে সেই ঠাইত গৈছে। আজিৰ তাৰিখত জল সম্পদ বিভাগৰ অভিযন্তা সকল একেবাৰে spot তে থাকে। ফোন কৰিলে আমি লগে লগে spotতে পাওঁ। কিন্তু, আগতে সেইটো হৈ উঠা নাছিল। এই বিভাগটো এটা সময়ত বান নিয়ন্ত্ৰণ বিভাগ বুলি আছিল, কিন্তু বান নিয়ন্ত্ৰণ হোৱা নাছিল। সাম্প্ৰতিক সময়ত সেই বিভাগটো জলসম্পদ বিভাগ হিচাপে হৈ উঠে। সিকদাৰ ডাঙৰীয়াই  কৈছে জলক আমি সম্পদ হিচাপে ৰূপান্তৰ কৰিব লাগিব। এতিয়ালৈকে ই আপদ হৈ আছে, সম্পদলৈ ৰূপান্তৰ হোৱা নাই। এই বিভাগটোক সম্পদলৈ ৰূপান্তৰ কৰিবলৈ মই মাননীয় মন্ত্ৰী তথা অসম চৰকাৰক অনুৰোধ জনাব বিচাৰিছো। আমি ইয়াক সম্পদলৈ  কেনেকৈ ৰূপান্তৰ কৰিম ? ইয়াৰ পৰা বিদ্যুৎ উৎপাদন কৰিবলৈ আমি  কি ধৰণে ব্যৱস্থা গ্ৰহণ কৰিম ? ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰাৰ লগে লগে ইয়াক সম্পদলৈ যাতে আমি ৰূপান্তৰ কৰিব পাৰো তাৰ বাবে স্থায়ী  ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। একে সময়তে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে অৰুণাচলত power project ৰ বাবে ডাঙৰ ডাঙৰ Dam চলি আছে। দিবাং নদীত বৰ ডাঙৰ প্ৰজেক্ট এটা হ'বলৈ গৈ আছে। তাৰ পৰা ভৱিষ্যতৰ দিনত নামনিত যি ক্ষয়-ক্ষতি হ'ব পাৰে, তাৰ প্ৰতিৰোধৰ বাবে চৰকাৰে চিন্তা আৰু ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। এইখিনিয়ে মূল কথা। মই ভাৱো আমাৰ চৰকাৰ তথা মাননীয় মন্ত্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াৰ নেতৃত্বত বান-খহনীয়া ৰোধৰ বাবে যি ব্যৱস্থা গ্ৰহণ কৰা হৈছে, সেইয়া ফলপ্ৰসূ হৈছে, কাৰ্য্যকৰী হৈছে। আহি থকা দিনত  অসমখন সঁচাকৈয়ে বানপানী আৰু গৰাখহনীয়া মুক্ত হ'ব। ইয়াৰ বাবে আমি সকলোৰে সহযোগিতা  কামনা কৰিছো। মই কৰ্তন প্ৰস্তাৱৰ  বিৰোধিতা কৰি তাৰ বিপৰীতে  ইয়াত অধিক ধন ধাৰ্য্য কৰিবলৈ আহ্বান জনাইছো। ধন্যবাদ।

**মাননীয় সভানেত্ৰীঃ** ধন্যবাদ মাননীয় সদস্য। এতিয়া শ্ৰী বিশ্বজিৎ ফুকন। আপোনাক দলে ৭ মিনিট সময় দিছে।

**শ্ৰী বিশ্বজিৎ ফুকন (সৰুপথাৰ)ঃ** মাননীয় সভানেত্ৰী মহোদয়া, আজি আচলতে জল সম্পদ বিভাগৰ বিষয়ে আলোচনা কৰিবৰ সময়ত এটা কথা অনুভৱ কৰিছো যে এই তিনিটা বছৰত জল সম্পদ বিভাগটো আস্থা আৰু বিশ্বাসৰ এটা  বিভাগলৈ পৰিৱৰ্তন হৈছে। ইয়াৰ বাবে মাননীয় মুখ্যমন্ত্ৰী

ডাঙৰীয়া আৰু জল সম্পদ মন্ত্ৰী ডাঙৰীয়াক অভিনন্দন জনাইছো। আজি কেইবছৰ মান আগৰ কথা এটা মোৰ মনলৈ আহিছে। নদীৰ গৰাখহনীয়া ৰোধ কৰিবৰ কাৰণে সেই সময়ত কোনো বাস্তৱ সন্মত আঁচনি গ্ৰহণ কৰা হোৱা নাছিল বৰঞ্চ ৰাইজ নিৰাশ হৈ পৰিছিল আৰু মাজুলীৰ সত্ৰাধিকাৰে ব্ৰহ্মপুত্ৰ নদীৰ পাৰত গৈ নদীৰ খহনীয়া ৰোধৰ আশাৰে ভগৱানৰ ওচৰত পূজা দিছিল, প্ৰাৰ্থনা কৰিছিল আৰু বিভিন্ন ঠাইত এনেধৰণৰ ঘটনা ঘটিছিল য'ত অদৃশ্যজনৰ ওচৰত প্ৰাৰ্থনা কৰি এই বিপদৰ পৰা নিজক বচাবৰ কাৰণে মানুহে আশা কৰিছিল। গতিকে, এই সময়ছোৱা হ'ল বিভাগটোৰ পৰিৱৰ্তনৰ সময়। আস্থা আৰু বিশ্বাস স্থাপন হোৱাৰ সময়। সেই সময়ত দেখিছিলো চৰকাৰৰ মুৰব্বীয়ে হেলিকপ্টাৰত গৈ বান পৰিস্থিতি পৰ্য্যবেক্ষণ কৰা। এইবাৰ যেতিয়া বান হৈছিল, মথাউৰি ছিঙাৰ ১২ ঘণ্টাৰ ভিতৰত জল সম্পদ মন্ত্ৰী ডাঙৰীয়া বোকাখাটলৈ, বংকুৱাললৈ গৈছে, য'ত বিপদসংকুল পথেৰে SDRF ৰ নাঁৱেৰে দুৰ্গতজনৰ ওচৰলৈ গৈ তেওঁলোকৰ মনৰ বেদনাৰ বুজ লৈছিল। এদিনৰ ভিতৰত জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়া বোকাখাট গৈ তাত SDRF ৰ নাৱেৰে বানপীড়িত দূৰ্গত অঞ্চললৈ গৈ তেওঁলোকৰ মনৰ বেদনাৰ বুজ লৈছে। এদিনৰ ভিতৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, সেই অঞ্চললৈ গৈছে আৰু সেই অঞ্চলৰ ৰাইজৰ লগত মুখামুখি হৈছে আৰু সকলো ধৰণৰ যাৱতীয় ব্যৱস্থা লৈ বান পীড়িত লোকক সকলো প্ৰকাৰৰ সহায় সহযোগিতা আগবঢ়াবৰ বাবে নিৰ্দেশ দিছে আৰু এখন গতিশীল চৰকাৰৰ ভূমিকা পালন কৰি ৰাইজৰ লগত যি নজিৰ ৰাখিলে, মই ভাৱো এই কথা অসমৰ ইতিহাসত সদায় সোণালী আখৰেৰে লিখা থাকিব।

এই সময়ছোৱাত মই যদি নিজৰ সমষ্টিৰ কথা কওঁ, সৰুপথাৰ সমষ্টিত সৌভাগ্য বশতঃ সঘনাই বানপানী নহয়, কিন্তু তথাপিও দৈয়াং নদীৰ ওপৰত নাগালেণ্ডত থকা বান্ধৰ বাবে যিকোনো মুহুৰ্তত হ'ব পৰা বানপানীৰ বাবে আমি সাজু হৈ থাকিব লাগে। দৈয়াং, ধনশীৰি আৰু ৰেংমা এই তিনিখন নদীৰ খহনীয়াই সৰুপথাৰক বিপদত পেলাই আহিছে। বিগত তিনিটা বছৰত লেটিকো চাপৰি, মিঠাৰাম চাপৰি, বছাপথাৰ, আমগুৰি, দিঘলভাঙ্গা,কুৰুৱী গাওঁ, ঘাটিঘুলি ইত্যাদি ঠাইত জলসম্পদ বিভাগৰ দ্বাৰা আঁচনি আমি লাভ কৰিছো। কৰবাত কৰবাত কাম আৰম্ভ হৈছে, কৰবাত কৰবাত কাম আৰম্ভ হোৱাৰ প্ৰক্ৰিয়া, tendering process আৰম্ভ হৈছে। তাৎক্ষণিক ভাৱে এইবাৰ গৰাখহনীয়া ৰোধ কৰিবৰ বাবে জলসম্পদ মন্ত্ৰী ডাঙৰীয়াই ১০০০ porcupine আমাৰ তালৈ পঠাইছিল যাৰ ফলস্বৰূপে মইনাপাৰা, ঘাটিঘুলি, শিঙিমাৰী, পদুমণিৰ দৰে ঠাইত তাৎক্ষণিক ব্যৱস্থা লৈ সেইবোৰ অঞ্চলৰ গৰাখহনীয়া ৰোধ কৰাত সফল হৈছো। মই মন্ত্ৰী মহোদয়ক সৰুপথাৰৰ বাবে বিশেষভাৱে আৰু ২০০০ porcupine দিয়াৰ বাবে অনুৰোধ কৰিছো, মই আশা কৰিছো এইখিনি porcupine পোৱাৰ পিছত আমাৰ গৰাখহনীয়াৰ যিটো মূল সমস্যা, সেই সমস্যাটো বহু পৰিমানে ৰক্ষা কৰিব পাৰিম।

আমাৰ এগৰাকী বিৰোধী সদস্যই কৈছে যে কংগ্ৰেছ চৰকাৰৰ দিনত জলসম্পদ বিভাগে বহি থকা নাছিল, তেওঁলোকে কাম কৰিছিল। হয়, তেওঁলোকেও কাম কৰিছিল, কিন্তু ৭০ বছৰত তেওঁলোকে যিমান কাম কৰিছিল, যোৱা ৩ টা বছৰত ভাৰতীয় জনতা পাৰ্টিৰ নেতৃত্বত, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এই চৰকাৰখনে জলসম্পদ বিভাগত ৭০ বছৰৰ কামতকৈ বেছি কাম কৰিছে। গতিকে কাম কৰিছে বুলি কোৱাৰ সময়ত কিমান কাম কৰিছে সেই কথা চাব লাগিব। জলসম্পদ বিভাগত প্ৰকৃততে সম্পদ বিভাগলৈ ৰূপান্তৰিত কৰিব লাগে এই কথা সকলোৱে একমত। কিন্তু তেঁওলোকৰ শাসনৰ দিনত এই বিভাগটো তেখেতসকলৰ মন্ত্ৰী,

বিষয়া, আমোলাৰ বাবে সম্পদ আছিল, ৰাইজৰ বাবে কেতিয়াও সম্পদ নাছিল। আজি মুকলিকৈ সেইসময়ছোৱাত ৬০/৪০ ৰ কথা বিধায়কসকলে কৈছো, কিন্তু মই এতিয়ালৈ শুনা নাই কোনোবাই এজন বিৰোধী দলৰ সদস্য বা কংগ্ৰেছ দলৰ সদস্যই আপত্তি কৰিছে যে আমাৰ দিনত ৬০/৪০ হোৱা নাই। ইয়াতকৈ আৰু কিবা নজিৰ বিধান সভাত থাকিব লাগে নেকি। বাৰে বাৰে যেতিয়া কোৱা হৈছিল ৬০/৪০ কৰা হৈছিল, সেই কথাযাৰ প্ৰতিবাদ কৰাৰ নৈতিক সাহস নথকাৰ অৱস্থাত আমি কেনেকৈ বিগত সময়ছোৱাত বহুত কাম হৈছে বুলি ক'ব পাৰিম, এই কথাটো আমি চিন্তা কৰিব লগীয়া কথা। জলসম্পদ বিভাগৰ মন্ত্ৰীক বিৰোধীৰ বহু সদস্যই প্ৰশংসা কৰিছে, শুনিছো মই যে এই বিভাগত বহুত কাম হৈছে। এই প্ৰশংসা এই কাৰণে কৰিছে যে চৰকাৰখনে নিৰপেক্ষ ভাৱে কাম কৰিছে। চৰকাৰখনে কোন সমষ্টিত কোন দলৰ বিধায়ক আছে, এই কথা চিন্তা নকৰাকৈ, সমষ্টিটোত থকা জনসাধাৰণৰ মঙ্গলৰ বাবে সেই সমষ্টিটো বান নিয়ন্ত্ৰণ, গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ ব্যৱস্থা কৰিছে। এই কথা ঠিক যে পৃথিৱীৰ কোনো শক্তিয়ে বানপানীয়ে সম্পূৰ্ণৰূপে ৰোধ কৰিব নোৱাৰে। কিছু পৰিমানে আমি প্ৰকৃতিৰ লগত সহঅৱস্থান কৰিব লাগিব। আজি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্দ্যানত যদি বানপানী নহয়, তেতিয়াহ'লে তাত থকা জীৱ জন্তুৰ কাৰণে বিপদ হ'ব। ক'ৰবাত ক'ৰবাত বানপানী আমাৰ কাৰণে আৰ্শীবাদো হয়। কিন্তু এই বিভাগটোৱে ইমান সুন্দৰকৈ কাম কৰি গৈছে যে বানপানী হোৱাত তাৎক্ষণিক ভাৱে ৰাইজক সহায় কৰিছে, ১০ দিন, ১৫ দিনৰ ভিতৰত মথাউৰি নিৰ্মাণ কৰিছে। এই বিভাগটো প্ৰকৃতাৰ্থত যে এটা সম্পদৰ বিভাগলৈ ৰূপান্তৰিত হৈছে, সেই কথা প্ৰমান হৈছে। মই এইখিনিকে কৈ আজি যি কৰ্তন প্ৰস্তাৱ আনিছে, এই কৰ্তন প্ৰস্তাৱৰ তীব্ৰ বিৰোধিতা কৰি জলসম্পদ বিভাগক মই ভূয়সী প্ৰশংসা কৰি মোৰ বক্তব্য সামৰণি মাৰিছো।

**শ্ৰীশিৰামনি বৰা, সভানেত্ৰী** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী মিছবাহুল ইছলাম লস্কৰ।

**শ্ৰী মিসবাহুল ইসলাম লস্কর (বড়খলা সমষ্টি)ঃ**- ধন্যবাদ মহোদয়া, আমাকে জলসম্পদ বিভাগের বিষয়ে দুটি কথা বলার সুযোগ দেওয়ার জন্য। অসমের দুটো নদীতে বন্যায় ভয়াবহ রূপ দেখা দেয়। ব্রহ্মপুত্র এবং বরাক নদী। বরাক নদী বরাক উপত্যকার একমাত্র নদী, যেখানে এই নদীর ফলে বরাক উপত্যকার প্রায় বেশির ভাগ কৃষি ক্ষেত্র জলের নীচে চলে যায়। আমার সমষ্টি বড়খলা এমন একটি জায়গায় অবস্থিত যেখানে অনেক নদী এসে বরাক নদীর সঙ্গে মিলেছে। জাটিঙ্গা নদী ডিমাহাসাও থেকে এসে বরাক নদীতে মিলেছে। এবং ডিমাহাসাও দুই দিন বৃষ্টি হলে প্রায় ৮ থেকে ১০ ফুট উঁচু জলস্রোত আসে এবং সেটা যেদিকে যাবে সেদিকের ঘর-বাড়ি, রাস্তা-ঘাট সব নষ্ট করে দিয়ে যায়। এবং সেই সঙ্গে আরেকটি নদী আছে আমার সমষ্টি বড়খলাতে সেটা হচ্ছে ঘাগরা নদী। এই নদী দিয়ে সমস্ত শিলচর শহরের জল এবং এই অঞ্চলেরও জল আসে। সেই জল এসে বরাক নদীতে মিলে। যে জায়গা বিগত বন্যায় ভেঙে চুড়ে শেষ করে দিয়েছে। এবং সেটা যদি ভালো ভাবে মেরামত করা না হয় তাহলে ভবিষ্যতে বৃহৎ একটি অঞ্চল জলের নীচে চলে যাবে। সেই সঙে আরেকটি জিপি আছে যে জিপির অর্ধেক বরাক নদীর নীচে চলে গেছে। জলসম্পদ বিভাগের ইঞ্জিনিয়ার একটি স্কিম পাঠিয়েছেন সাত কোটি টাকার। অতি সত্বর যদি সেটা ইমপ্লিমেন্ট না হয় তাহলে আগামী বন্যায় এই অঞ্চলটিও বরাক নদীতে তলিয়ে যাবে। ঠিক সেইভাবে জাটিঙ্গা নদী যে জায়গায় বরাকের সঙে এসে মিলেছে বিগত দুবার বন্যায় সেখানে প্রায় ১০ থেকে ১৫ টি মানুষের ঘর-বাড়ি জলের নীচে চলে গেছে এই অঞ্চলেও প্রটেকশনের খুব দরকার। নাহলে এই অঞ্চলটিও বরাক নদীতে চলে যাবে, সেইজন্য আমাদের এই অঞ্চলগুলো প্রটেকশন করা খুবই

জরুরি। বড়খলা অঞ্চলে যে জল আসে সেই জল কাটিগড়া হয়ে বাংলাদেশে বেরিয়ে যায়। সেখানকার জল নিষ্কাশনের ব্যবস্থা ঠিকভাবে করা হয় না। তাছাড়া আমার সমষ্টিতে প্রায় ৫০০ টি সুইস গেট আছে প্রত্যেকটি গেট নষ্ট হয়ে গেছে এগুলো অনেক পুরনো কংগ্রেসের আমলের সৃষ্টি। কিন্তু আজ পর্যন্ত কোন মেরামত হয় নাই। সেই গেটগুলো মেরামত করার খুব দরকার। এজন্য মন্ত্রী মহোদয় যদিও এখন সদনে নেই কিন্তু ওনাকে আমার বিশেষ অনুরোধ, আপনি যেহেতু প্রায় সময় কাছাড় জেলায় যান আপনি নিশ্চয় নিজে গিয়ে সেইগুলো পরিদর্শন করে তার ব্যবস্থা করে দেবেন। তা নাহলে আমার অঞ্চলের কৃষকরা ভবিষ্যতে আর ক্ষেতি করতে পারবেনা। এখন যদি আবার বন্যা হয় তাহলে আমাদের অঞ্চলের কৃষকরা একদম পথে বসে যাবে। সব ক্ষেতি- মাটি নষ্ট হয়ে যাবে। এই কথা বলে আমি পুনরায় আমার সভানেতৃকে ধন্যবাদ জানিয়ে আমার বক্তব্য শেষ করছি।

**শ্ৰীমতী শিৰামনি বৰা, (সভানেত্ৰী)** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীগোবিন্দ চন্দ্ৰ বসুমতাৰী। আপোনাক দলে ৭ মিনিট সময় দিছে।

**শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী, (ওডালগুৰি)** ঃ মাননীয় সভানেত্ৰী মহোদয়া, আজি বিৰোধী দলে অনা কৰ্তন প্ৰস্তাৱৰ বিৰুদ্ধে দুআষাৰমান ক'ব বিচাৰিছো। উপৰোক্ত বক্তাসকলে কৈছে যে জলসম্পদ বিভাগটোৱে সঁচাকৈ আমাৰ অসমৰ যিখিনি জল আছে তাক নিয়ন্ত্ৰণ কৰাৰ কাৰণে কাম কৰি আছে। প্ৰতি বছৰে অসমত বানপানীয়ে যথেষ্টখিনি ক্ষতি কৰে। যিহেতু BTR অঞ্চল অসমৰে এটা অঞ্চল উত্তৰ অঞ্চলত আছে বানপানীৰ পৰা আমাৰ এই অঞ্চল হাতসাৰি যোৱা নাই। কিন্তু এটা পাৰ্থক্য আমি দেখা পাওঁ যে অসমৰ অন্যান্য অঞ্চলৰ যিটো বানপানী, আমাৰ BTR অঞ্চলৰ বানপানীৰ লগত পাৰ্থক্য আছে। অসমৰ অন্যান্য ঠাইত বানপানী হ'লে প্ৰায় এসপ্তাহ এমাহ পৰ্য্যন্ত মানুহখিনিয়ে ঘৰ-বাৰী পানীত ডুবি থাকিব লগীয়া হয় ।আমাৰ অঞ্চল যিহেতু বাম অঞ্চল, বানপানী হ'লেও এঘণ্টা দুঘণ্টাৰ কাৰণে মাত্ৰ পানীত ডুব গৈ থাকিবলগীয়া হয় তাৰপাছত শুকাই যায়। কিন্তু আমাৰ আটাইতকৈ ক্ষতি কৰে নদ-নদীবিলাক যিহেতু খৰশ্ৰোতা সেই কাৰণে প্ৰতি বছৰে গতি সলোৱাৰ ফলত খহনীয়া হয়, ঘৰবাৰী খেতিবাতি খহাই নিয়ে আৰু নষ্ট হয় তাৰপৰা আমাৰ যথেষ্ট ক্ষতি হয়। আমাৰ BTR অঞ্চলত মুঠ সোনকোষ নদীৰ পৰা প্ৰায় ২২ খনমান সৰু ডাঙৰ নদী আছে। প্ৰত্যেকখন নদীয়ে প্ৰতি বছৰে ক্ষতি কৰে। আমি ভাগ্যবান বুলি মানিব লাগিব যে, এইবছৰ অন্ততঃ আমাৰ BTR অঞ্চলত বানপানীৰ পৰা ক্ষতি যথেষ্ট কম হৈছে। ২০২২ চনত আটাইতকৈ বেছি ক্ষতি হৈছিল। এইবাৰ অলপ কম হৈছে সৰুসুৰা বানপানী হৈছে কিন্তু আমি যথেষ্ট ৰেহাই পাইছো। বিশেষকৈ মাননীয় মন্ত্ৰী ডাঙৰীয়াই BTR অঞ্চলত তেখেতৰ সময়খিনিত তিনিটা বছৰ ২ শ কোটিত কৈয়ো অধিক ব্যয় বহন কৰি আমাৰ আইনদীত মথাউৰি নিৰ্মাণ কৰি আছে। পাগলাদিয়া নদীত ৪ কিলোমিটাৰ left and right bank ৰ নিৰ্মাণ ইতিমধ্যে শেষ হৈছে আৰু ৪ কিলোমিটাৰ বনাবৰ কাৰণে কাম চেংশ্যন হোৱা বুলি আমি গম পাইছো লগতে যোৱা ২০২২ চনত ক্ষতি হোৱা মোৰ সমষ্টিৰ গলান্ধিয়া নদীৰ প্ৰায় ৪ কিলোমিটাৰ মথাউৰি নিৰ্মাণ ইতিমধ্যে শেষ হৈছে আৰু গলন্ধিয়া নদীৰ left bank ৰ ৪ কিলোমিটাৰ মথাউৰি বনোৱাৰ উপৰিও তাৰ ওপৰেদি ৰাস্তা বনাইছে। লগতে আমাৰ এই বছৰৰ ননাই নদীত বিশেষকৈ গড়াখহনীয়া অঞ্চলত নতুনকৈ নিৰ্মাণ কৰা Tea garden Model School আছে, সেইখন খহনীয়াই নিয়াৰ এটা উপক্ৰম হৈছে। ইতিমধ্যে তেখেতে ব্যৱস্থা লৈছে আৰু এই গোটেইখিনি ব্যৱস্থা লোৱাৰ কাৰণে তেখেতক মই ধন্যবাদ দিছো। আমাৰ এতিয়াও যথেষ্ট কৰিবলগীয়া কাম আছে। কাৰণ ২২ খন নদীৰ প্ৰতিখন

নদীয়ে প্ৰতিবছৰেই খহনীয়া আৰম্ভ হয়। আমাৰ কৰিবলগীয়া কামৰ ভিতৰত বিশেষকৈ বেকী নদীৰ left bank বৰপেটাৰোড ৰ পৰা আৰম্ভ কৰি মানসলৈ যোৱা যিটো ৰাস্তা সেইটো খহনীয়া হৈ আছে সেইটো ৰোধ কৰিবৰ কাৰণে যাতে ব্যৱস্থা লয় মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো কাৰণ সেইখিনি ৰাস্তা আজি ৩- ৪ বছৰ আগতে খহাইছিল। এতিয়া নিৰ্মাণ কৰিছে কিন্তু সম্পূৰ্ণ হোৱা নাই। ৰাস্তা বনালে সেইখিনি যদি protection ৰ ব্যৱস্থা নকৰে, তেতিয়া বনোৱাৰ একো অৰ্থ নাথাকিব। মানস অভয়াৰণ্যত পৰ্য্যটক অহাৰ কাৰণে অসুবিধা হ'ব সেইকাৰণে এই কথাখিনি যাতে মন কৰে মোৰ অনুৰোধ থাকিল। তাৰোপৰি আমাৰ আইনদীত যেনেকৈ মথাউৰি বনাব লাগিছিল, যেনেকৈ left bank আৰু right bank দুই ফালে ১০ কিলোমিটাৰমান মথাউৰি যদি বনাই তেতিয়াহে আমাৰ গাওঁ অঞ্চল বাচি থাকিব আৰু সেইখিনিৰ যদি ব্যৱস্থা কৰা নাই তেতিয়াহ'লে আমাৰ দুয়োপাৰে থকা গাৱৰ যথেষ্ট ক্ষতি হ'ব। তাৰোপৰি সোনকোষ নদীৰ যিটো left bank, যিখিনি Assam part, সেইখিনি ভূটান বোৰ্ডাৰ অঞ্চলৰ পৰা আৰম্ভ কৰি West Bengle ৰ connected bridge তালৈকে left bank ৰ মথাউৰি বনাব নোৱাৰিলেও অন্ততঃ protection ৰ যদি ব্যৱস্থা কৰা নাযায়, তেতিয়াহ'লে আমাৰ গাৱৰ যথেষ্ট ক্ষতি হৈ আছে বিভাগীয় মন্ত্ৰীয়ে যাতে এই ব্যৱস্থাখিনি লয়। ইয়াৰ উপৰিও আমাৰ তামুলপুৰ অঞ্চলৰ মতঙ্গা নদীয়ে যথেষ্ট ক্ষতি কৰি আছে। শুক্লাই নদীৰ UT Road ৰ downstream খিনি যথেষ্ট ক্ষতি হৈ আছে, সেইখিনিৰ protection ৰ ব্যৱস্থা কৰিব লাগে দৰকাৰ হ'লে ১০ কিলোমিটাৰমান দৈৰ্ঘ্যৰ দুয়ো ফালে মাথাউৰি বনাব লাগিছিল। মথাউৰি যদি নোৱাৰে আমি percupine বা অন্যান্য ব্যৱস্থাৰে সেইখিনি গাওঁ কেনেকৈ বচাব পাৰি, সেইখিনি ব্যৱস্থাৰ কাৰণে চিন্তা কৰি কাম কৰে তাৰ কাৰণে মই অনুৰোধ কৰিছো। ননাই নদীৰ UT Road bridge ৰ পৰা তলৰ প্ৰায় ১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ dwelt bank ৰ left and right bank ৰ protection ৰ ব্যৱস্থা কৰিব লাগে। কাৰণ যোৱা সময়খিনিত প্ৰায় চিপাঝাৰ সমষ্টিলৈকে এই নদী খনে গাৱঁৰ যথেষ্ট ক্ষতি কৰে নদীৰ দুয়োপাৰে যাতে মথাউৰি নাইবা অন্যান্য ব্যৱস্থাৰে গাওঁসমূহ সুৰক্ষিত কৰিব পাৰে তাৰ কাৰণে মোৰ অনুৰোধ থাকিল। যিহেতু জলসম্পদ যথেষ্ট ব্যয়বহুল আৰু ইয়াৰ কামবিলাক সামান্য টকাৰে কৰিব পৰা নাযায়, তাৰ কাৰণে জলসম্পদত যথেষ্ট টকা-পইচাৰ দৰকাৰ, যথেষ্ট বাজেটৰ দৰকাৰ আৰু এইখিনি বিগত সময়খিনিত বিশেষকৈ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত যি চৰকাৰ চলি আছে, এই চৰকাৰে যথেষ্ট খৰচ কৰিছে আৰু আমাৰ ইয়াক যথেষ্ট পুঁজিৰ প্ৰয়োজন আছে। সেই কাৰণে আমাৰ যিহেতু পুঁজিৰ বেছি প্ৰয়োজন বহুত কৰিবলগীয়া কাম আছে গোটেই অসমৰ নদীসমূহ নিয়ন্ত্ৰণ কৰিব পাৰিলে তেতিয়া আমি অন্ততঃ বানপানীৰ পৰা সুৰক্ষিত হ'ম আৰু ক্ষয়ক্ষতিৰ পৰা আমি সুৰক্ষিত হ'ম। সেই কাৰণে আজি বিৰোধী দলে যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰিছো আৰু আমাক যথেষ্ট পুঁজি লাগে। সেইকাৰণে অতিৰিক্ত মঞ্জুৰী বিচৰা আমাৰ মন্ত্ৰী মহোদয়ে যিটো অতিৰিক্ত মঞ্জুৰী বিচাৰিছে তাত মই সমৰ্থন কৰিছো। আৰু বিৰোধীয়ে যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰ বিৰুদ্ধে মই মোৰ প্ৰস্তাৱ ৰাখি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**(সদনত উপবিস্ত মাননীয় সভাপতি ড° ৰফিকুল ইছলাম)**

**ড° ৰফিকুল ইছলাম, (সভাপতি)** ঃ শ্ৰী চৰণ বড়ো। আপোনাৰ সময় ৬ মিনিট।

**শ্ৰী চৰণ বড়ো, (মাজবাট)** ঃ মাননীয় সভাপতি মহোদয়, বিৰোধীয়ে অনা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই দুআষাৰ কবলৈ লৈছো। মই বিশেষকৈ মোৰ সমষ্টিৰ সমস্যাৰ বিষয়ে ক'ম আৰু মই ভাৱো আমাৰ জিলাখনৰ প্ৰায় একেই সমস্যা আৰু ক'বলৈ গ'লে গোটেই BTAD ৰ সমস্যা

একেই। আমাৰ সমস্যা হ'ল প্ৰধানকৈ গড়াখহনীয়া। গড়াখহনীয়াৰ ক্ষেত্ৰত মই ভাৱো আমাৰ যি flash flood হয়, ইয়াতকৈয়ো ইয়াৰ ক্ষতিটো বহুত বেছি. কিয়নো ৰাতিৰ ভিতৰতে মানুহে গৃহহীন হ'বলগীয়া হয়, ভূমিহীন হ'বলগীয়া হয়। ঠিক তেনেকৈ বছৰি এনেকৈ হৈ আজিৰ দিনত বহুতো মানুহ গৃহহীন হ'বলগীয়া হ'ল, বহুতো মানুহ ভূমিহীন হ'বলগীয়া হ'ল এইটো আমাৰ বহুত ডাঙৰ সমস্যা. এইটো আজিৰ দিনত মই ক'ব বিচাৰো সমষ্টিত এটা chronic disease ৰ নিচিনা হৈছে। প্ৰত্যেক বছৰে বেমাৰ হয়, ভালকৈ চিকিৎসা দিব নোৱাৰো তাত পইচা পাতি নথকাৰ কাৰণে কিবা এটা বেমাৰ হ'লে ফাৰ্মাচীত গৈ টেবলেট আনি খুৱাই বেমাৰটো দমাই থোৱা হয়। এইটো এটা ক্ৰণিক বেমাৰৰ নিচিনা হৈছে আৰু বছৰে বছৰে আমি তাৰ কাৰণে শুনি থাকিবলগীয়া হৈছে বা ইয়াৰ বাবে হাৰাশাস্তি খাবলগীয়া হৈছে। চৰকাৰে কাম নকৰা নহয়, যথেষ্ট কৰিছে। নতুন চৰকাৰ অহাৰ পিছত বহু নতুন নতুন মথাউৰি নিৰ্মাণ কৰিছে আৰু পুৰণা মথাউৰিবিলাক আপগ্ৰেড কৰি ৰাস্তাও বনাইছে। কিন্তু দুখৰ বিষয় যে মোৰ সমষ্টিত আজিলৈকে মথাউৰি নথকাৰ বাবে মথাউৰিৰ ওপৰত যি ৰাস্তাৰ আঁচনি  সেই আঁচনিসমূহ পাবলৈ  সক্ষম হোৱা নাই। আমাৰ নতুনকৈ মথাউৰি বনোৱাৰ feasibility থকাৰ পিছতো আমি মথাউৰি কৰিব পৰা নাই। মথাউৰি নিৰ্মাণ কৰিব পৰা হ'লে আমাৰ যি হাৰত গৰাখহনীয়া হৈ আছে অলপ হ'লেও কম হ'লহেঁতেন। এতিয়া সমস্যাটো হৈছে যে আমাৰ নদীবিলাক সৰু সৰু হ'ব পাৰে। বহুতে উপলব্ধি কৰিব নোৱাৰে যে আমাৰ এই সৰু সৰু নদীবিলাকত বান পানী হয় আৰু তাৰ ফলত ক্ষতি হয়। বহুতে নদীত পানীয়েই নাই বুলি ক'ব বিচাৰে। কিন্তু পানী থাকক বা নাথাকক  ৰাতিৰ ভিতৰত এনেকুৱা ঘটনা হয়। যিসকলে দেখে তেখেতসকলেহে উপলব্ধি কৰিব পাৰে। মোৰ সমষ্টিত ক'বলৈ গ'লে ৭ খনমান নদী আছে। এই ক্ষেত্ৰত প্ৰত্যেকখন নদীতে বছৰত পাঁচ-ছয়টা অঞ্চলত গড়াখহনীয়া হয় আৰু প্ৰত্যেকটা অঞ্চলতে যদি পাঁচ-ছয়টা সমস্যা হয় তেন্তে  প্ৰত্যেক বছৰতে প্ৰায় পঁয়ত্ৰিশ টা মান সমস্যা হ'ব। প্ৰত্যেক বছৰে প্ৰপোজেল পঠিয়াও। কিন্তু একোটাকৈ আঁচনি পাওঁ। এই হিচাপে চৌত্ৰিশটা প্ৰপোজেল পেণ্ডিং হৈ থাকে। তেনেক্ষেত্ৰত সমস্যাটো আমি কেনেকৈ সমাধান কৰিম। SDRF থকাৰ সময়ত আমাৰ অলপ সুবিধা হৈছিল। যোৱাবাৰ কমেও পাঁচটামান আঁচনি SDRF ৰপাইছিলো, SOPD ৰ পৰাও পাইছিলো। তেনেকৈ সাত-আঠটামান সমস্যা বছৰত কৰিব পৰা গৈছিল। গড়ে চাবলৈ গ'লে আমি এটা এটাকৈ কৰি আছো আৰু আমাৰ সমস্যাবোৰ পেণ্ডিং হৈ গৈছে। এই ক্ষেত্ৰত যদি বিশেষ ব্যৱস্থা নলয়, তেন্তে আমাৰ সমস্যাবোৰ ডাঙৰ হৈ গৈ থাকিব। বৰ্তমান সময়ত বানপানী হৈছে বুলি ক'লেও এই ঠাইবোৰ পৰিদৰ্শন কৰিবলৈ ভয় লগা হৈছে। আমি বানপানী হ'লে চাবলৈ যাওঁ আৰু অহাবাৰ কৰি দিম বুলি ৰাইজক সান্ত্বনা দিওঁ। প্ৰত্যেক বছৰে আমি কৰি দিম বুলি কৈ আছো। কিন্তু কৰি  দিব পৰা নাই। এটা সময়ত আমাৰ ওপৰত ৰাইজৰ বিশ্বাস হেৰাই যাব। আমি আগতেও গৰাখহনীয়াৰ ওপৰত বহু কাম কৰিছো আৰু বহুতত সফল হৈছো আৰু বহুতত অসফলো হৈছো। কাৰণ নদীৰ এটা ঠাইত কৰিলে সেইখিনি সুৰক্ষিত হয় কিন্তু  আনফালে গৰাখহনীয়া হয়। সেইকাৰণে মই ভাৱো ইয়াৰ ওপৰত ভালকৈ এটা অধ্যয়ন কৰাৰ প্ৰয়োজন আছে, নহ'লে আমাৰ সমস্যাটো দিনে দিনে বাঢ়ি যাব। আমি যেতিয়া যিখিনি কাম কৰি আছো সেইখিনি কোনোমতে টালি-টোপোলা মাৰি ৰাইজক সান্ত্বনা দি আছো। মই এই ক্ষেত্ৰত এটা পৰামৰ্শ দিব বিচাৰো যে আমাৰ নদীবিলাকত সম্পূৰ্ণৰূপে মথাউৰি দিয়াও একেবাৰে সহজ কথা নহয়। কাৰণ ইয়াৰ কাৰণে শ শ কোটি টকাৰ প্ৰয়োজন হ'ব। কিন্তু সমস্যাবোৰ পেলাই থ'ব নোৱাৰি। এখন নদীত যদি আমাৰ বিভাগৰ ফালৰ পৰা একোটাকৈ ড্ৰজাৰ বা এক্সভেটৰ কিনি বছৰি maintaince ৰ কাৰণে 50

লাখ টকা টেণ্ডাৰ বা এন জি অ' সকলৰ দ্বাৰা কৰি থকা হয়, তেন্তে একোখনকৈ নদীত 50 লাখ টকাৰে আমি ৰাইজক ৰক্ষা কৰিব পাৰিম। ১০০ মিটাৰ মথাউৰি যদি বনাবলৈ যোৱা হয় ৪০০-৫০০ কোটি টকা খৰচ হয়। এই ক্ষেত্ৰত কোনো এটা স্থায়ী সমাধান নোহোৱালৈকে সাময়িকভাৱে এটা সমাধান দিব পাৰিম। মাননীয় মন্ত্ৰী মহোদয়ে পাৰ্কুপাইন দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি কৈছে। কিন্তু ইয়াতেও সমস্যা আছে। পাৰ্কুপাইন আমি নিজে লৈ যাব লাগিব আৰু ইয়াৰ Installation আমি কৰিব লাগিব। তথাপিও আমি হাৰ নামানো। বিধায়ক পুঁজিৰ দ্বাৰা হ'লেও আমি কৰিম। কিন্তু তথাপিও আমি যি ধৰণে requirement দিওঁ সেইধৰণে পাবলৈ সক্ষম নহওঁ। আমাৰ যি বছৰি এটাকৈ আঁচনি দিয়া হয় আৰু এই আঁচনিৰ হাৰটোও যাতে বঢ়াই দিয়া হয়। ধন্যবাদ।

**সভাপতি ঃ** এতিয়া মৃণাল শইকীয়া ডাঙৰীয়াই কওঁক। আপোনাক সাত মিনিট সময় দিয়া হৈছে।

**শ্ৰী মৃণাল শইকীয়া, (খুমটাই) ঃ** মাননীয় সভাপতি মহোদয়, বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে, তাৰ বিৰোধিতা কৰি মই মোৰ বক্তব্য ৰাখিবলৈ ওলাইছো। বানপানী হৈছে খুব rapidly and suddenly অহা বস্তু। এঘৰ মানুহে ৰাতি ভাত-পানী খাই শুই আছে। হঠাতে ৰাতি দেখিলে গোটেই ঘৰৰ ভিতৰতে পানী বা ঘৰৰ এছোৱা গৰাখহনীয়াই লৈ গ'ল। এইবোৰ আমাৰ জলসম্পদ বিভাগে চায়। আমি দেখিছো যে বানপানী, গৰাখহনীয়া যেনেকৈ rapidly আহে ঠিক তেনেকৈ মাননীয় মন্ত্ৰী পিযুষ হাজৰিকাদেৱৰ জলসম্পদ বিভগে rapid response দিবলৈ সক্ষম হৈছে। মোৰ তাত অলপতে ধনশিৰি নদীৰ পাৰৰ শালমিৰাত গৰাখহনীয়া হৈছিল। মই মন্ত্ৰী মহোদয়লৈ ফটো দুখনমান পঠিয়াই দিছিলো। লগে লগে মুখ্য কাৰ্য্যবাহী অভিযন্তাই পিছদিনাই সেই অঞ্চলটো পৰিদৰ্শন কৰিলে। গুৱাহাটীৰ পৰা ২৪ ঘণ্টাৰ পিছতে গৈ পোৱাটো এটা not a matter of joke. It is a rapid response by the Department. মোৰ সমষ্টিৰ দুটা অঞ্চল ধনশিৰি পাৰ আৰু গেলাবিলত গৰাখহনীয়া হয়। বগৰীয়ণী বুলি এটা অঞ্চলত গৰাখহনীয়া হৈ আছে আৰু তাত বৰ্তমান কাম চলি আছে। তেওঁলোকে ধনশিৰি অঞ্চলটো চাই আহিছে আৰু এতিয়া বৰষুণ আহি থকাৰ বাবে কৰিব পৰা অৱস্থাত নাই আৰু অতি সোনকালে কাম আৰম্ভ কৰিব। মই আশা ৰাখিছো অহা বছৰ বগৰীয়ণী আৰু ধনশিৰি নদীৰ পাৰত গৰাখহনীয়া নাথাকে। ইয়াৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো যে তেওঁ বিভাগটোক এটা rapid response টীমলৈ পৰিৱৰ্তন কৰিব পাৰিছে। জলসম্পদ বিভাগৰ এটা visionary step হ'ল road cum embankment. পথ লগতে মঠাউৰি। মোৰ সমষ্টিত ৭ কিলোমিটাৰ ৰাস্তা আগতে মথাউৰি আছিল। এতিয়া সুন্দৰ পথ বনালে। এতিয়া মানুহ তালৈ ফুৰিবলৈ যায়। ইয়াৰ বাবে মই এই বিভাগটোক ধন্যবাদ জ্ঞাপন কৰিছো। বহু মানুহে দাবী কৰে যে বানপানী স্থায়ী সমাধান লাগে। মই ভাৱো যে এই দাবীটো ৰেশ্যনেল নহয়। বৰষুণ দিব আৰু পাহাৰৰ পানী হঠাতে আহিব। আমি ইয়াৰ লগত সহাৱস্থান কৰিব পাৰো। কিন্তু ইয়াৰ কেতিয়াওঁ স্থায়ী সমাধান কৰিব নোৱৰো। আমি যদি কওঁ সূৰ্য্যৰ তাপ বেছি হৈছে আৰু ইয়াৰ পৰা বাচিবলৈ আমাক স্থায়ী সমাধান লাগিব। এইটো কোনেও কৰিব নোৱাৰে। বানপানীও তেনেকুৱা, নদীৰ পানী কেতিয়াবা বাঢ়িব পাৰে আৰু কেতিয়াবা কমিব পাৰে। আমি ইয়াৰ লগতে সহাৱস্থান কৰিব লাগিব। কিন্তু কিমান ভালধৰণে আমি বাস কৰিব পাৰো সেইটো ডাঙৰ কথা আৰু এইটো চায় জলসম্পদ বিভাগে। জলসম্পদৰ পৰিসৰটো কিন্তু আমি খুব কমাই ৰাখিছো। কেৱল জলসম্পদ বিভাগ বুলিলে আমি মথাউৰি নদী বান্ধ বনোৱা বা গৰাখহনীয়া বন্ধ কৰা এইটোকে বুজো। এইটো আমাৰ কাৰণে অভিশাপ। সেইকাৰণে মই ভাৱো জলসম্পদ বিভাগৰ পৰিসৰটো বৃদ্ধি কৰিব লাগিব। য'ত য'ত আমি পানীক সম্পদ হিচাপে ব্যৱহাৰ

কৰিব পাৰো, সেইখিনি জলসম্পদ বিভাগৰ অন্তৰ্গত কৰিব লাগে । যেনেকৈ জলাশয় বিলাকত Water body আছে আৰু এই Water body য়ে বানপানী কমোৱাত সহায়ো কৰে কাৰণ তাত পানী জমা হৈ থাকে । এতিয়া মোৰ সমষ্টিতে কওঁ ঘোৰামৰা বিল, শংকৰ বিল আৰু ডাঙৰ ডাঙৰ বিল যিবিলাক আছে সেইবিলাক কোন বিভাগে চায়, কোনোবাটো মীন বিভাগৰ অধীনত আছে কিন্তু মেটেকাই আৰৰি আছে পানী খিনি কামত অহা নাই । য'ত আমি মাছো জীয়াব পৰা নাই আৰু আমাৰ অসমীয়া মানুহৰ প্ৰত্যেক ঘৰতে সম্পদ থাকে, প্ৰত্যেক ঘৰতে পুখুৰী থাকে কিন্তু দেখা যায় যে কোনেও ইয়াক সম্পদ হিচাপে ব্যৱহাৰ কৰা নাই। আমাৰ পৰম্পৰা মতে প্ৰত্যেক অসমীয়া মানুহৰ বাৰীত পুখুৰী থাকিব লাগে । সেইটো আমাৰ পৰম্পৰা । কিন্তু আকৌ বেলেগ অঞ্চলৰ পৰা মাছ আনি থাকিবলগীয়া হয় । এবছৰৰ প্ৰতিটো দিনতে আমি মাছ নাখাও। ধৰি লোৱা হ'ল বছৰৰ আধা দিনত আমি মাছ খালো সেইমতে আমাৰ নিজৰ পুখুৰীটোৰ পৰাই ১৮০ দিনত ১৮০ কেজি মাছ উলিওৱাৰ ক্ষমতা আছে কিন্তু আমি আমাৰ যিটো পুখুৰী আছে তাক আমি ৰিচোৰ্চ হিচাপে ধৰিব পৰা নাই। আমাৰ যিখিনি জলাশয় আছে তাক আমি ৰিচোৰ্চ হিচাপে পৰিগনিত কৰিব পৰা নাই। সেই কাৰণে ইতিমধ্যে এটা আমাৰ সমস্যা আহিছেই যে নামনিৰ পৰা বহুলোকে কৈছে যে মাছটো বন্ধ কৰি দিব। কালি মই ভিডিঅ' চাই আৰু বিধান সভাৰ বাক-বিতন্ডাত গম পাইছো । এই খিনি যদি আমি চাৰভাইভ কৰিব লাগে, মাছ আমাৰ যদি পৰ্য্যাপ্ত থাকিব লাগে, মোৰ সমষ্টিৰ মই কলো যে ঘোৰামৰা বিল, শংকৰ বিল আৰু তেনেকুৱা সৰু-সৰু বহুতো Water body আছে, জলাশয় যিবিলাক যদি আমি ভালদৰে ৰিচোৰ্চত পৰিণত কৰিব পাৰো তেনেহ'লে আমাৰ সেই কেইখন বিলে গোটেই গোলাঘাট জিলাত মাছ খুৱাব পাৰিব । সেই কাৰণে মই কৈছো যে জলসম্পদ বিভাগটোৰ যিটো পৰিসৰ সেইটো বৃদ্ধি কৰিব লাগে । য'ত বিলে সম্পদৰ ৰূপ লৈছে পুখুৰী, বিল, নদী সেই বিলাকো এই জলসম্পদ বিভাগৰ অন্তৰ্গত কৰিব লাগে । প্ৰত্যেকটো ৱাটাৰবডীক আমি সম্পদ হিচাপে ব্যৱহাৰ কৰি অৰ্থনৈতিক উন্নয়নৰ লগতে বানপানীকো আমি ৰোধ কৰিব পাৰিম আৰু বিভাগটোলৈ ধন্যবাদ জ্ঞাপন কৰিছো লগতে কৰ্তন প্ৰস্তাৱটো বিৰোধীতা কৰিছো আৰু ইয়াৰ পৰিসৰ বৃদ্ধি কৰিবলৈ অনুৰোধ জনাইছো । ধন্যবাদ ।

**সভাপতি ঃ** মাননীয় সদস্য আব্দুচ চোৱাহান আলী সৰকাৰ । তেওঁ অনুপস্থিত যিহেতু তেওঁৰ ঠাইত আছিফ মোঃ নজৰ ।

**ড° আছিফ মোঃ নজৰ, (লাহৰীঘাট) ঃ** মাননীয় সভাপতি মহোদয় মোক আজি এই জলসম্পদ বিভাগৰ যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ সমৰ্থনত ক'ব দিয়াৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিলো । মাননীয় সভাপতি মহোদয়, বানপানী আৰু গৰাখহনীয়া অসমৰ এক গুৰুত্বপুৰ্ণ আৰু জলন্ত সমস্যা । সভাপতি মহোদয় অসমৰ বান আৰু গৰাখহনীয়াৰ সমস্যা সমাধানৰ বাবে এই বিজেপি চৰকাৰে প্ৰতিশ্ৰুতি দি পেলায় চৰকাৰ গঠন কৰিছিল যদি আপুনি চায় ২০১৪ চনৰ বিজেপি দলৰ ৰাষ্ট্ৰীয় ইস্তাহাৰত বান গৰাখহনীয়া সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি আছিল । ২০১৫ চনত অসম প্ৰদেশ বি জে পি ৰ কাৰ্য্যনিৰ্বাহক সভাত ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ প্ৰতিশ্ৰুতি দিছিল । ২০১৪ চনত নিৰ্বাচনৰ সময়ত বান গৰাখহনীয়া সমস্যাক প্ৰাধান্য দিয়া হৈছিল । ২০১৭ চনত প্ৰধানমন্ত্ৰী ডাঙৰীয়াই গুৱাহাটীত বান সমস্যা সমাধানৰ ক্ষেত্ৰত বৈঠক কৰিছিল । ২০২১ চনত অমিত সাহ ডাঙৰীয়াই বানমুক্ত অসমৰ শ্লোগান দিছিল। ২০২৪ চনত গৃহমন্ত্ৰী ডাঙৰীয়াই পঞ্চাচটা নতুন পুখুৰী খান্দি সমস্যা সমাধান কৰাৰ পৰামৰ্শ দিছিল । তাৰ পিছতো দেখা গৈছে যে প্ৰত্যেক বছৰে পূৰ্বতে বান নোহোৱা বহুতো জিলাত এতিয়া বানপানী হোৱা দেখা গৈছে । চলিত বৰ্ষত ৪ জুলাই ২০২৪

চনত দ্যা হিন্দু নামৰ যিখন বাতৰি কাকত আছে তাত প্ৰকাশিত হোৱা তথ্য মতে ৩৫ খন জিলাৰ ভিতৰত ২৯ খন জিলাই জলমগ্ন হৈ আছে আৰু তাত ১৬.৫০ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে । তাত দেখা গৈছে যে ১০০ ত কৈ অধিক লোকে এই বানত প্ৰান হেৰুৱাব লগীয়া হৈছে । সামগ্ৰিকভাবে আমি যদি ক'বলৈ যাও যে বানৰ লগত যি গৰাখহনীয়া হৈ সেই গৰাখহনীয়াৰ ফলত প্ৰায় আঠ হাজাৰ বৰ্গ কিলোমিটাৰ ভূমি হেৰুৱাব লগীয়া হৈছে । যিটো গোটেই অসমৰ ভূমিৰ ৭.৫ শতাংশ। মাননীয় সভাপতি মহোদয় মই যিখন ঠাইৰ পৰা আহিছো সেই মৰিগাওঁ জিলাত আৰু মোৰ যি সমষ্টি লাহৰীঘাট তাৰ ব্যতিক্ৰম নহয় । শ শ ধৰি লাহৰীঘাট ৰাইজে বানৰ লগতে গৰাখহনীয়াৰ কবলত জলা-কলা খাইছে । মাননীয় সভাপতি মহোদয় ব্ৰহ্মপুত্ৰৰ পানী আৰু তাৰ লগত যি আহে, যি গৰাখহনীয়া হয়, এই গৰাখহনীয়াৰ ফলত মোৰ সমষ্টিৰ বুঢ়াগাওঁ ৰাজহচক্ৰৰ ৫৩ খন গাওঁ, মায়াং ৰাজহচক্ৰৰ ১১৩ খন গাওঁ আৰু লাহৰীঘাট ৰাজহচক্ৰৰ ২৮ খন গাওঁ মুঠ ১৯৪ খন গাওঁ নিচিহ্ন হৈ গৈছে । মাননীয় সভাপতি মহোদয় ১৯৫৫-৫৬ চনত যেতিয়া অবিভক্ত নগাওঁ আছিল তেতিয়া ধিং ৰ পৰা সৰুকাণ্ডালৈ মথাউৰি বনোৱা হৈছিল । সেইটো আছিলে আমাৰ সেই ফালৰ অঞ্চলৰ প্ৰথম মথাউৰি । এই মথাউৰিটো পৰৱৰ্ত্তী সময়চোৱাত গৰাখহনীয়াৰ পৰিসৰ বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত খহি গ'ল আৰু নতুন নতুন মথাউৰি বনোৱা হ'ল । কিন্তু দেখা গৈছে যে ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াই ধিঙৰ পৰা মায়ংলৈকে শ শ ঘৰ নিচিহ্ন কৰি দিছিল আৰু তাৰ ফলত এই গাওঁত বসবাস কৰা লোক সকল গৃহহীন হৈ ২০১৯ চনত বসবাস কৰিবলৈ প্ৰৱৰ্জিত হোৱাত বহুতে কেতিয়াবা নাম দিয়ে বিদেশী বাংলাদেশী, কেতিয়াবা নাম দিয়া হৈছে বে-দখলকাৰী বুলি । গতিকে বান আৰু গৰাখহনীয়াৰ লগত আন এক সমস্যাও দেখা যায়। গতিকে মাননীয় সভাপতি মহোদয় মই একাষাৰ কথা ক'ব বিচাৰো যেতিয়া কংগ্ৰেছৰ চৰকাৰ আছিলে সেই লাহৰীঘাট অঞ্চলৰে বাৰ খন স্পেয়াৰ বনোৱা হৈছিল । স্পেয়াৰ কেইটা বনোৱা হৈছিলে দলো গাওঁৰ পৰা ভূৰাগাওঁলৈকে ।স্পেয়াৰ কেইটা বনোৱা হৈছিলে ফ্লাড মেনেজমেন্ট প্ৰগ্ৰেমৰ ভিতৰত। এই ফ্লাড মেনেজমেন্ট প্ৰগ্ৰেমটো আছিলে কংগ্ৰেছৰ চৰকাৰৰ দিনত। কিন্তু বানমুক্ত অসমৰ প্ৰতিশ্ৰুতি দিয়া বিজেপি চৰকাৰে বানৰ সমস্যা সমাধান কৰিম বুলি কৈছিল । সেই চৰকাৰে চৰকাৰ গঠন কৰাৰ লগে লগে ফ্লাড মেনেজমেন্ট প্ৰগ্ৰেম বন্ধ কৰি দিছে । যি ফ্লাড মেনেজমেন্ট প্ৰগ্ৰেমৰ জৰিয়তে মথাউৰি চিঙি যায়, যিবোৰ স্পেয়াৰ খহি যায় সেইবোৰ আমি কাম কৰিব পাৰিছিলো বা সমাধান কৰিব পাৰিছিলো । কিন্তু দেখা গ'ল যে ২০১৬-১৭ বৰ্ষত যি গৰাখহনীয়া হৈছিল সেই গৰাখহনীয়াৰ ফলত এই লাহৰীঘাটৰ বাৰটা স্পেয়াৰৰ ভিতৰত দুটা স্পেয়াৰ গৰাখহনীয়াত খহি যায় যাৰ ফলত টেঙগুৰীৰ পৰা তিনিচুকীয়ালৈকে বহুত অঞ্চল বানপানীত খহি যায়। ইয়াৰ পিছত ২০১৯-২১ আকৌ তাত নতুনকৈ মথাউৰি বনোৱা হয়। কিন্তু কিছুদিন আগতে ADB project ৰ অধীনত লাহৰীঘাটৰ পৰা মায়ঙলৈ এটা কাম দিয়া হৈছে যিটো আঁচনি যথাসম্ভৱ এইটো বছৰ আৰম্ভ হ'ব। কিন্তু দেখা গৈছে যে বিগত দুমাহ ধৰি মোৰ সমষ্টিৰ বালিদুঙৰ পৰা বৰহলৌকাটা অঞ্চলত তীব্ৰ গড়াখহনীয়াৰ সৃষ্টি হৈ আছে। যদি বিভাগৰ যিসকল কৰ্তৃপক্ষ আছে, তেওঁলোকক শুধা হয় তেতিয়া তেওঁলোকে কয় যে ADB project আহিছে, এতিয়া কাম নহ'ব। কিন্তু গড়াখহনীয়া দিনক দিনে বাঢ়ি গৈ আছে আৰু এইটো যদি এনেকৈয়ে একেৰাহে চলি থাকে, এই মথাউৰি আকৌ ছিগিব। ইয়াৰ উপৰিও ভজাইখাইটিৰ পৰা চেনিমাৰী অঞ্চলত বিগত দুমাহ ধৰি গড়াখহনীয়া হৈ আছে। মন্ত্ৰী মহোদয় যিহেতু উপস্থিত আছে, মই তেখেতক জনাব বিচাৰিছো যে মোৰ যিটো অঞ্চল আছে, সেইটো ADB project ৰ অধীনত সোমোৱা নাই। যদি আপুনি পাৰে এইখিনি অঞ্চলো যাতে

ADB project ৰ অধীনত সোমোৱাই দিয়ে। কাৰণ যদি ADB ৰ project আৰম্ভ হয় আৰু এইখিনি যদি খালী থাকি যায় তেতিয়া আগন্তুক দিনত আকৌ তীব্ৰ গড়াখহনীয়াৰ সৃষ্টি হৈ গোটেই লাহৰীঘাট অঞ্চলত ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হ'ব। এইখিনি কৈয়ে মই মোৰ বক্তব্য সামৰিছো।

**শ্ৰী ৰফিকুল ইছলাম, (সভাপতি) ঃ** ধন্যবাদ। এতিয়া বক্তব্য ৰাখিব শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী ডাঙৰীয়াই। আপোনাক দলে ৭ মিনিট সময় দিছে।

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী, (ডেৰগাওঁ)ঃ** মাননীয় সভাপতি মহোদয়, জলসম্পদ বিভাগটো আগতে আছিল বান-নিয়ন্ত্ৰণ বিভাগ। এতিয়া জলসম্পদ হ'ল। আমি জলক সম্পদ হিচাপে ব্যৱহাৰ কৰিবলৈ আগবাঢ়িছো। বৰ্তমান এই বিভাগটোৱে পিয়ুষ হাজৰিকাদেৱৰ নেতৃত্বত জলক সম্পদ হিচাপে ব্যৱহাৰ কৰিব পৰাকৈ পৰিকল্পিতভাৱে বিভাগটোক আগবঢ়াই লৈ গৈছে। এই ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ নদীক বিশেষভাৱ যিদিনাই আমি ভালদৰে নিয়ন্ত্ৰণ কৰিব পাৰিম, সেইদিনাই আমি অসমখনক আৰ্থিকভাৱে আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত সক্ষম হ'ম।

( Hon'ble Deputy Speaker on the Chair)

এই ক্ষেত্ৰত আমাৰ বিভাগে সুন্দৰ পৰিকল্পিতভাৱে আগবাঢ়ি গৈছে। আমি দেখিবলৈ পাইছো বৰ্তমান পৰ্য্যায়ত ব্ৰহ্মপুত্ৰ নদীৰ যিটো nature, সেইটো ১৯৬২ চনৰ ভূমিকম্পৰ পাছত বদলি হয়। নদীখনৰ তলি বাম হৈ গ'ল। পাহাৰীয়া অঞ্চলত অলপ বৰষুণ দিলেই নদীৰ পানী ওপৰলৈ উঠি আহে। ফলত বিভিন্ন অঞ্চল প্লাৱিত হয় । এই বানপানীয়ে মানুহক কষ্ট দিয়ে, বহু ক্ষতি কৰে কিন্তু তথাপিও এটা কথা ঠিক যদি উজনিৰ ফালে বানপানী নাহে তেতিয়া কিছু অসুবিধা হয়। বানপানী আহিলে খেতি ভাল হয় আৰু যদি খৰাং হয় তেতিয়াহ'লে সেইবছৰ খেতি অলপ বেয়া হয়। গতিকে আমাক বানপানীৰ প্ৰয়োজন আছেও আৰু যাতে বানপানীয়ে বিধ্বংসী ৰূপ নলয়, তাৰ ব্যৱস্থা কৰিব লাগে। তাৰ বাবে বিভাগে বৰ্তমান পৰ্য্যায়ত বানপানী প্ৰতিৰোধৰ কাৰণে, বিধ্বংসী কাৰ্য্য ৰোধ কৰিবৰ কাৰণে বহু খিনি আঁচনি লৈছে। এই ক্ষেত্ৰত এটা কথা স্পষ্ট যে মথাউৰি কেতিয়া আৰম্ভ হ'ল নাজানো, বোধকৰো ৫০ দ শকতে ব্ৰহ্মপুত্ৰ নদীত মথাউৰি দিয়াৰ সিদ্ধান্ত তেতিয়াৰ চৰকাৰে লৈছিলে। এতিয়া সেই তাহানিতে বনোৱা মথাউৰি বিলাক বৰ্তমান পৰ্য্যায়ত কিছু দুৰ্বল হৈ পৰিছে আৰু এই দুৰ্বল হৈ যোৱা মথাউৰি বিলাক কিছু শক্তিশালী কৰাৰ বাবে আমাৰ বিভাগে যিখিনি ব্যৱস্থা লৈছে, সেই ব্যৱস্থাত আমি আগবাঢ়ি যাবলৈ সক্ষম হৈছো। কিন্তু কিছু কিছু অঞ্চলত এই মথাউৰি শক্তিশালী কৰাৰ বহুত ধৰণৰ ব্যৱস্থাৰ প্ৰয়োজন হয়। এই প্ৰয়োজন বিলাক সমাধান কৰিব পৰাকৈ বাজেটৰ ধন আচলতে দিব লাগে যিটো কাৰণে আজি মাননীয় মন্ত্ৰী মহোদয়ে ২০০০ লাখ টকা অতিৰিক্তভাৱে জলসম্পদ বিভাগত বিচাৰিছে। এইবাৰ যিটো বানপানী হ'ল, তাৰ পানী অলপ দীঘলীয়াকৈ কৃষি প্ৰধান অঞ্চল সমূহত বা ঘৰ থকা অঞ্চলত সোমাইছে। যাৰ ফলত আমাৰ কৃষি কৰ্মকে ধৰি অন্য কিছুমান ক্ষেত্ৰত বেছিকৈ নষ্ট হৈছে। মই আশা কৰিছো আমাৰ মাননীয় মন্ত্ৰীৰ নেতৃত্বত আমি পানীক যি সম্পদ হিচাপে ব্যৱহাৰ কৰিব লাগে তাৰ বাবে আমি আগবাঢ়ি গৈ আছো। এই ক্ষেত্ৰত আৰু এটা কথা ক'ব বিচাৰিছো, মোৰ সমষ্টিতে বহু কেইখন ডাঙৰ ডাঙৰ বিল আছে - বটালীখোচা, মৰিডিচৈ, বামুণীবিল এনেধৰণৰ বহু কেইটা ডাঙৰ ডাঙৰ জলাশয় আছে যিবিলাকত আমি মৎস্য উৎপাদনৰ কাৰণে ব্যৱস্থা ল'ব পাৰো বা সেই পানী খেতিলৈ জলসিঞ্চনৰ জৰিয়তে নি আমি ব্যৱহাৰ কৰিব পাৰো। আমি যদি পানীক সম্পদ হিচাপে ব্যৱহাৰ কৰিব লাগে

তেতিয়াহ'লে  জলসিঞ্চন, জলসম্পদ আৰু কৃষি এই তিনিওটা বিভাগ লগ লাগি বিভিন্ন জিলা আমি যদি আঁচনি গ্ৰহণ কৰো, মই ভাৰো কৃষিৰ ক্ষেত্ৰত বা ফিচাৰীৰ ক্ষেত্ৰত আমি যথেষ্টখিনি আগবাঢ়ি যাব পাৰিম। এইক্ষেত্ৰত মই দুটামান পৰামৰ্শ দিব বিচাৰিছো। মোৰ সমষ্টিত এইবাৰ বানপানীত দুটা অঞ্চল বৰ বেয়া ধৰণে ক্ষতিগ্ৰস্ত হ'ল।ব্ৰহ্মপুত্ৰত ৮ নং স্পাৰ কোকিলামুখৰ ওচৰত, তাৰে এখন গাওঁ হ'ল নহতীয়া আৰু আন খন হ'ল ৮ নং স্পাৰ। এই ৮ নং স্পাৰটোৰ যথেষ্ট সংখ্যক মাটি খহি গ'ল। এইটো যোৰহাট নগৰৰ পৰা মাত্ৰ ৭ কিল'মিটাৰ দূৰ, যদি কিবা কাৰণত সেই স্পাৰটো ভাঙিলে হয়, তেতিয়াহ'লে গোটেই যোৰহাট নগৰখন পানীত বুৰ গ'লহেতেন। কিন্তু সৌভাগ্যক্ৰমে আমাৰ মাননীয় মন্ত্ৰী হাজৰিকাদেৱৰ নেতৃত্বত তেওঁৰ বিভাগৰ বিষয়াসকলৰ নেতৃত্বত সেই ৮ নং স্পাৰটো ধ্বংস হোৱা পৰিৱৰ্তে ৰক্ষা কৰিববলৈ সক্ষম হ'লো। এতিয়া সেইটোৰ যদি সম্পূৰ্ণ মেৰামতি কৰা নহয় অহাবাৰলৈ ই কিন্তু কিছু অঘটন ঘটাব। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে যোৰহাটৰ ৮ নং স্পাৰৰ যি অংশত গড়াখহনীয়া হৈছিল সেই অংশটো অকণমান ভালধৰণে carpetting কৰি Geo bag দিয়া হৈছে, সেই ব্যৱস্থাটো সম্পূৰ্ণৰূপে এই খৰালী দিনতে কৰিলে আমি পৰিত্ৰাণ পাম।

ইয়াৰ লগতে তাৰ পৰা আৰু প্ৰায় ৩ কিল'মিটাৰ আঁতৰত থকা কোকিলামুখ নহতীয়াটো মথাউৰি গড়াখহনীয়া হৈছিল। ব্ৰহ্মপুত্ৰৰ  সেই মথাউৰিটো যিটো ১৯৬০ চন মানতে নিৰ্মাণ কৰা হৈছিল সেইটোত যোৱা বানপানীত  যথেষ্ট খহনীয়া হৈছিল। এই দুয়োটা অঞ্চলতে আমাৰ মাননীয় মন্ত্ৰী শ্ৰী বিমল বৰা ডাঙৰীয়া আৰু কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা ডাঙৰীয়া বানপানীৰ সময়ত সেই devastation ৰ সময়ছোৱাত তেওঁলোকে পৰিদৰ্শন কৰিছিল আৰু তেতিয়া ৰাইজৰ আগত এটা অৱগত কৰিছিল যে আমি এই সম্পৰ্কত চৰকাৰৰ ঘৰত এই বিষয়টো উত্থাপন কৰি, সোনকালে মেৰামতি কৰি ৰাইজৰ উপকাৰ হোৱাকৈ আগবঢ়াই দিব পাৰিম বুলি কৈছিল আৰু তেতিয়া ময়ো লগত আছিলো। আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে ইতিমধ্যে ব্যৱস্থা লৈছে আৰু মই আশা কৰিছো এই গড়াখহনীয়া ৰোধ কৰি যোৰহাট নগৰখনক ৰক্ষা কৰাৰ ব্যৱস্থা কৰিব লাগে । মই পুনৰ দুটা কথা ক'ব খুজিছো যে, যোৱা বানপানীত যিখিনি ডেমোনষ্ট্ৰেশ্যন হ'ল সেইখিনিৰ এটা ব্যৱস্থা ল'ব লাগে । দ্বিতীয়তে আমাৰ আশে পাশে যিমান নদীৰ জলাশয় আছে সেই জলাশয়বিলাক ব্যৱহাৰ কৰি কৃষি অঞ্চলত বা ফিচাৰী বিভাগত আমি যাতে সম্পদ হিচাপে ব্যৱাহৰ কৰিব পাৰো তাৰ বাবে চৰকাৰলৈ মোৰ এটা পৰামৰ্শ থাকিল এইখিনি কথাৰে জল সম্পদ বিভাগত দুই হাজাৰ লাখ টকাৰ ওপৰত পৰিপূৰক দাবী মঞ্জুৰীৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ বিৰোধী পক্ষই আনিছে তাৰ বিৰোধিতা কৰি মই সামৰণি মাৰিছো ধন্যবাদ ।

মাননীয় উপাধ্যক্ষ ঃ ধন্যবাদ... এতিয়া মাননীয় সদস্য শ্ৰী তৰংগ গগৈ ।

**শ্ৰীতৰংগ গগৈ, (নাহৰকটীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষই অনা কৰ্তন প্ৰস্তাৱৰ বিৰুদ্ধে গৈ মই কিছু কথা ক'ব বিচাৰিছো । আমি সকলোৱে জানো যে, জলসম্পদ বিভাগ বুলি ক'লে আমি মাৰ্চ- এপ্ৰিল, মে-জুন এই মাহ কেইটাত এই বিভাগটোৱে সাৰ পাইছিল আৰু বছৰটোৰ দুই - তিনি মাহহে কিছু কাম কৰা আমি দেখা পাওঁ । যেতিয়া বান পানী আহে তেতিয়া গোটেই বিভাগটোৱে জিলাই জিলাই ব্যস্ত হৈ পৰে । ইতিমধ্যে বিশ্বজিৎ ফুকন ডাঙৰীয়াই কৈ গৈছে যে কেনেকৈ ৬০ ঃ ৪০ কৰা হৈছিল । কিন্তু আজি বিজেপি চৰকাৰ হোৱাৰ পিচত বিশেষকৈ পীয়ুষ হাজৰিকা ডাঙৰীয়াই যেতিয়া এই জল সম্পদ বিভাগটোৰ নেতৃত্ব ল'লে তেতিয়া আমি এটা ডাঙৰ

পৰিৱৰ্ত্তন দেখা পালো । এতিয়া বিভাগটো বছৰটোৰ ১২ মাহে কাম কৰে । উদাহৰণস্বৰূপে অৰুণাচলত অধিক বৰষুণ হোৱা বাবে বুঢ়ীদিহিঙত এইবাৰ যথেষ্ট বানপানী হৈছিল । মোৰ সমষ্টিৰ নিচেই কাষতে অৰ্থাৎ নাহৰকটীয়া আৰু দুলীয়াজানৰ মাজত টেঙাখাত অঞ্চলত এটা মথাউৰী ব্ৰীছ হ'ল - পানী থকা বাবে তাত মানুহ নাযায় , কোনো কাম নহয় । পানীখিনি ওলাই যোৱাৰ পিচত যেতিয়া এটা শুকান পৰিবেশ হয় তেতিয়া তাত বিভাগীয় মানুহে অলপ কাম কৰি থকা দেখা পাওঁ । কিন্তু এইবাৰ তাত ১২ ঘন্টাৰ ভিতৰত বস্তুও গৈ পালে আৰু বিভাগীয় বিষয়াও উপস্থিত হ'ল । তাৰ পিচত তাত মুখ্যমন্ত্ৰী ডাঙৰীয়াও গ'ল - আজি এই চৰকাৰৰ নেতৃত্বত উজনি অসমত আমি যিমান ফাণ্ড পালো মন্ত্ৰী ডাঙৰীয়াই হয়তো তেওঁৰ বক্তব্যত জনাব । তথাপিও মোৰ তথ্য অনুসৰি ৬৩৪ কোটি টকা উজনি অসমত আমি ফাণ্ড পাইছো । তাৰে ডিব্ৰুগড় জিলাত ২৮৫ কোটি আৰু শিৱসাগৰ জিলাত ২১৫ কোটি টকা পাইছো । মই কেতিয়াও ভাবিব পৰা নাছিলো যে এখন জিলাই ২৮৫ কোটি টকা পুঁজি পাব । আজি ডিব্ৰুগড় জিলাৰ স্থানীয় বিধায়ক বৰ্ত্তমান তেখেত ইয়াত নাই তেখেতে চাগে তেওঁৰ প্ৰস্তাৱত এই কথা কয় নে নকয় মই নাজানো কিন্তু মই এটা কথা ক'ব বিচাৰো যে ব্ৰহ্মপুত্ৰ নদীখন বানপানীৰ সময়ত এখন ভয়াবহ নদী হৈ উঠে , যেতিয়া বানপানী হয় তেতিয়া তাৰ অভাৰফ্ল'টোৱে ডিব্ৰুগড় চহৰখনলৈ কিমান ডাঙৰ এটা সমস্যা লৈ আহে সকলোৱে জানে । যদি কিবা কাৰণত মথাউৰি ব্ৰীছ হয় তেন্তে চাগে ডিব্ৰুগড় চহৰখন নাথাকিব । আমাৰ মাননীয় মুখ্যমন্ত্ৰী আৰু বিভাগীয় মন্ত্ৰীৰ নেতৃত্বত আই আই টি গুৱাহাটীৰ নিচিনা এটা আগৰণুৱা ইনষ্টিটিউশ্যনক ষ্টাডি কৰিবলৈ দিয়া হৈছিল । ষ্টাডি কৰাৰ পিচত ডাইকটো প্ৰটেকশ্যনৰ বাবে ৭৮ কোটি টকা দিয়া হৈছিল । আজি যদি আই আই টিকলৈ ষ্টাডি কৰিবলৈ নিদি ফাণ্ড নিদিয়া হ'লে আমি ডিব্ৰুগড় চহৰখন বচাব নোৱাৰিলোহেঁতেন বা ব্ৰহ্মপুত্ৰৰ পানীক বাধা দিব নোৱাৰিলোহেঁতেন । আমি সকলোৱে গ'ম পাওঁ যে অসমখন সকলো দিশৰ পৰা পাহাৰেৰে আগুৰি আছে । অৰুণাচল- নাগালেণ্ড , মেঘালয় , ভূটান আদিৰ পৰা পানী বাগৰি আহে আৰু তেতিয়া ব্ৰহ্মপুত্ৰ নদীৰ পানীৰ ফৰ্চটোৱে লোহিত - ডিবাং, সুৱনশিৰি, কুণ্ডিল এই নদীসমূহলৈ পানীৰে উপচাই পেলায় । দিবাং নদীখনৰ ইৰোশ্যন বহু বেছি । তাত এটা সমস্যা আছে চিলটেশ্যন । ইয়াৰ ফলত দিবাং নৈ খন বাম হৈ গৈছে । মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাওঁ যে ১৩ কোটি টকা চেংশ্যন কৰি আজি দিবাং নদীত আমি কাম কৰি আছো । তাৰ ফলত আমি প্ৰায় পঞ্চাশ শতাংশ গড়াখহনীয়া কমাব পাৰিছো । এনেধৰণৰ কাম আগতে আমি দেখা পোৱা নাছিলো । আজি বুঢ়ীদিহিং নদীৰ কথা ক'বলৈ গ'লে ডিব্ৰুগড় - তিনিচুকীয়া , শিৱসাগৰ এই তিনিখন জিলাৰ বুঢ়ীদিহিং খনেই হৈছে মুল নদী । এই নদীৰ ওপৰত ৭৩৩ কোটি টকাৰ এটা বিশ্ব বেংকৰ প্ৰজেক্ট এই চৰকাৰে লৈছে আৰু যোৱাবছৰৰ পৰা কাম আৰম্ভ কৰিছে । মই বিধায়ক হোৱাৰ লগে লগে জল সম্পদ বিভাগৰ বিষয়া আৰু সাংবাদিক বন্ধুৰ লগত নদীৰে যাত্ৰা কৰিছিলো । নাহৰকটীয়াৰ পৰা জয়পুৰ, জয়পুৰৰ পৰা চাঁচনী- কুলাঝাৰৰ দাহাললৈ যাত্ৰা কৰাৰ সময়ত সকলো কৰ্তপক্ষৰ লগত ব্ৰীছ পইন্ট, ইৰোশ্যন পইন্ট চাই চাই গৈছিলো - তেতিয়া মোৰ লগত থকা সাংবাদিক বন্ধুয়ে ক'লে যে আপুনি আজি যেনেকৈ চাই চাই গৈছে তেনেকৈ আগতেও বহু কেইবাৰ চাই গৈছে কিন্তু কাম বিভাগে কৰিলে জানো ? বুঢ়ী দিহিঙত বহু টকা লাগিব- ক'ত কাম হ'ব । এনেই এই নাটকবিলাক কিয় কৰে আপোনালোকে । কিন্তু মই পীয়ুষ হাজৰিকা ডাঙৰীয়াক ধন্যবাদ জনাও যে ডাঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰৰ নেতৃত্বত প্ৰায় এক বছৰৰ ভিতৰত ডিব্ৰুগড়ত ইয়াৰ টেণ্ডাৰ কৰা হ'ল । প্ৰায় ৩০ টা ভানাৰেবল্ ইৰোশ্যন পইন্টত ২০৪ কোটি টকাৰে কাম আৰম্ভ হৈছে । মোৰ নাহৰকটীয়া

সমষ্টিৰ জাতি পথাৰ, মনিপুৰী বস্তি , উত্তম মাটি, জাগুনী, আঁহতগুৰি , উৰিয়ামগুৰি , বামুনীবিল, কুলাপাৰা, এই ধৰনে বহু ঠাইত কাম হৈছে । মই আশা কৰো যে , মথাউৰি প্ৰটেকশ্যনৰ বাবে যিমান কাম কৰিবলগীয়া আছিল আমি যদি কৰ্তন প্ৰস্তাৱ সমৰ্থন কৰো তেন্তে এই কামবিলাক কৰিব পৰা নাযাব । চেকেণ্ডে ফেজত মোৰ সমষ্টিত ৩২ কি.মি কাম আছে । মই আশা কৰো জল সম্পদৰ যিখিনি কাম আছে সেইখিনি আৰু আগবাঢ়ি যাব । যেতিয়া মই মথাউৰি চাবলৈ যাওঁ তেতিয়া তাত থকা মানুহে কয় যে ছাৰ, ভাৰত স্বাধীন হৈ গ'ল এতিয়া আমি বোকা ৰাস্তাৰে খোজ কাঢ়ি আছো , ৰাস্তা কেতিয়া পকী হ'ব ? কিন্তু মই ধন্যবাদ দিছো এই চৰকাৰৰ নেতৃত্বত ৰোড কাম এমবেংকমেন্টৰ কাম আৰম্ভ কৰিলে । ৰাস্তাৰ কাম আৰম্ভ কৰা হৈছে । ৩০ কি.মি তিপাং, কুলাঝাৰ, আৰু দাহাল মথাউৰিৰ যি কাম বাকী আছে সেই খিনিৰ বাবে অতি শীঘ্ৰে টেণ্ডাৰ দি কাম আৰম্ভ হ'ব বুলি মই আশা ৰাখিলো । মই এই কৰ্তন প্ৰস্তাৱৰ বিৰোধ কৰি আৰু অধিক পুঁজি দিব লাগে বুলি আশা কৰি মোৰ বক্তব্য সামৰণি মাৰিছো ।

মাননীয় উপাধ্যক্ষ ঃ ধন্যবাদ--- এতিয়া আব্দুৰ ৰহিম আহমেদ ।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, (বৰপেটা)** ঃ উপাধ্যক্ষ মহোদয়, কৰ্তন সপক্ষে মই দুটা মান কথা ক'ব বিচাৰিছো । আমি জানো যে জল সম্পদ বিভাগটো অসমৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিভাগ । অতি পৰিতাপৰ বিষয় যে, আমি দেখো যেতিয়া নদীত বানপানীৰ সময়ত ইৰোশ্যন হয় মানুহ ক্ষতিগ্ৰস্ত হয় তেতিয়া আমি জল সম্পদ বিভাগৰ কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰো তেতিয়া লগে লগে কিছু টেম্প'ৰাৰী কাম কৰাৰ বাহিৰে তেওলোকৰ হাতত পুঁজি বা সামৰ্থ্য নাথাকে । উদাহৰণস্বৰূপে মোৰ সমষ্টিত থকা বেকী নৈৰ দ্বাৰা তিনিখন গাওঁ পঞ্চায়ত ব্যাপকভাৱে ক্ষতিগ্ৰস্থ হৈ আছে । এটা কুমৰীপাৰা, হাজিপাৰা পঞ্চায়তৰ মেচবাথান নামৰ ঠাইত আৰু এটা মৈৰাবাৰী পঞ্চায়তৰ আশাৰীপাৰা ঠাইত ব্যাপকভাৱে গড়াখহনীয়া হৈ আছে । তাৰে একজিকিউটিভ ইঞ্জিনিয়াৰ জনৰ লগত যোগাযোগ কৰিছিলো । বৰ্তমান কুমৰীপাৰা এই পঞ্চায়তটো ধুবুৰী জিলাৰ মন্দিয়া সমষ্টিত সোমাইছে । তাত মোৰ সমষ্টিত সাংসদ ডাঙৰীয়াক লৈ গ'লো - তেতিয়া একজিকিউটিভ ইঞ্জিনিয়াৰজনে অলপ পাৰ্কুপাইনৰ ব্যৱস্থা কৰিছে । কিন্তু মোক ফিল্ডৰ পৰা এচ ডি অ' জনে জনাইছে যে, তাত অন্ততঃ ৬ লাইন পাৰ্কুপাইনৰ ব্যৱস্থা কৰিলেহে হয়তো সাময়িকভাৱে ইৰোশ্যন কমিব। মই এই বিষয় লৈ কেইবাবাৰো বিভাগৰ লগত যোগাযোগ কৰিছিলো কিন্তু বিভাগৰ কোনো সাৰসুৰ নাই । যোৱাকালি মন্ত্ৰী ডাঙৰীয়াই কৈছিলে যে, পাৰ্কুপাইনৰ বাবে আমাৰ কোনো ধৰণৰ অসুবিধা নাই । পৰ্য্যাপ্ত পাৰ্কুপাইন আছে । মই আশা কৰো যে মন্ত্ৰী মহোদয়ে যদি বিভাগৰ লগত যোগাযোগ কৰি কিছু কাম কৰাৰ ব্যৱস্থা কৰে তেন্তে সেই অঞ্চলটো ব্যাপক ক্ষতিসাধনৰ পৰা ৰক্ষা পৰিব । এনেকুৱা কাম যাতে বিভাগৰ হেমাহিৰ বাবে বৈ নাথাকে তাৰ ব্যৱস্থাটো মন্ত্ৰী মহোদয়ে কৰিলে ৰাইজ উপকৃত হ'ব । কিন্তু, এফালে চাৰ চলি আছে আৰু এটা side ত এতিয়া চলা নাই । গতিকে, এই side টো আমাৰ বৰপেটা সৰভোগ সমষ্টিৰ যিটো left part এই part টোত জনীয়া সমষ্টিও এটা part ত আছে, তাৰ এটা অংশত কাম চলি আছে। কিন্তু, এনেকুৱা ব্যাপক ভাৱে বেকী নদীয়ে ইয়াত গড়াখহনীয়া সৃষ্টি কৰিছে, কেইবাটাও অঞ্চল এই Season ত ইতিমধ্যে জাহ গ'ল। চাৰ, সেইকাৰণে কৈছো আজি পশুমৰা নদীৰ কথাই কওক বা ব্ৰহ্মপুত্ৰ নদীৰ কথাই কওঁক কেতিয়াবা কেতিয়াবা ব্যাপক ভৱে গড়াখহনীয়াই এনেকুৱা পৰ্য্যায় পায়, আজি চেঙা সমষ্টিৰ কথা যদি কওঁ কাচুমৰাৰ বজাৰৰ আধাখিনি অংশ উটুৱাই লৈ গুচি গ'ল। গতিকে, এই কাৰণে কৈছো বিভাগ যদি সজাগ থাকে আমি চাৰ বানপানী অহাৰ ঠিক সময়ত যদি সজাগ হওঁ,

তেনেহ'লে চাৰ নদীখিনি আমি নিয়ন্ত্ৰন কৰাৰ কাৰণে আমি সক্ষম নহ'ম। আমি দেখিছো চাৰ, ক'ত ভঙাৰ সম্ভাৱনা থাকে, তাত যদি বিভাগে আগতীয়াকৈ survey কৰে, আৰু সেইমতে measurement লৈ কাম কৰে, বহু ক্ষেত্ৰত দেখা যায় যে ব্যাপক ক্ষতিসাধন হোৱাৰ পৰা আমি ৰক্ষা পৰিব পাৰো। ঠিক মথাউৰি সমূহ বানপানী অহাৰ আগতে পৰ্য্যাপ্ত পৰিমানে আমাৰ বিভাগৰ কৰ্মচাৰীসকলে যদি অলপ চোৱা চিতা কৰে, অলপ অলপ মেৰামতি কৰি দিয়ে, তেতিয়া আমাৰ এই মথাউৰি খিনিও সময়তকৈ আগতে যিধৰণে ভাগি যায়, তেনেকুৱা ধৰনৰ এটা অৱস্থা সৃষ্টি নহয় গৈ। সেইকাৰণে মই অনুৰোধ কৰিছো যে আমাৰ বিভাগটো আৰু অলপ কাৰ্য্যক্ষম হ'ব লাগিব। আজি যি ধৰণে জলসম্পদ বিভাগে এই নদীসমূহ নিয়নন্ত্ৰ কৰাৰ কাৰণে বা গড়া খহনীয়া প্ৰতিৰোধ কৰাৰ কাৰণে দৃষ্টি দিব লাগিছিল। ব্ৰহ্মপুত্ৰ আমাৰ বহৰিৰ পৰা বাঘবৰ লৈকে ৫ শ কোটিৰ ওপৰত এটা project লোৱাৰ কথা আজি বহুতদিনৰ পৰা চলি আছে। কিন্তু এতিয়ালৈকে সেইটো sanction হোৱা নাই। গতিকে মই আশা কৰো মন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত গুৰুত্ব দি অতি সোনকালে এই project টো sanction কৰে আৰু যদি ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে এই project ৰ কাম কৰিব পাৰে,তেনেহ'লে চাৰ ব্যাপক ক্ষতিসাধান হোৱাৰ পৰা ৰাইজ উপকৃত হ'ব। শেষত মই এটা কথাই ক'ব খুজিছো যে temporary mesurement ৰ ক্ষেত্ৰত প্ৰত্যেকটো সমষ্টিতে বিভাগক মন্ত্ৰী মহোদয়ে যাতে নিৰ্দেশনা দি দিয়ে, যিকেইটা সমষ্টিত বেচিকৈ নদী আছে তাৰ বিধায়কসকলক লগত লৈ যদি অকমান Coordination কৰে মই ভাবো চাৰ এই কামখিনি আৰু যদি মন্ত্ৰী ডাঙৰীয়াই অলপ গুৰুত্ব দিয়ে আৰু পাৰ্কুপাইনৰ ব্যৱস্থা আৰু অলপ বেছিকৈ কৰে তেতিয়া হ'লে যথেষ্ট ভাল হ'ব। তাৰ বাবে মই মাননীয় মহোদয়ক অনুৰোধ কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া শ্ৰী কৌশিক ৰায়।

**শ্ৰী কৌশিক রাই (লক্ষীপুর সমষ্টি)ঃ-** মাননীয় উপাধক্ষ মহাশয়, ঠিকাদার নিয়ন্ত্রিত বন্যা নিয়ন্ত্রণ বিভাগ থেকে আজকের দিনে জলসম্পদ বিভাগে পরিবর্তিত করে যেভাবে বিগত বছরে ভারতীয় জনতা পার্টির সরকার বন্যা নিয়ন্ত্রন করার জন্য আসামকে বন্যা মুক্ত প্রদেশ করার জন্য যেভাবে চেষ্টা করে আসছে এইজন্য বর্তমান সরকারের মুখ্যমন্ত্রী মাননীয় ড০ হিমন্ত বিশ্ব শর্মা এবং মাননীয় মন্ত্রী পীযুষ হাজারিকা মহাশয়কে অনেক ধন্যবাদ জানাই। আমরা দেখেছি, একসময় এই বিভাগ একটা ব্যমারি বিভাগ, কেলেংকারি বিভাগ ছিল এবং এই বিভাগ সম্পূর্ণ ভাবে ঠিকাদার নিয়ন্ত্রণ করতেন। তাদের একটা উদ্দেশ্য ছিল ভূয়া স্কিম নেওয়া, বন্যা নিয়ন্ত্রণ করার কোন উদ্দেশ্য ছিল না। কিভাবে স্কিম নিয়ে লুণ্ঠন করা যায় সেই উদ্দেশ্য ছিল। কিন্তু আজকের দিনে সেখান থেকে পরিবর্তন করে জলসম্পদ বিভাগের যে সঠিক উদ্দেশ্য সেই উদ্দেশ্যে কাজ হচ্ছে। আমি বলতে চাই আমাদের সরকারের যে ইচ্ছাশক্তি, যে দৃঢ় প্রতিজ্ঞা এই বন্যা নিয়ন্ত্রণের ক্ষেত্রে এখানে অনেকে বলেছেন যে ভারতীয় জনতা পার্টি বিভিন্ন ঘোযনা পত্রে বিভিন্ন সময় বলেছেন আমাদের কেন্দ্রীয় গৃহমন্ত্রী বলেছেন এবং ঠিক সেইভাবে যেভাবে ভারতীয় জনতা পার্টি বলেছে ঠিক সেইভাবেই কাজ করে আসছে। আমরা লক্ষ্য করেছি,কংগ্রেস সরকার ২০০১ সাল থেকে ২০১৫ সাল পর্যন্ত ছিল। সেই সরকারের সময় তৎকালীন বন্যা নিয়ন্ত্রণ বিভাগ ৪৮৯ কোটি টাকা খরচ করা হয়েছিল। কিন্তু বর্তমান সরকার এই তিন বছরে ২০২১সাল থেকে ২০২৪ সাল পর্যন্ত মাননীয় মুখ্যমন্ত্রী এবং মাননীয় মন্ত্রী পীযুষ হাজারিকা মহাশয়ের নেতৃত্বে ১৮৭৮ কোটি টাকা এই বন্যা নিয়ন্ত্রণে জল সম্পদ বিভাগে খরচ করেছে। যাতে আসামকে বন্যা মুক্ত করা যায়। আসামরে মানুষকে যাতে রক্ষা করা যায়। এখানেই

শেষ নয়, যেখানে কংগ্রেস সরকারের সময় ১১১৩টি ব্রিচ হয়েছিল সেই জায়াগায় এই ৮ বছরে মাত্র ২১৩ টা ব্রিচ হয়েছে। আমাদের বরাক উপত্যকার কথা বলতে চাই, যে বরাক উপত্যকায় তিনটি ব্রিচ হয়েছে কাছাড়, করিমগঞ্জ, হাইলাকান্দিতে এবছর দুবারের বন্যায় তিনটি ব্রিচ হয়েছে। এই তিনটি ব্রিচকে ৫ বছর, ১০ বছর পর বা নুতন স্কিম আসবে, কাজ করা হবে এরকম নয় সঙে সঙে মাননীয় মন্ত্রী মহোদয় সেখানে গিয়ে মেরামত করার ব্যবস্থা করে দিয়েছেন। আমি ধন্যবাদ জানাই মাননীয় মন্ত্রী মহোদয়কে, গত মে, জুন এবং জুলাই মাসে তিনবার তিনি বরাক উপত্যকায় গিয়েছেন গিয়ে প্রত্যেকটি ব্রিচে সেগুলোকে কিভাবে মেরামত করা যায় সেই ব্যবস্থা করে দিয়েছেন। আজ অনেকেই অনেক কথা বলেছেন যে অনেক এলাকাতে কাজ হয়নি। এখানে বিরোধী থাকা বকো সমষ্টিতেও ২৮৯ কোটি টাকার কাজ আজকের দিনে চলছে। আগে প্রটেকশনের কাজ কত ছিল আর আজকের দিনে কত আছে সেটাও মনে হয় আমাদের জানার প্রয়োজন আছে। এই বিভাগ যেভাবে কাজ করে যাচ্ছে প্রত্যেকটি বিষয়ে বান নির্মাণের ক্ষেত্রে যদি আমরা লক্ষ্য করি ২০০১ সাল থেকে ২০১৫ সাল পর্যন্ত ১৫ কিমি নুতন বাঁধ নির্মাণ করা হয়েছিল। আমাদের বর্তমান সরকারে সময় প্রায় ২০০ কিমি ইতিমধ্যে নির্মাণ হয়েছে আরো ২২৭ কিমি নুতন বাঁধ নির্মাণ করার পরিকল্পনা নিয়েছেন। আমি যে বিধানসভা সমষ্টি লক্ষীপুর সমষ্টি থেকে প্রতিনিধিত্ব করি সেখানে ২০-২৫ বছর আগে সিঙিরবন এলাকা বলে একটি এলাকা আছে অত্যন্ত পুরনো মনিপুরি গ্রাম, সেই এলাকাতে ব্রিচ হয়েছিল নদী ইরোশন হয়েছিল। কিন্তু আমরা লক্ষ্য করেছি বার বার সরকারের কাছে তারা মেমোরেন্ডাম দিয়েছেন দাবি জানিয়েছেন কিন্তু সম্ভব হয়নি। ভারতীয় জনতা পার্টির সরকার আসার পর সঙে সঙে সেখানে ৮ কোটি টাকা দেওয়া হয়েছে। পরবর্তীতে মাননীয় মন্ত্রী সেখানে গিয়ে আরো ৫ কোটি টাকা মঞ্জুর করেছেন। সেই গ্রামের মানুষ গ্রাম ছেড়ে চলে গিয়েছিলেন তারা আবার গ্রামে ফিরে স্বস্থিতে বসবাস করছেন । আমরা সবাই জানি, **২০২২** সালে শিলচর শহরে মেনমেড্ ফ্লাডের কথা। যেভাবে বেথুকান্দি বাঁধ ভেঙে দেওয়া হয়েছিল শিলচরের মানুষ প্রায় **১৫** দিন জলের তলায় ছিলেন। একটা সময় ছিল যখন মূখ্যমন্ত্রী, মন্ত্রীরা হেলিক্যাপ্টারের মাধ্যমে বন্যা পরিদর্শন করতে গিয়েছিলেন। আমাদের মাননীয় মূখ্যমন্ত্রী মহোদয় সেখানে গিয়ে জলে নেমে মানুষের পাশে দাড়িয়েছিলেন এবং বেথুকান্দি বাঁধ নির্মাণের কাজ করেছিলেন। আমার বিধান সভা সমষ্টিতে জিরি নদী, চিরি নদী এবং বরাক নদীর মাধ্যমে বিভিন্ন জায়গাতে ইরোশন হয়েছে। সেটা কনকপুর হোক, জয়পুর হোক,সেটা শিঙিরবন, দেবপাড়া, রামশিং গ্রাম, নয়াগ্রাম, ফুলেরতল লক্ষীপুর শহর অনেক জায়গা হয়েছে। এজন্য আমার অনুরোধ এই বিভাগকে যদি বন্যা নিয়ন্ত্রণ করতে হয়, ইরোশন যদি কন্ট্রল করতে হয় এই বিভাগে আরও অর্থ বরাদ্দ করার প্রয়োজন আছে। এই বিভাগকে যাতে আমরা শক্তিশালী করতে পারি সেটাই অনুরোধ রাখছি । আমি মাননীয় মূখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মা মহাশয়, মাননীয় মন্ত্রী শ্রী পীযুষ হাজারিকা মহাশয় যেভাবে **২৪*৭** বন্যা নিয়ন্ত্রণের জন্য কাজ করছেন তাদেরকে ধন্যবাদ জানাই এবং বিরোধীর কর্তন প্রস্তাবের বিরোধীতা করে আমি আমার বক্তব্য শেষ করছি।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য নুৰুল হুদা। ৫ মিনিট সময়ত সমাপ্ত কৰিব।

**শ্রীনুৰুল হুদা, (ৰূপহীহাট)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, জলসম্পদ বিভাগৰ কৰ্তন প্ৰস্তাৱৰ সপক্ষে মই কবলৈ ওলাইছো আৰু আৰম্ভণিতে অনুৰোধ কৰিম আমাৰ সন্মানীয় সদস্য ভূৰন পেগু ডাঙৰীয়া আৰু দুই তিনি জনে কৈছে কথাটো যে কংগ্ৰেছৰ দিনত ৬০ঃ৪০ ৰেচিঅ'ত কাম বিলাক হৈছিল, এই কথাটো সত্যৰ আধাৰত নহয়। গতিকে আজিৰ কাৰ্যবিৱৰণীত এইটো লিপিবদ্ধ হ'ব

নালাগে। কাৰ্যবিৱৰণীৰ পৰা বাদ দিয়াৰ কাৰণে মই উপাধ্যক্ষ মহোদয়ক অনুৰোধ জনাইছো।

**माननीय উপাধ্যক্ষ** ঃ আপোনাৰ কথাখিনি ৰাখক, এইটো দিবেড দুয়োফালৰ পৰা কোৱা হ'ব।

**শ্ৰীনুৰুল হুদা** ঃ উপাধ্যক্ষ মহোদয়, এই সময়ত জলসম্পদ বিভাগৰ আটাইতকৈ ডাঙৰ সমস্যা হৈছে গড়াখহনীয়া, এই গড়াখহনীয়াই অসমত ১২৫৭০৪১ টা পৰিয়ালক ভূমিহীন কৰিছে। আজি যদি চাই এই গড়াখহনীয়াৰ কাৰণে প্ৰায় ১৪০৪ খন গাঁও, ৪৩২ খন গাঁও সম্পূৰ্ণ ৰূপে আৰু ৯৭২ খন গাঁও বেছিভাগে বিভিন্ন নদীৰ বুকুত জাহ গৈছে। যাৰ ফলত মানুহ বিলাক ভূমিহীন হৈ এই ১২৯৭০৪১টা পৰিয়ালৰ ভূমিহীনৰ সৃষ্টি হৈছে। এই গড়খহনীয়া যি বিলাক হয়, আগতেও মই এই সদনত কৈ আহিছো গড়াখহনীয়া হোৱাৰ লগে লগে যি জন ব্যক্তিৰ মাটি গড়াখহনীয়া হৈছে সেই জনক এটা চৰ্টিফিকেট দিব লাগে যে তেওঁৰ মাটিতো গড়াখহনীয়াত জাহ গৈছে। কিন্তু সেই চাৰ্টিফিকেটতো এতিয়ালৈকে দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। গতিকে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম, যে আমাৰ প্ৰত্যেক খন জিলা আয়ুক্তক যেন এইটো নিৰ্দেশ দিয়া যে গড়াখহনীয়া গ্ৰস্থ হোৱাৰ লগে লগে তেওঁক এখন চাৰ্টিফিকেট দিব লাগে যে গড়াখহনীয়াত তেওঁৰ সম্পত্তি গৈছে। এই গড়াখহনীয়াৰ ফলত মোৰ ৰূপহী সমষ্টিত ২০১৩ চনৰ পৰা ২০২৩ লৈকে ৩ নং ভুৰবন্ধা গাঁৱৰ ২০০ পৰিয়াল, ১ নং আৰু ২ নং ভুৰবন্ধা গাঁৱৰ ১৫৭ টা পৰিয়াল ৪ ৰ পৰা ৬, ৭ নং বগামুখ গাঁৱৰ ২২৩ পৰিয়াল মুঠতে ৫৮০ টা পৰিয়াল গড়াখহনীয়া গ্ৰস্থ হৈছে সম্পূৰ্ণ মাটিবাৰী ব্ৰহ্মপুত্ৰ নদীৰ বুকুত জাহ গৈছে। ইয়াৰোপৰিও এইটো হ'ল চামুগুৰী ৰাজহ চক্ৰৰ, চামুগুৰী ৰাজহ চক্ৰৰ এলেকাত ভুৰবন্ধা, বগামুখৰ ৫৮০ টা পৰিয়াল আৰু কলিয়াবৰ ৰাজহ চক্ৰৰ ২ নং, ৩ নং বৰঘুলিত ৫৫৩ টা পৰিয়াল, মুঠতে ১১৩৩ টা পৰিয়াল গড়াখহনীয়াত গ্ৰস্ত হৈ ভূমিহীন হৈছে। তেওঁলোকৰ এতিয়া থাকিবলৈ ঠাই নোহোৱা হৈছে। তেওঁলোকৰ নিজৰ কোনো এতিয়া মাটি নাই। গতিকে এই সকলে চৰকাৰৰ পৰা কোনো ধৰণৰ সুবিধা পোৱা নাই। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে গড়াখহনীয়া গ্ৰস্ত ১১৩৩ টা পৰিয়ালক তেওঁলোকৰ সম্পত্তি আৰু গৃহৰ ব্যৱস্থা যাতে কৰি দিয়ে তাৰ কাৰণে মই অনুৰোধ জনাইছো। ইয়াৰ উপৰিও ২০২০-২১ চনত এটা বৰগলি ৰিংবান্ধ হৈছে, পূৰ্বৰ যিটো মথাউৰী ৰিংবান্ধ আছিল ব্ৰহ্মপুত্ৰ নদীয়ে খহাই লৈ গ'ল। তাৰ পিছত নতুনকৈ ২০২০-২১ চনত এটা ৰিংবান্ধ হৈছে। আৰু সেই ৰিংবান্ধত ১৩৫ টা পৰিয়ালৰ ৮০ বিঘা ৩ কঠা মাটি অধিগ্ৰহণ কৰিছে। কিন্তু অধিগ্ৰহণ কৰা সময়ত তেওঁলোকক ক্ষতিপূৰণ দিয়াৰ কথা কৈছিল। কিন্তু আজিলৈকে ক্ষতিপূৰণ পোৱা নাই। মই আজিও মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো যে এই যি সকল ১৩৫ টা পৰিয়ালৰ এই ৮০ বিঘা ৩ কঠা মাটিৰ তেওঁলোকক যাতে মূল্য দিয়ে আৰু সেই মূল্য লৈ যেন তেওঁলোকে ভালকৈ বেলেগত মাটি লৈ ঘৰ-বাৰী সজাই বসাবাস কৰিব পাৰে। উপাধ্যক্ষ মহোদয়, এই সমস্যাটো বহু পূৰণি সমস্যা।

**মাননীয় উপাধ্যক্ষ** ঃ চমুৱাই দিব, আপোনাৰ সময় শেষ হৈছে।

**শ্ৰীনুৰুল হুদা** ঃ ২০১৮ চনত ২০১৯ চনত এই সদনত আমাৰ ধিং ৰাজহ চক্ৰ আৰু বোৱামাৰী আৰু সুতৰ গাঁও গড়াখহনীয়া গ্ৰস্থ লোক সকলে মঠাউৰীত বসাবাস কৰি আছিল, সদনত উত্থাপন কৰাৰ পিছত দুবাৰ উত্থাপন হৈছিল আৰু সেই সময়ৰ অধ্যক্ষ মহোদয়ে সেই সময়ৰ জলসম্পদ বিভাগৰ মন্ত্ৰী আৰু ৰাজহ মন্ত্ৰীয়ে মোৰ লগত আলোচনা কৰি ১১৩ টা পৰিয়ালক সংস্থাপন দিয়াৰ কাৰণে কৈছিল আৰু আলোচনাটো হ'ল।

**মাননীয় উপাধ্যক্ষ** ঃ Please conclude.

**শ্ৰীনুৰুল হুদা ঃ** কিন্তু আগৰ মন্ত্ৰীয়ে কথা দিছিল। যদি তেওঁলোকক মাটি দিব নোৱাৰো তেতিয়াহলে ২ লাখ ৫০ হাজাৰ কৈ টকা মাটি কিনাৰ বাবত তেওঁলোকক দিয়া হ'ব। কিন্তু আজিলৈকে এইটো দিয়া নহ'ল। গতিকে আপোনাৰ জৰিয়তে এই বিষয়টো মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে সমস্যাটো সমধান কৰি দিয়ে। এই গড়াখহনীয়াৰ কাৰণে যিটো সমস্যাৰ সৃষ্টি হৈছে যদি এই গড়াখহনীয়া একেবাৰে ৰোধ কৰা নহয় তেতিয়াহলে এনেকৈ আমাৰ ভূমিহীনৰ সংখ্যা বাঢ়ি যাব। আৰু যতে ততে গৈ মাটি দখল কৰিব, উচ্ছেদ কৰিব, বে-দখল কাৰী কব, এই বিলাক বন্ধ কৰিব লাগে। সেই সময়ত বন্ধ হ'ব যিটো সময়ত তেওঁলোকক গড়াখহনীয়া ৰোধ কৰি এই মানুহ সকলক সংস্থাপনৰ ব্যৱস্থা কৰিব তেতিয়াহে আমাৰ ঠিকমতে কামখিনি হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। পৰৱৰ্তী মাননীয় সদস্য নৱ কুমাৰ দলে। অনুগ্ৰহ কৰি ৫ মিনিটত আপুনি সমাপ্ত কৰিব।

**শ্ৰীনৱ কুমাৰ দলে ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, জলসম্পদ বিভাগলৈ ধন মঞ্জুৰীৰ ক্ষেত্ৰত বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতাৰে মই মোৰ বক্তব্য আগবঢ়াব বিচাৰিছো। আমি সকলোৰে এই সম্পৰ্কে জ্ঞাত যে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ শক্তিশালী নেতৃত্বত বৰ্তমান ৰাজ্য চৰকাৰ খনে দায়িত্ব লোৱাৰ পিছৰে পৰা ৰাজ্য খনৰ দীৰ্ঘ দিনিয়া জটিল সমস্যা সমূহক অতি গুৰুত্ব সহকাৰে গ্ৰহণ কৰি ইয়াক সমধানৰ বাবে আন্তৰিক প্ৰচেষ্টা অব্যাহত ৰাখিছে। বান আৰু খহনীয়া সমস্যা হৈছে ৰাজ্য খনৰ এক দীৰ্ঘ দিনিয়া অন্যতম প্ৰধান সমস্যা। প্ৰতি বছৰে বাঢ়নি পানী আৰু খহনীয়াই ৰাজ্য খনৰ কৃষি, অৰ্থনীতি আৰু ৰাইজৰ জীৱন সম্পত্তিৰ বিস্তৃত ক্ষতিসাধন কৰি আহিছে। বৰ্তমান চৰকাৰ খনৰ কাৰ্যকালত বান আৰু খহনীয়া সমস্যা সমধানৰ ক্ষেত্ৰত যোগান্তকাৰী পৰিবৰ্তন অনাৰ প্ৰয়াস কৰা হৈছে। এই ক্ষেত্ৰত বান আৰু খহনীয়াৰ প্ৰকৃত কাৰণ বিচাৰি উলিয়াই ইয়াৰ বিজ্ঞান সন্মত সমধানৰ বাবে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰা হৈছে। বৰ্তমান ৰাজ্য চৰকাৰ খনে ৰাইজৰ জীৱন সম্পত্তি সুৰক্ষাৰ স্বাৰ্থত বান আৰু খহনীয়াৰ সমস্যা সমধানৰ বাবে যিবোৰ সময়উপযোগী শক্তিশালী পদক্ষেপ গ্ৰহণ কৰা হৈছে সেয়া স্বাধীনোত্তৰ কালত বিৰল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত আমাৰ চৰকাৰে বানমুক্ত অসম গঢ়াৰ সংকল্প লৈছে। ইয়াৰ বাবে মথাউৰী নিৰ্মাণৰ দৰে পৰম্পৰাগত বান প্ৰতিৰোধ ব্যৱস্থাৰ পৰা কিছু আতৰি বিজ্ঞান সন্মত তথ্য আৰু অধ্যয়ণেৰে আমাৰ চৰকাৰ খনে এক সৰ্বাংগিন আৰু সংসত জলসম্পদ ব্যৱস্থা পৰিচালনাৰ জৰিয়তে এই দূৰ্যোগ প্ৰতিৰোধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বান পানীয়ে দিশ সলনি কৰাৰ বাবে ব্ৰহ্মপুত্ৰৰ সৈতে জলাশয় সমূহ সংলগ্নকৰণৰ এই নতুন পদ্ধতি। বান প্ৰতিৰোধৰ ক্ষেত্ৰত এক নিশ্চিতভাবে যোগান্তকাৰি পদক্ষেপ। বাননিয়ন্ত্ৰনৰ বাবে মঠাউৰি নিৰ্মাণৰ নিয়মিয়া ব্যৱস্থাৰ উপৰিও ই হৈছে এক অতিৰিক্ত ব্যতিক্ৰমি বিজ্ঞানসন্মত কাৰ্য্যব্যৱস্থা. আমাৰ চৰকাৰৰ বিগত ৩ টা বছৰত ২০৪ কিঃ মিঃ নতুন মঠাউৰি নিৰ্মাণ, ১১০০ কিঃ মিঃ তকৈও অধিক বৰ্তমান থকা মঠাউৰিৰ উচ্চতা বৃদ্ধি আৰু শক্তিশালি কৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ উপৰিও আমাৰ চৰকাৰখনে ১০০০ কিঃ মিঃ মঠাউৰি পথ মঠাউৰি লৈ উন্নিতকৰণৰ বিৰল পদক্ষেপ গ্ৰহণ কৰিছে। মই এইখিনিতে উল্লেখ কৰিব বিচাৰিছো, এই শক্তিশালি পদক্ষেপৰ জৰিয়তে আমাৰ মাজুলীৰ পৰা ডিব্ৰুগড়লৈ সংলগ্ন শ্ৰী শ্ৰী টেকেলিপোটা মঠাউৰি পকীকৰণ, পকী পথলৈ উন্নিত কৰাৰ ফলত মঠাউৰিৰ সুৰক্ষা অধিক শক্তিশালি হৈ উঠাৰ লগতে মাজুলী, ঢকুৱাখানা, মাটমৰা, ধেমাজি, বগীবিল দলং হৈ ডিব্ৰুগড়লৈ দূৰত্ব বহু পৰিমানে কমি যোৱাৰ বাবে যাতায়ত সুচল হৈ উঠিছে আৰু ব্যৱসায় বানিজ্য, পৰ্য্যটনৰ ক্ষেত্ৰটো বিশাল সম্ভৱনাৰ দুৱাৰ মুকলি কৰা হৈছে। অসম

চৰকাৰৰ জলসম্পদ বিভাগটোৱে যোৱা তিনিটা বিত্তীয় বৰ্ষত নাবাৰ্ড SOPD ৰ FDR, নাবাৰ্ড, SDRF আদি পুঁজিৰে প্ৰায় চাৰে তিনি হাজাৰ কোটি টকা ব্যয়ৰে বান আৰু খহনীয়া প্ৰতিৰোধ তথা বিভিন্ন আন্তঃগাঠনি উন্নয়নৰ বাবে ৬৩৭ ত খনতকৈ অধিক আঁচনি ৰূপায়ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ২০২৪-২৫ বিত্তীয় বৰ্ষত নাবাৰ্ড, RIDF ৰ অধীনত ২২৫ কিঃ মিঃ নতুন মঠাউৰি নিৰ্মাণৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে খহনীয়াত হোৱা স্থান সমূহৰ খবৰ পোৱা মাত্ৰকে তাৎক্ষনিক ভাৱে জিঅ' বেগ আৰু পাৰ্কোপাইনৰ জৰিয়তে প্ৰতিৰোধী ব্যৱস্থা গঢ়ি তোলাৰ বাবে জলসম্পদ বিভাগে গ্ৰহণ কৰা পদক্ষেপে ৰাইজক বিশেষ সকাহ দিবলৈ সক্ষম হৈছে। জলসম্পদ বিভাগৰ মাননীয় মন্ত্ৰী পিযুষ হাজৰিকাৰ নেতৃত্বত বিভাগে ৰাজ্যখনত বান আৰু খহনীয়া প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰি অহা সময় উপযোগী আৰু তৎকালিন পদক্ষেপ নিশ্চত ভাৱে প্ৰশংসনীয়। আমি এক সময়ৰ বান বিধস্ত ঢকুৱাখানা সমষ্টিৰ প্ৰতিনিধি। ৯০ দশকৰ পিছৰ ফালে ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে ঢকুৱাখানাত কেতবোৰ বিভিষিকাময় পৰিবেশ সৃষ্টি কৰিছিল, সেয়া আমি সকলোৱে জানো। এই বাঢ়নী পানীয়ে ঢকুৱাখানাৰ মাটমৰাৰ কেইবাখনো গাওঁ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱাৰ লগতে হাজাৰ হাজাৰ বিঘা কৃষিভূমি নদীৰ বুকুত জাহ গৈ নিচিহ্ন হ'ল। আমাৰ আপোন গাওঁখনো এই বানত ব্ৰহ্মপুত্ৰৰ বুকুত নিচিহ্ন হ'ল। এসময়ত শস্যশ্যামলা ঢকুৱাখানাৰ মাটমৰাত এই বাঢ়নী পানীয়ে কেৱল বালিময় এক অঞ্চললৈ ৰূপান্তৰ কৰিলে। কিন্তু এতিয়া এই পৰিবেশ সলনি হৈছে। ঢকুৱাখানাত আজি বান বিভিষিকা নাই। বান আৰু খহলীয়া প্ৰতিৰোধৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা শক্তিশালি পদক্ষেপৰ ফলত আজি বাৰিষাৰ সময়তো বান মুক্ত হৈ ঢকুৱাখানাৰ ৰাইজে স্বাভাৱিক জীৱন অতিবাহিত কৰিবলৈ সক্ষম হৈছে। সেই দৰে মাটমৰাৰ পূৰ্বৰ পৰিবেশ ক্ৰমান্বয়ে ঘুৰি আহিছে। কেৱল ঢকুৱাখানা বুলিয়েই নহয়, এসময়ৰ বাঢ়নী পানীয়ে বছৰি সৰ্বাধিক ক্ষতিগ্ৰস্থ কৰা ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ বৃহত্তম অঞ্চল শক্তিশালি বান প্ৰতিৰোধী ব্যৱস্থা গঢ়ি তোলাৰ ফলত আজি বাৰিষাৰ সময়তো এই অঞ্চল সুৰক্ষিত হৈ আছে। বিগত প্ৰায় ৮ টা বছৰত আমাৰ চৰকাৰৰ জলসম্পদ বিভাগৰ অধীনত ঢকুৱাখানা বিধান সভা সমষ্টিত বান আৰু গড়াখহনীয়া প্ৰতিৰোধ হোৱাৰ বাবে ৩৩ খনতকৈ অধিক সৰু বৰ আঁচনি ৰূপায়ন কৰা হৈছে। যাৰ ফলত ঢকুৱাখানাত বান প্ৰতিৰোধী ব্যৱস্থাক শক্তিশালি ৰূপত প্ৰতিষ্ঠা কৰা হৈছিল। এই খিনিতে মই উল্লেখ কৰিব পাই আনন্দিত হৈছো যে শ্ৰী শ্ৰী টেকেলিপোটা মঠাউৰি ঢকুৱাখানা বিধান সভা সমষ্টিৰ ভিতৰত ২১ কিঃ মিঃ অংশ ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধৰ বাবে বিশ্ববেংকৰ পুঁজিৰে এক অভিলাষি আঁচনি ৰূপায়ণৰ বাবে বৰ্তমান জৰীপৰ কাম চলি আছে আৰু মঠাউৰি সুৰক্ষাৰ স্বাৰ্থত এই আংচনি খৰটকীয়াকৈ ৰূপায়ন কৰাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে আমাক আশ্বষ্ট কৰিছে। ঢকুৱাখানাক বান মুক্ত কৰাৰ বাবে আমাৰ প্ৰতিটো আহ্বানৰ সময়ত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ সময়ত ৰাইজক উপকৃত কৰা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু জলসম্পদ বিভাগৰ মাননীয় মন্ত্ৰী ডাঙৰীয়ালৈ ঢকুৱাখানা সমষ্টিবাসী ৰাইজৰ হৈ মই এই সুযোগতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয় এই খিনিতে জলসম্পদ বিভাগক মই দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে আমাৰ সমষ্টিৰ কেতবোৰ অঞ্চলৰ নৈৰ পূৰ্বৰ গতি পথ সলনি হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ ফলত সমস্যা উৎভৱ হোৱাৰ আশংকা আছে। এই গতিপথ সলনি হোৱা স্থানত নৈক পূৰ্বৰ গতিপথৰে প্ৰবাহিত কৰাৰল বাবে জলসম্পদ বিভাগে ব্যৱস্থা গ্ৰহণ কৰিব বুলি আমি আশা কৰিছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ শক্তিশালি নেতৃত্বত অসমত বান খহনীয়া মুক্ত কৰাৰ বাবে চলাই অহা এই প্ৰচেষ্টাই আহিবলগীয়া দিনবোৰত আৰু অধিক যোৰদাৰ হওঁক, সেয়া আমি অনুভৱ কৰি জলসম্পদ বিভাগলৈ

মঞ্জুৰীৰ ক্ষেত্ৰত বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে সেয়া তেখেত সকলে প্ৰত্যাহাৰ কৰিব লাগে আৰু আমাৰ জলসম্পদ বিভাগলৈ আৰু অধিক পুঁজি আৱন্টনেৰে যাতে অনাগত দিনত জলসম্পদ বিভাগৰ আঁচনি সমূহক যাতে খৰতকীয়াভাবে ৰূপায়ন কৰাৰ ক্ষেত্ৰত যাতে ব্যৱস্থা গ্ৰহণ কৰে, এয়া আশা ৰাখি মোৰ বক্তব্য সামৰিছো, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া মাননীয় বিধায়ক আশ্ৰাফুল হুছেইন, আপোনালোকৰ ৬ মিনিট মানহে সময় বাকী আছে।

**শ্ৰী আশ্ৰাফুল হুছেইন,(চেঙা)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি কৰ্তন প্ৰস্তাৱৰ সপক্ষে আমাৰ এই বক্তব্য. মহোদয় এই বিভাগটো অতি গুৰুত্বপুৰ্ণ আৰু অসমৰ প্ৰায় আটাইবোৰ জিলাত এই বিভাগৰ কাম-কাজ চলে । বিশেষভাৱে ব্ৰহ্মপুত্ৰ নদীখনত এই বিভাগৰ বহুখিনি কাম-কাজ চলে। তাৰ কাৰণো হৈছে ১৯৫৪ চনৰ পিছৰ পৰা ৫০ বছৰৰ তথ্য ছোৱা যায় , দেখা যায় যে অসমৰ মুঠ মাটি কালিৰ প্ৰায় ৭ শতাংশ মাটি ব্ৰহ্মপুত্ৰ বা অন্যান্য নদীয়ে খহাই নিছে। তাৰ পৰৱৰ্তী আৰু ২০ টা বছৰত আৰু প্ৰায় ৪-৫ শতাংশ হ'ব চাগে। প্ৰায় ১১ শতাংশ মাটি চাগে এই ৰাজ্যৰ নদীত জাহ গৈছে। মহোদয়, আজি বিধান সভাত প্ৰায় ১২ বিভাগৰ প্ৰশ্ন আছিল। তৰা চিহ্নিত ২০ প্ৰশ্নৰ ভিতৰত ১০ টা প্ৰশ্নই কিন্তু এই জলসম্পদ বিভাগক কেন্দ্ৰ কৰি বিধায়ক সকলে তুলিছে। তাৰ মানে কথা বতৰাৰ যোগেদি এইটোৱে কয়, যে এই বিভাগটো যথেষ্ট গুৰুত্বপুৰ্ণ আৰু ইয়াতে মানুহৰ সমস্যাও যথেষ্ট। সেই কাৰণে গুৰুত্ব সহকাৰে সকলোৱে এই বিভাগটোৰ ওপৰত প্ৰশ্ন দিছে। মহোদয় আপুনি জানে আমি যি ঠাইৰ পৰা আহিছো সেই এলেকা সমূহ যথেষ্ট পৰিমানে গড়াখহনীয়া পিড়িত । আজি মই চেঙা সমষ্টিত প্ৰতিনিধিত্ব কৰো। চেঙা সমষ্টি নদীৰ দুয়োপাৰে প্ৰবল গড়াখহনীয়া আৰু প্ৰায় উত্তৰে ২০-২২ কিঃ মিঃ আৰু ব্ৰহ্মপুত্ৰ দক্ষিণে ২০-২২ কিঃ মিঃ এলেকা। সেই এলেকাটোত কেইবাটাও ঠাইত বহুত বেছি পৰিমানে গড়াখহনীয়া হৈ থাকে আৰু বহৰি বাঘবৰ যি মঠাউৰি আছে এই মঠাউৰিৰ বৌ মাৰিৰ পৰা আৰম্ভ কৰি যিমানখিনি এলেকা চেঙা সমষ্টিত পৰে এই ঠাইত সমপ্ৰতি যথেষ্ট গড়াখহনীয়া হৈ আছে আপোনালোকে জানে, মন্ত্ৰী মহোদয় নিশ্চিত ভাৱে অৱগত তেওঁক মই বিভিন্ন সময়ে সময়ে অৱগত কৰিছো। আজি বহৰি বাঘবৰ মঠাউৰি এলেকাত গড়াখহনীয়া প্ৰতিৰোধৰ বাবে বিগত ১০ বছৰত, ২০১৩ চনৰ পৰা ২০২৩ চনলৈকে প্ৰায় ৫১ কোটি ৪২ লাখ টকা, ৫১ কেটি টকা বৰ্তমান ২০২৩ চনলৈকে ২০১৩ চনৰ পৰা খৰচ কৰা হৈছে। বিগত দুই বছৰটো প্ৰায় ২০ -২৫ কোটি টকা খৰচ কৰা হৈছে। কিন্তু তাৰ পিছতো এই আটাইখিনি এলেকাত একেটা সময়তে গড়াখহনীয়া প্ৰতিৰোধ কিন্তু সম্ভৱ হোৱা নাই। যদি ক'ৰবাত চেগা-চোৰোকাকৈ কৰা হৈছে ১০ কোটি, ৫ কোটি, ৩ কোটি এনেকুৱাকৈ কৰা হৈছে। কিন্তু তাৰ permanent solution টো কিন্তু অহা নাই। অৰ্থাৎ এই ঠাইখিনিত গড়াখহনীয়া প্ৰতিৰোধৰ কাৰণে সচাঁ অৰ্থত এটা permanent protection ৰ প্ৰয়োজনীয়তা আছে। যিটো ডাঙৰ কাম হ'ব লাগিব যাৰ জৰিয়তে নদীৰ চেনেলটো সলনি কৰিব পৰা যায়। সেই অনুযায়ী Bahari to Baghbar including protection of Bahari and its adjoining areas along with channelization of river Brahmaputra and reclamation of eroded land within the area এই নামেৰে এটি আঁচনি ২০১৭ চনত PAC ত পাছ কৰা আৰু তাৰ পৰৱৰ্তী সময়ত এই আঁচনিৰ সম্পৰ্কে কোনো আলাপ আলোচনা নাই ২০২২ চনত CWC য়ে আকৌ চিঠি পঠিয়ালে আমাৰ ৰাজ্যচৰকাৰলৈ। আকৌ সেই আঁচনিখন ২০২৩ চনত ৮৬ নং PAC ত ৰিভাইচ কৰি, ৰিভিউ কৰি ৫১৩ কোটি টকাৰ এটা আঁচনি তেওঁলোকে যুগুট কৰি আকৌ

CWC লৈ পঠিয়াইছে। নিশ্চিত ভাৱে চৰকাৰৰ এই পদক্ষেপক আমি আদৰণি জনাম। তেওঁলোকে ২০২২ চনৰ পৰা ২০২৩,২০২৪ চনলৈ এই আঁচনিখন লৈ আগুৱাই গৈছে আমি আশা কৰিম নিশ্চিত ভাৱে আমাৰ যি আকাংক্ষিত লক্ষ্য স্থান এই এলেকাটোক protection দিব লাগে। এই ঠাইত বহৰী সত্ৰ, বৈঠাপোটা সত্ৰ, ইয়াত বহৰী বজাৰ আৰু হাজাৰ হাজাৰ মানুহৰ বসতি আছে। গতিকে ইয়াত যদি মথাউৰি চিঙি যায় তেতিয়া বৰপেটা চহৰখনলৈকে পানী গুছি যাব পাৰে। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, আমি আশা কৰিম যে চৰকাৰে এই আঁচনিখন অতি সোনকালে বাস্তৱত ৰূপায়িত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব। যোৱা বিধান সভাত মাননীয় মন্ত্ৰী মহোদয়ে ADB ৰ আঁচনিক লৈ আমাৰ এই একেখন ঠাইৰে আলোচনা হৈছিল। ADB ৰ আঁচনি খনকলৈ উচ্চতম ন্যায়ালয়ত এটা কেচ হোৱাৰ কাৰণে সেই একেটা পৰ্য্যায়ত থকা অন্যান্য স্কীম সমূহৰ চেংচন হৈ ইতিমধ্যে কাম হৈ আছে। কিন্তু আমাৰ এই এলেকাত কাম হোৱা নাছিল গুৱাহাটী উচ্চ ন্যায়ালয়ত এটা কেচ হোৱাৰ কাৰণে। আমি আশা ৰাখিছো যে মাননীয় মন্ত্ৰী মহোদয়ে আজিৰ তেখেতৰ বক্তব্যত বিশেষভাৱে বহৰী, বাঘবৰ মথাউৰিক কেন্দ্ৰ কৰি যিমানখিনি গৰাখহনীয়া আছে এইক্ষেত্ৰত আগৰ ADB ৰ আঁচনিৰ লগতে PIL আঁচনিখন আৰু ৫ কোটি ১৩ লাখ টকাৰ যি আঁচনি এই সম্পৰ্কে বিশদ ভাৱে আলোচনা কৰিব। মাননীয় উপাধ্যক্ষ মহোদয়, চেঙা সমষ্টিৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰতো অনুৰূপ ধৰণৰ গৰাখহনীয়া আছে। মোৰ দুখ লাগিছে যে এই সদনত আমি কেইবাবাৰো এই সম্পৰ্কে উল্লেখ কৰিছো। কিন্তু ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰ আৰু তাত গাইড নথকাৰ কাৰণে বিভিন্ন সময়ত কাম সমূহ হৈ নুঠে। কাচুমাৰা, ম'হচৰা এই অঞ্চলটোক গৰাখহনীয়াৰ ফলত বিগত ২-৩ টা বছৰে ডাঙৰ বজাৰ, যি বজাৰৰ পৰা আমি বছৰত কমেও ৭০-৮০ লাখ পযন্ত খাজনা আহৰণ কৰো। ডেৰ বছৰ আগত চেংচন হোৱা ৯ কোটি টকাৰ ৰাস্তা ভাঙি গৈছে। ৫ কোটি টকাৰ স্কুলৰ গৃহ বনোৱা গৈছে, এই স্কুলৰ গৃহ আজি ভাবুকিৰ সন্মুখীন হৈছে। গোটেই এলেকাটোৰ শ শ মানুহ গৃহহীন হৈছে। মই আশা ৰাখিছো যে মন্ত্ৰী মহোদয়ে তালৈ এবাৰ যাব। তেখেত এবাৰ চেঙা সমষ্টিলৈ গৈছিল। ৫ কোটি টকা তাত দিয়াৰ কথা আমি শুনিবলৈ পাইছো। আমি আশা ৰাখিছো যে কচুমাৰা, ম'হচৰাৰ এখন ডেৰশ-দুশ মিটাৰ ব্ৰহ্মপুত্ৰ এটা সুতিয়ে এনে ধৰণৰ এটা প্ৰলয়ঙ্কাৰী স্থিতি লৈছে যে বজাৰ, ঘাট, দোকান, মানুহৰ বসতি আদি সকলোতে এটা হাহাঁকাৰ সদৃশ পৰিবেশৰ সৃষ্টি কৰিছে। এই ঠাইত যদি আমি সন্মূখত মথাউৰি বা sluise gate ৰ ব্যৱস্থা কৰে আমি এই সমস্যাটোৰ পৰা পৰিত্ৰাণ পাম। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে এই গোটেই বিষয় বিলাকক সামৰি যাতে ইয়াৰ এটা সু-উত্তৰ দিয়ে তাৰ প্ৰতি অনুৰোধ কৰি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱ সমৰ্থন কৰিছো আৰু কৰ্তন প্ৰস্তাৱৰ সমৰ্থন দুআষাৰমান কথা ক'বলৈ লৈছো। মোৰ নতুন যিটো সমষ্টি, মাননীয় বিধায়ক ফণীধৰ তালুকদাৰ ও আছে। আমাৰ সমষ্টিটোৰ মাজেৰে বেকী নামৰ এখন বিশাল নদী বৈ গৈছে আৰু দুখন সৰু নদী পল্লা আৰু পহুমৰা বৈ গৈছে। বেকী নদীত ইতিমধ্যে ৪০০ কোটি টকাৰ এখন আঁচনি ৰূপায়িত হৈ আছে। তাৰ বাবে মই আমাৰ মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। তাৰ প্ৰথম পৰ্য্যায়ৰ এপ্ৰ'নৰ কামখিনি হৈছে। গোটেই আঁচনিটো সম্পূৰ্ণ হৈ উঠিলে নিশ্চয়কৈ বেকী নদীৰ পৰা সৰভোগৰ পাৰ্টটোত যিটো গৰাখহনীয়া হৈছে তাৰ পৰা আমি মুক্ত হ'ম। কিন্তু ৰাজ্যখন বানপানীৰ কৱলৰ পৰা মুক্ত হ'ব বুলি মই ভবা নাই। কাৰণ বানপানী ভয়ংকৰ অভিশাপ ৰূপে আমাৰ ৰাজ্যখনত আছে। যদিও মাজে মাজে ট্ৰেজাৰী বেঞ্চৰ

পৰা অসমক বানপানী মুক্ত অসম বা বানপানী দুঃস্বপ্ন নহয় এনে ধৰণৰ কমেণ্ট পাওঁ। তথাপি কৈছো বানপানী এক ভয়ংকৰ সমস্যা আৰু ইয়াক মোকাবিলা কৰাৰ বাবে জলসম্পদ বিভাগে যিধৰণে উদ্যোগ লৈছে মই তাৰো প্ৰশংসা কৰিছো। কিন্তু কিছুমান কথাত আৰু বেছি সচেতন হ'ব লাগিব। এইবাৰৰ বানপানীৰ পিছত মই যেতিয়া উজনি অসমৰ বোকাখাটলৈকে গৈছিলো তাত দেখিছো কিছুমান এগ্ৰি বান্ধ আছে। এই এগ্ৰি বান্ধ বিলাকৰ দায়িত্ব জলসম্পদ বিভাগে নলয়। সেই এগ্ৰি বান্ধ বিলাক ভঙাৰ কথা হৈছে আৰু বংপালত চিঙিলে তাৰ ফলত বোকাখাটত যিধৰণৰ অৱস্থা হৈছে, এই বংপলৰ পৰা আশে-পাশে যিকেইটা মথাউৰি আছে বা এগ্ৰি বান্ধ আছে এইকেইটা খুব বেয়া অৱস্থাত আছে। বহুত দিন ধৰি তাত কোনোধৰণৰ কাম-কাজ হোৱা নাই। মই ব্যক্তিগত ভাৱে মাননীয় বিধায়ক আৰু মাননীয় মন্ত্ৰী শ্ৰী অতুল বৰা ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো যে বংপলৰ আশে-পাশে থকা এই মথাউৰি বিলাক চাওঁক নহ'লে কিন্তু অঞ্চলটো ৰক্ষা কৰিব পৰা নাযাব। হাতীমূৰাৰ বিষয়টোত মই অলপ আচৰ্য্য প্ৰকাশ কৰিছো। কিয়নো ব্ৰহ্মপুত্ৰৰ পৰা ৩ কিলোমিটাৰৰ এটা খাল খান্দি আনি যিখন switch gate বনালে আৰু এই switch gate খনৰ আগত যি চেক গেট বনালে আৰু কলং নদীখনক এখন বোৱতী নৈ কৰাৰ কাৰণে যি ১৩৫ কোটি টকাৰ আঁচনি ধৰিলে তাত switch gate খনৰ নামত ২০ কোটি টকা ধৰিছিল। কিন্তু মই দেখিলো যে কি কাৰণত কলং নদীখন পৰিস্কাৰ কৰা সম্পূৰ্ণ নহওঁতেই আজি হাতীমূৰা switch gate ৰ সন্মুখৰ চেক গেট খন কাটি দিয়া হ'ল আৰু ফলত ২০ কোটি টকাৰে নিৰ্মাণ কৰা এই switch gate খন উটি গ'ল। ফলত সমগ্ৰ অঞ্চলটোত বানপানীৰ সৃষ্টি হ'ল। এই switch gate ৰ ক্ষেত্ৰত যিটো গাৰ্ড ওৱাল দিব লাগিছিল সেইটো দিয়া নহ'ল। যিটো আমি প্ৰত্যক্ষ কৰি আহিছিলো। এই switch gate খন ২০ কোটি টকাৰে নিৰ্মাণ কৰাৰ পিছতো ইমান দুৰ্বল হৈ থাকিল। যাৰ ফলত গোটেই অঞ্চলটোলৈ বানপানী আহিল। পানী যিমান হৈছে সেই অনুপাতে ব্ৰীজ ক'ম হৈছে। যিখিনি ব্ৰীজ হৈছে তাৰ পৰা যথেষ্ট পৰিমাণে ক্ষতি ও হৈছে। মই বংপলৰ কথাটো কৈছো। তেনেকৈ যদি মথাউৰি বিলাক বা এগ্ৰি বান্ধ বিলাক শক্তিশালী কৰা নাযায় আৰু আমি বহু মথাউৰি দেখিছো যিবিলাক মথাউৰিৰ ওপৰেদি পানী বাগৰি যায়। এই ওপৰেদি পানী বাগৰি যোৱা মথাউৰি বোৰক যদি শক্তিশালী কৰা নাযায় আৰু ওখ কৰা নাযায় তেতিয়াহ'লে আমাৰ বিপদবোৰ আঁতৰি নাযাব। মোৰ সমষ্টিৰ এখন সৰু নদী পল্লাহৰ মথাউৰিটোত যদি নজৰ দিয়া নাযায় তেতিয়াহ'লে এই পল্লাহ নদীত যিটো

(Hon'ble Speaker in the Chair)

খহনীয়া হৈ আছে যাৰ ফলত তাৰ এটা অঞ্চলৰ মানুহ ষ্টেশ্যনলৈ অহা-যোৱা কৰিব নোৱাৰে আৰু ৰাস্তাটো পৰ্য্যন্ত চিঙি পেলাইছে। গতিকে এই পল্লাহ নদীৰ ক্ষেত্ৰত যাতে গুৰুত্ব দি এটা প্ৰতিৰোধৰ ব্যৱস্থা কৰি দিয়ে তেতিয়াহ'লে মানুহখিনি নিশ্চিত ভাৱে উপকৃত হ'ব। মোৰ যিটো কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিছিলো সেই প্ৰস্তাৱতটোত মই স্থিৰ থাকি ১০০ টকালৈ কৰ্তন কৰাৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দুজন সদস্যই ক'বলৈ বাকী আছে। তাৰ ভিতৰত এজন শ্ৰী আফটাব উদ্দিন মাল্লাহ ডাঙৰীয়াক ক'বলৈ দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, তেখেতক তিনি মিনিট সময় ক'বলৈ দিয়া হ'ল।

**শ্ৰী আফটাব উদ্দিন মোল্লা, (জলেশ্বৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত দুটামান কথা ক'বলৈ ওলাইছো। মোৰ সমষ্টিত প্ৰধানকৈ ৪ খন নদী আছে। এখন হ'ল ব্ৰহ্মপুত্ৰ, এখন জিনজিৰাম, অজগৰ নদী আৰু ঘাগুৰা নদী। এই ঘাগুৰা নদীৰ যিটো অৱস্থা আৰু এইবাৰৰ যিটো বানপানী হৈছিল তাত মেঘালয়ৰ পানী আহে আৰু যোৱাবাৰৰ পানীয়েও তাৰ এখন দলং উটোৱাই নিছিল। তেতিয়া আমাৰ মাননীয় ৰাজহ মন্ত্ৰী শ্ৰী যোগেন মোহন ডাঙৰীয়াই গৈ চাই আহিছিল। এইবাৰৰ বানপানীয়ে ও আৰু এখন দলং উটোৱাই নিলে। সেয়েহে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এই পানীৰ ফলত আমাৰ বহুখিনি অঞ্চল যেনে- ধুমেৰঘাট, গোসাইডুবি, চিমলাবাৰী, বন নগৰ, হালধিবাৰী, শলচাইপুটা, চাটাইমাৰী, ঘুমাইজান আদি অঞ্চল সমূহ প্লাৱিত কৰে। যদিহে এই নদীখনৰ দুয়োপাৰে বান্ধ দিয়া যায় তেতিয়াহ'লে আমাৰ অলপ হ'লেও সুবিধা হ'ব। দ্বিতীয়তে, হ'ল ব্ৰহ্মপুত্ৰ নদী, ব্ৰহ্মপুত্ৰ নদীয়ে আমাক জ্বলাকলা খুৱাইছে যে আমাৰ বুঢ়াবুঢ়ীৰ থানলৈ যোৱা যিটো মূল পথ, সেই মূল পথচোৱা নদীয়ে খহাই লৈ যায়। ততাতৈয়াকৈ LAD fund ৰ পৰা টকা দি এই ৰাস্তাটো কোনোমতে বনাই দিলো। তাত এটা ৰিপাৰিঙৰ কথা আছে আৰু আমি এতিয়া বিশেষকৈ আমাৰ সমষ্টিটোত পোৰাভিঠাৰ পৰা বৰপেটা টিয়াপাৰা, সোনাপাৰাৰ পৰা পৈটাৰী, ডামবাৰী পৰা নিশানপুৰ, নিশানপুৰৰ পৰা পোৰাভিঠা আদি নদীৰ দক্ষিণপাৰে। এই অঞ্চলখিনি ইতিমধ্যে বিভাগীয় ভাৱে মই জানিব পাৰিছো যে চোৱাচিতা কৰি আছে। তাত কাম হ'ব বুলি কৈছে। মই আশা কৰো মাননীয় মন্ত্ৰী মহোদয়ে অলপ চাব যাতে আমাৰ অঞ্চল সমূহ গৰাখহনীয়াৰ পৰা মুক্ত হয়। অধ্যক্ষ মহোদয়, আমাৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে কৃষ্টমণি, ফুলকাকাটা অঞ্চল বানপানী আৰু গৰাখহনীয়াৰ কবলত পৰিছে। ফুলকাকাটাত ৭৮ লাখ টকাৰে ডাঙৰ স্কুল, প্ৰতিষ্ঠান বনোৱা হৈছে। ই নহ'লে বানপানীত গুছি যাব। আমাৰ মন্ত্ৰী মহোদয়ে ইতিমধ্যে ADB ৰ পৰা টকা দিছে, তাৰ বাবে তেওঁক ধন্যবাদ জনাইছো। লগতে, মই তেওঁক অনুৰোধো জনাইছো যে তেওঁ যাতে সেই কামখিনি নিজেও এবাৰ চাবলৈ যায়।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্বেৰমান আলী আহমেদ। আপোনাৰ ৩ মিনিট।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ সপক্ষে বা বিপক্ষে বুলি ক'ব বিচৰা নাই আচলতে ইয়াত ২০ কোটি টকাৰ যি বাজেট ধাৰ্য কৰিছে, মই ব্যক্তিগতভাৱে অনুভৱ কৰো যে সেই ২০ কোটি টকা একো নহয়, আনকি ২০ হাজাৰ কোটি টকা দিলেও কম হয়। মই ২০১১ চনৰ পৰা আজিলৈ বিধায়ক। ২০১১ চনৰ পৰা ২০১৬ চনলৈ বিধায়ক হৈ থাকোতে কংগ্ৰেছৰ চৰকাৰ আছিল। তেতিয়া আমি দেখিছিলো যে গৰাখহনীয়া নিয়ন্ত্ৰণৰ বাবে ৫ বছৰত মাত্ৰ ২২৫ কোটি টকা দিয়া হৈছিল। মই এতিয়াও কংগ্ৰেছ দলৰ সদস্য। কিন্তু সেই তুলনাত বৰ্তমানৰ চৰকাৰে গৰাখহনীয়া নিয়ন্ত্ৰণৰ বাবে ৰাজ্যিক বাজেটৰ ১০০০- ২০০০ কোটি টকাৰ আৱন্টন দিয়াৰ লগতে বিভিন্ন বেংকৰ পৰা ঋণ লৈ থাকে। এইটো যথেষ্ট ভাল পদক্ষেপ। মই ইয়াক ধন্যবাদ জনাইছো। কিন্তু, অধ্যক্ষ মহোদয়, আমাৰ কিছুমানে কৈ থাকে যে মথাউৰিৰ সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা। আমি ৰাষ্ট্ৰীয় সমস্যা, ৰাজ্যিক সমস্যা বুজি নাপাওঁ। আমাৰ সন্মুখত সমস্যা এটা আছে, যিটো সমাধান কৰিব লাগে। এই ৰাষ্ট্ৰীয় সমস্যাৰ গান আমি ২০ বছৰে গালো। কিমান বাৰ যে প্ৰস্তাৱ পঠিয়ালো। কংগ্ৰেছৰ দিনত পঠিয়াইছো , বিজেপিৰ দিনতো প্ৰস্তাৱ পঠিওৱা হৈছে, কিন্তু হোৱা নাই। তাৰ মানে ৰাষ্ট্ৰীয় সমস্যা ঘোষণা নহ'লে আমাৰ সমস্যাৰ সমাধান নহ'ব নেকি? আমাৰ সমস্যাটোহে সমাধান হ'ব লাগে। এই বিষয়টোকে টাৰ্গেট কৰি মই ভাৱো সদনে বিবেচনা কৰিব লাগে। শদিয়াৰ পৰা ধুবুৰীলৈ গৰাখহনীয়া নিয়ন্ত্ৰণ কৰি, ব্ৰহ্মপুত্ৰক channelize কৰি এটা

নদী বনাই ইয়াক বোৰাই নি নদী আৰু তাৰ উপনৈক নিয়ন্ত্ৰণ কৰাৰ বাবে ৫, ১০, ২০, ৫০ কোটি টকা একোৱেই নহয়। মোৰ তাত ২০ কোটি টকাৰ মথাউৰি নিৰ্মাণ কৰিছে। ই দুই বছৰ চলিব। তাৰ পিছত আকৌ ভাঙিব। মই ভাৱো piece meal basis ত লোৱাৰ বাবে আমাৰ টকাবোৰ wastage হৈছে। ইয়াৰোপৰি ডাঙৰ কথা যে চৰকাৰী তথ্যমতে ৩০ লাখ বিঘা মাটি গৈছে। মোৰ তাত ৫ বছৰ আগত ১ বিঘা মাটিৰ দাম ৫ হাজাৰ টকা আছিল যদি এতিয়া ৰাস্তা হোৱাৰ পিছত সেই মাটিৰ মূল্য ১ কোটি টকা হৈছে। গতিকে, ৩০ লাখ বিঘা মাটিত আমি ৩০ লাখ কোটি টকা হেৰুৱালো। বানপানী আমাৰ ডাঙৰ সমস্যা নহয়, নদীৰ গৰাখহনীয়াটোহে ডাঙৰ সমস্যা। এই সমস্যাৰ সমাধান এদিনত নহ'ব। But, there should be beginning, let us begin today. শদিয়াৰ পৰা ধুবুৰীলৈ গোটেই নদীখন channelize কৰিব লাগিব। তাৰ কাৰণে অসমৰ অভিযন্তা হয়তো competent নহ'ব পাৰে, IIT ৰ নহ'ব পাৰে, আমি হয়তো আন্তঃৰাষ্ট্ৰীয় অভিযন্তা আনিব লাগা হ'ব পাৰে কিন্তু এই ডেৰ বছৰত অন্তঃত এটা সিদ্ধান্ত লওঁক যে শদিয়াৰ পৰা ধুবুৰীলৈ নদী নিয়ন্ত্ৰণ কৰিব। এই সিদ্ধান্ত লোৱাৰ পিছত দৰকাৰ হ'লে ৫০-১০০ কোটি টকা প্ৰজেক্ট বনোৱাৰ বাবে খৰচ কৰক আৰু ৫ বছৰ পিছত যেতিয়া প্ৰজেক্ট দিব, তাত যদি ১ লাখ কোটি টকা লাগে বুলি কয় তেতিয়া আমি চিন্তা কৰিম টকাখিনি ক'ৰ পৰা অনা হ'ব। But, what I want is that let there be a bold decision for permanent solution of erosion and flood. Let the Government take a permanent decision today or tomorrow..... interruptions....

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া মাননীয় সদস্য কমলাক্ষ দে' পুৰকায়স্থ। আপুনি ২ মিনিটত ক'ব ...... interruptions.....

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** অধ্যক্ষ মহোদয়, মোৰ বহৰি-বাঘবৰ মথাউৰিটো পানীত জাহ গৈ আছে, তাৰ বাবে টকাও দিছে কিন্তু ...... interruptions..... যিহেতু কেচটো এতিয়া নাই আপুনি অনুগ্ৰহ কৰি ADB ত যেনে তেনে প্ৰজেক্টটো আৰম্ভ কৰিব লাগে। দ্বিতীয়তে, মই অনুৰোধ জনাওঁ যে গৰাখহনীয়া সমস্যাটো ডাঙৰ সমস্যা, আমাৰ কাৰ্য্যবাহী অভিযন্তাৰ পৰা উদ্ধাৰ কৰক।

**মাননীয় অধ্যক্ষঃ** হ'ব। পৰৱৰ্তী বক্তাই কওঁক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (সমষ্টি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়,ফেভাৰ বা ডিসফে ভারের কথা আসছে না কথাটা একদম পরিষ্কার কথা যে জলসম্পদ বিভাগ বা ফ্লাড কন্ট্রল বিভাগ যখন ছিল এখন জলসম্পদ বিভাগ হয়েছে, কথাটা একই। যখন ফ্লাড কন্ট্রল বিভাগ ছিল প্রত্যেক জন সদস্যই বলেছেন যে এখানে ৬০-৪০ ডিপার্টমেন্ট ছিল। বর্তমানে এই বিভাগের পজিশন কিরকম হয়েছে আমরা সবাই জানি। অধ্যক্ষ মহোদয়, **২০১১** সালে আমি যখন বিধায়ক হলাম হওয়ার পর দেখেছি যে এস.ডি.আরএম- র স্কিম পাঠানো হয়, সেখানে আবার দেখে দেখে স্কিম দেওয়া হয় যে কোন জায়াগায় ব্রিচ হয়েছে। সেই ব্রিচগুলো **৫০** শতাংশ সেংশন্ হয় বাকি **৫০** শতাংশ হয়না। অর্থাৎ যে বছর ব্রিচ হল তার পরের বছর কাজ হয় না, তার পরের বছর ব্রিচগুলোর কাজ হয়। আজকের দিনে মাননীয় মূখ্যমন্ত্রী এবং মাননীয় মন্ত্রীর নেতৃত্বে নুতন ট্যাকনোলজি যেমন জিও টিউব,মেগা টিউব ইত্যাদি ট্যাকনোলজি মাধ্যমে সঙে সঙে ব্রিচগুলো বন্ধ করার যে প্রয়াস বা প্রচেষ্টা তার জন্য

আমি ধন্যবাদ জ্ঞাপন করছি। আমার একটিই প্রশ্ন, **২০০১** সাল থেকে **২০১৫** সাল পর্যন্ত **১,১১৩** টি ব্রিচ হয়েছিল **২০১৬**সাল থেকে **২০২০** সাল অবধি **১৫৩** টি ব্রিচ হয়েছিল। **২০২১** সাল থেকে **২০২৪** অবধি **৬০**টি ব্রিচ হয়েছে। আমি তথ্য সংগ্রহ করেছি **২০২৪** এ **৮**টি ব্রিচ হয়েছে **২০২৩** এ **৭**টি হয়েছিল। যখন বিভাগ কাজ করছে তখন আপনারা বলছেন টাকা কমান। **২০০৪** এ প্রায় **৪০০** র অধিক ব্রিচ হয়েছিল তখন বলা হয়েছিল যে টাকা দেওয়া হোক। আজ যে সময় বিভাগ কাজ করছে তাই আমাদের উচিৎ সবাই মিলে রিজোলিউশন নেওয়া যাতে আমরা বলতে পারি যে বিভাগকে টাকা দেওয়া হোক এই জলসম্পদ বিভাগ নুতন নুতন অনেক ট্যাকনোলজি নিয়ে কাজ করছে আর শেষে আমি একটা কথাই বলব আমাদের মন্ত্রী মহোদয় বরাক ভ্যালির মহাদেবপুর গিয়েছিলেন যেখানে চার-পাঁচটি সুইস গেট আছে, তিনি নিজে পরিদর্শন করেছেন এবং সেগুলোকে ট্যাকনিক্যালি কিভাবে সুন্দর পরিবেশ করা যায়। নর্থ করিমগঞ্জে আপনি গিয়েছিলেন সেখানে মালাকার পাড়া এবং লাফাশিলে যে সমস্যাগুলো আছে আমি মনে করি সেই সমস্যাগুলো অচীরেই সমাধান হবে। আমি মূখ্যমন্ত্রী এবং জলসম্পদ বিভাগের সদিচ্ছা ও চিন্তাধারার জন্য বর্তমান পরিবেশের জন্য আমি ধন্যবাদ জানাই।

**মাননীয় অধ্যক্ষঃ** এতিয়া ৰূপ সিং টেৰণ।

তেওঁ নাই। মাননীয় মন্ত্ৰী উত্তৰটো দিব।

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, জল সম্পদ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধীৰ সন্মানীয় সদস্যসকলে জলসম্পদ বিভাগৰ যি কৰ্তন প্ৰস্তাৱ আনিছিল, তাত অংশগ্ৰহণ কৰা সন্মানীয় বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া, সন্মানীয় বিধায়ক সমূহ ক্ৰমে- ভূৱন পেগু, ছামছুল হুদা, চক্ৰধৰ গগৈ, ওৱাজেদ আলী চৌধুৰী, মজিবুৰ ৰহমান, মানব ডেকা, ড° ৰফিকুল ইছলাম, জাকিৰ হুছেইন সিকদাৰ, পোনাকন বৰুৱা, বিশ্বজিৎ ফুকন, মিছবাহুল ইছলাম লস্কৰ, গোবিন্দ চন্দ্ৰ বসুমতাৰী, চৰণ বড়ো, মৃণাল শইকীয়া, ড° আছিফ মহম্মদ নজৰ, ভৰেন্দ্ৰ নাথ ভড়ালী, তৰংগ গগৈ, আব্দুৰ ৰহিম আহমেদ, কৌশিক ৰায়, নুৰুল হুদা, নৱ কুমাৰ দলে, আশ্ৰাফুল হুছেইন, মনোৰঞ্জন তালুকদাৰ, আফতাব উদ্দিন মোল্লা, শ্বেৰমান আলী আহমেদ আৰু কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই যি বিতৰ্কত অংশগ্ৰহণ কৰিলে তেওঁলোকক মই ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, সন্মানীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই প্ৰথমতে কৈছে যে আমাৰ জল সম্পদ বিভাগৰ fund distribution ত তেখেতৰ ক'বলগীয়া আছে। মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰায় ২৭ জন বিধায়কৰ ভাষণ শুনিলো আৰু তাৰে ৩ জন বিধায়কক বাদ দি গোটেইকেইজন বিধায়কে কৈছে যে আমাৰ সমষ্টিত কাম হৈছে। মই Fund distribution of discremination এই কথাটো পোনতে নাকচ কৰিছো। আজি যদি ডিব্ৰুগড়ত fund দিছো, ঠিক তেনেকৈ গোৱালপাৰাটো fund দিছো। মৰিগাওঁত fund দিছো, ঠিক তেনেকৈ বৰপেটাতো fund দিছো। আমি পৰ্য্যাক্ৰমে অসমৰ সকলো ঠাইতে যোৱা ৩ বছৰ ৬ মাহত পূঁজিৰ যোগান ধৰি জলসম্পদ বিভাগৰ কাম কৰিবলৈ প্ৰয়াস কৰিছো। আমি কোনো দিনে অস্বীকাৰ কৰা নাই যে এইটো ডাঙৰ সমস্যা নহয়, এইটো ডাঙৰ সমস্যা। এই ডাঙৰ সমস্যাটোৰ কাৰণে আমাৰ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বৰ ভাৰত চৰকাৰে phase manner ত প্ৰায় ৫ হাজাৰ কোটি টকা ৪ বছৰৰ কাৰণে অসম চৰকাৰলৈকে আগবঢ়াইছে । তাৰ মানে প্ৰত্যেক বছৰে ১২ শ কোটি টকা কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক দিয়াৰ ব্যৱস্থা কৰিছে আৰু তাৰে ১০ শতাংশ অসম চৰকাৰে দিব লাগে আৰু ৯০ শতাংশ কেন্দ্ৰীয় চৰকাৰে দিব। গতিকে মই নৰেন্দ্ৰ মোডী ডাঙৰীয়াক,

ভাৰত চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, মই যেতিয়া জলসম্পদ বিভাগৰ মন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰিছিলো, মই তেতিয়া ভাবিছিলো যে অসমৰ কোন কেইখন জিলাত সকলোতকৈ বেছি বানপানী হয়। অসমৰ সকলো ব্যক্তিয়ে জানে যে অসমৰ সকলোতকৈ বানপানী হয় ধেমাজি, মৰিগাঁও, তিনিচুকীয়া, বৰপেটা, গোৱালপাৰাত, বিটিআৰ ত জিলা তথা অঞ্চল সমূহত। সেই কাৰণে যোৱা চাৰে তিনি বছৰত বানপানী নাইকিয়া কৰিবলৈ আমাৰ চৰকাৰখনে জলসম্পদ বিভাগক যথেষ্টখিনি আভাস দিবলৈ চেষ্টা কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী মানৱ ডেকা ডাঙৰীয়াই কলে ধেমাজী, লক্ষীমপুৰ, মাজুলীৰ কথা কলে, এইবিলাক একোখন একোখন বানবিধ্বস্ত জিলা। আজিৰ পৰা এক বছৰ আগতে facebook post ত ধেমাজিৰ লৰা এজনে কৈছিল যে আগতে ধেমাজী বানবিধ্বস্ত জিলা বুলি আমাক হাঁহিছিল, কিন্তু এতিয়া ধেমাজিত বানপানী নহয়, অসমৰ বেলেগ বেলেগ জিলাত বানপানী হয়। আজিৰ পৰা ১০ দিন মান আগত কিবা এটা কামত আমাৰ দলৰ দুজন ধেমাজিৰ কাৰ্য্যকৰ্তা মোৰ ওচৰলৈ আহিছিল, তেওঁলোকেও একে কথা কৈ গ'ল যে আগতে বানপানীৰ কাৰণে আমি আহিব নোৱাৰো, এতিয়া ধেমাজিত বানপানী নাই। আমি যোৱা সময়খিনিত ধেমাজিৰ জীয়াঢল নদীয়ে হওঁক, গায় নদীয়ে হওঁক, এই গোটেইখিনি অঞ্চলত মথাউৰি বান্ধি দিছো আৰু নতুন নতুন প্ৰযুক্তিৰে জীয়াঢলক ভেটিবলৈ সক্ষম হৈছো।

মাননীয় অধ্যক্ষ মহোদয়, RME (Ready Made Embankment) বুলি এটা নতুন technology আনিলো। সেই নতুন technology ৰে জীয়াঢল নদীখনত প্ৰায় ৬০ কোটি টকা খৰচ কৰি এনেকৈ ভেটিবলৈ সক্ষম হলো যে যোৱা দুটা বানপানীত জীয়াঢল নদীত breach হোৱা নাই বা বানপানী হোৱা নাই। ধেমাজিক ৭০ শতাংশ বান মুক্ত কৰিবলৈকে সক্ষম হৈছো।

মাননীয় অধ্যক্ষ মহোদয়, মই মৰিগাঁও জিলালৈকে আহো, মৰিগাঁও জিলা অসমৰ ভিতৰত এখন বেছি বানপানী হোৱা জিলা। বানপানীৰ যিমান খবৰ ওলাই পেপাৰে পত্ৰই বা ইলেক্টনিক মাধ্যমত মোৰ সমষ্টিৰ কথা আগতে ওলায়। মোৰ সমষ্টি জাগীৰোডত ৫ টা পঞ্চায়ত এনেকুৱা আছিল, বানপানীৰ কাৰণে সেই ৫ টা পঞ্চায়তৰ পৰা যিটো পবিতৰা ৰাস্তা যিটো এতিয়া নাৰেঙ্গীৰ পৰা জাগিভকত গাওঁ, হোমেন বৰগোঁহাই পথ, সেই ৰস্তাটোলৈ মানুহ থাকিবলৈ আহিব লাগে, আৰু ৬ মাহ নাৱত আহিব লাগে। ৫ টা পঞ্চায়তৰ মানুহ ৬ মাহ নাৱত আহিব লাগে আৰু এই বানপানী ক'ৰপৰা হয় লাহৰি ঘাটৰ ১৪ কি.মি. মথাউৰি নথকাৰ কাৰণে সমগ্ৰ মৰিগাঁও জিলাত বানপানী হয়। আছিফ নজৰ ডাঙৰীয়া, তেখেতে এজন সন্মানীয় বিধায়ক আৰু মন্ত্ৰীও আছিল, ৪০ বছৰ তেখেতসকলে সেই সমষ্টিটোৰ প্ৰতিনিধিত্ব কৰিলে। এই বানপানীৰ সমস্যা তেওঁলোকে নাইকিয়া কৰিব নোৱাৰিলে, আমি নাইকিয়া কৰিলো, মৰিগাঁওৰ বানপানী নাইকিয়া হ'ল, তেখেতৰ সমষ্টিত বানপানী নাইকিয়া হ'ল। কিন্তু তেখেতে আমাক এটা ধন্যবাদ নিদিলে।

মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী হৈ ৬০ কোটি টকা খৰচ কৰি তেখেতৰ সমষ্টিত ১৪ কি.মি. মথাউৰি নিৰ্মাণ কৰিলো আৰু মৰিগাঁও জিলাত ৯০ শতাংশ বানপানী মুক্ত কৰিলো। ADB ৰ পৰা তেখেতৰ সমষ্টিত প্ৰায় ৪ শ কোটি টকা দিয়াৰ ব্যৱস্থা কৰিছো আৰু অতি সোনকালে এই ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া ৰোধৰ কাম আৰম্ভ হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক জাকিৰ হুছেইন ডাঙৰীয়াই যোৱা কালিও কৈছে আৰু আজিও কৈছে যে তেখেতৰ সমষ্টিত কাম হোৱা নাই। মই মানি লৈছো, তেখেতৰ

সমষ্টিত কাম কৰিবলগীয়া আছে। ২০০১ চনৰ পৰা ২০১৬ চনলৈকে অসমত একেৰাহে কংগ্ৰেছৰ চৰকাৰ আছিল। এই ১৫ বছৰ কালত মাত্ৰ ১৫.৪২ কি.মি. নতুন মথাউৰি নিৰ্মাণ হৈছিল। কিন্তু যোৱা ৩ বছৰত আমি ১৬৮ কি.মি. মথাউৰি বনাইছো আৰু এই বছৰৰ বাবেও অনুমোদন হৈ আছে, এই বছৰ নৱেম্বৰ মাহৰ পৰা ২২৫ কি.মি. মথাউৰি বনোৱা হ'ব আৰু মাত্ৰ ১২০ কি.মি. মথাউৰি বনালে unembankment portion অসমত নাথাকিব আৰু সেইখিনিও কৰিম, আপোনালোকক দেখুৱাম, তাৰ কাৰণে সদনত প্ৰতিশ্ৰুতি দিছো। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা দেৱৰ নেতৃত্বতে এই ১১০ কি.মি. বা ১২০ কি.মি. মথাউৰি নিৰ্মাণৰ কাৰ্য্য সম্পন্ন কৰি অসমৰ বানপানীৰ সমস্যা সমাধান কৰিম বুলি সদনত প্ৰতিশ্ৰুতি দিছো। ১ কিলোমিটাৰ ৪২০ মিটাৰ। এনেকুৱা ধৰণৰ পৰিৱেশ আছিল। ক'ৰবাত যদি breach হৈছিল, ১ বছৰ দেৰ বছৰলৈ কোনো এটা breach নিলাভ নহৈছিল। breach কিমান হৈছিল মই কওঁ, আমাৰ অসমত ২০০৪ চনত ৩৫৪ ব্ৰীক্‌চ হৈছিল, ২০০১ চনত হৈছিল ২০ টা চৰকাৰ আছিল কংগ্ৰেছৰ, ২০০২ চনত ৫৪ টা চৰকাৰ আছিল কংগ্ৰেছৰ, ২০০৩ চনত ৪৫ টা, ২০০৪ চনত ৩৫৪ টা আজিলৈকে অসমত সকলোতকৈ বেছি breach হৈছিল। ২০০৫ চনত ৪২ টা, ২০০৬ চনত ২৮ টা, ২০০৭ চনত ১৯৫ টা, ২০০৮ চনত ৬৭ টা, ২০০৯ চনত ৪১ টা, ২০১০ চনত ৬০ টা, ২০১১ চনত ২৩ টা, ২০১২ চনত ৭৪ টা, ২০১৩ চনত ২৮ টা, ২০১৪ চনত ৩২ টা, ২০১৫ চনত ৫০ টা কংগ্ৰেছ দলৰ চৰকাৰ আছিল। ২০০১ ৰ পৰা ২০১৫ লৈকে কৈছো। মুঠ ১১ শ ১৩ টা breach হৈছিল। মই যেতিয়া ৰহাৰ সমষ্টিৰ বিধায়ক আছিলো ৰহা সমষ্টিতো হৈছিল ২০১২ চনত। ১ বছৰৰ breach টো fill up কৰিব পৰা নাছিলো। টকা নাই কোনো চেংশ্যন নিদিয়ে। শেষত নিজে JCB আনি আৰু ১ লাখ ২০ হাজাৰ টকা খৰচ কৰি এতিয়া বঢ়মপুৰ সমষ্টিৰ গাৰোখুণ্ডাত গৈছে। সেই ব্ৰীক্‌চ টো মাৰিছিলো । That is my personal experience. ৭৫ টা average breach হৈছিল আৰু আমাৰ এইবছৰ breach হৈছে এতিয়ালৈকে ৮ টা। যোৱাবছৰ ৭ টা, তাৰ আগৰ বছৰ ৪৪ টা,তাৰ আগৰ বছৰ ১ টা। কিন্তু যদি কওঁ আমাৰ এই দুখন চৰকাৰৰ ৭ বছৰত এতিয়ালৈকে ২ শ ১৩ টা breach হৈছে। ক্ৰমান্বয়ে কমি আহিছে। Breach কেনেকৈ কমি আছে মই মন্ত্ৰীহে কিন্তু কামখিনি কৰিছে আমাৰ বিষয়া কৰ্মচাৰী সকলে। Special Chief Secretary আছে, Chief Engineer আছে আমাৰ State ৰ team আছে। জিলাই জিলাই team আছে, তেওঁলোকে কৰিছে। কিন্তু আমি কিছুমান সিদ্ধান্ত লৈছো যে flood fighting material যোগান ধৰিছো। আগতে তেনেকুৱা নিয়ম নাছিল। আগতে আছিল MNR. MNR হৈছে জানুৱাৰী মাহৰ মাৰ্চ মাহৰ ৩১ তাৰিখে fund sanction কৰি আহিব লাগে। ফেব্ৰুৱাৰীত লাগিব লাগে নাম আছিল 60-40. MNR নকৈ 60-40 আঁচনি বুলি কয়। আমি এইবোৰ শুনিছিলো। মাৰ্চৰ ৩০ তাৰিখৰ আগত চেক কাটে। কিন্তু কোনো কাম কৰা নাছিলো। এই MNR ৰ টকাকেইটা এই বছৰ ৭৫ কোটি টকা আছে এতিয়ালৈকে ৪০ কোটি টকাৰ percupine jio bag, EC bag, sand bag, আৰু megatube কিনিলো। এইবছৰ এতিয়ালৈকে ২ লাখ ৫৭ হাজাৰ ১ শ ৫২ টা percupine কিনিলো। সকলোৰে পাইছে। Megatube ১ লাখ ২৯ হাজাৰ ৬ টা কিনিছো। EC bag ৭ লাখ ৭৯ টা কিনিছো। Sand bag ২ লাখ ৪৮ টা কিনিছো। Megatube ২শ টা কিনিছো। Jioshit ৩৩ হাজাৰ sq. কিনিছো। Megatube ৰে আমি মথাউৰি মৰাটো যোৱাবছৰৰ পৰা আৰম্ভ কৰিছো। মাননীয় সদস্য শ্ৰীমানৱ ডেকা ডাঙৰীয়াই ক'লে শিঙৰানদীত আৰম্ভ কৰিছিলো। মাননীয় সদস্য শ্ৰীভৰত নৰহ ডাঙৰীয়াৰ সমষ্টিত breach হ'ল কোনেও কোৱা

নাই। ১ সপ্তাহৰ ভিতৰত breach fill up ৰ কাম আৰম্ভ কৰিলো।  এই বছৰ সকলোফালে বানপানী আছিল, মই ১৫ দিন মানৰ পাছত গৈ পালো আৰু দেখিলো যে কোনো breach হোৱাৰ চিন নাই। আগতে বানপানী হওঁতে breach হওঁতে cofferdam মাৰো। Cofferdam টো ইমান strongly মাৰিব নোৱাৰো। Cofferdamটো পিছৰ পানীটোৱে ভাঙি লৈ যায়। আগতে যেতিয়া এবাৰ breach হৈছিল next ৪-৫ মাহে সেইটো breach ৰে পানী সোমাই গোটেই অঞ্চলটো ধ্বংস কৰি দিছিল। আজিকালি সেইটো নহয়। এটা breach মানে এবাৰ বান্ধ পালো। সেই কামটো এই অঞ্চলৰ কাৰণে কৰিবৰ কাৰণে সক্ষম হৈছো. কেনেকৈ কৰিছো মাননীয় অধ্যক্ষ ডাঙৰীয়া এই শিঙৰা নদীত আৰম্ভ কৰো। Megatube এটা ২৫ মিটাৰ দীঘল আৰু ৫ মিটাৰ বহল। মাটি আৰু  বালি ভৰাই দিলে ২ মিটাৰ ওখ হৈ যায়। প্ৰায় চাৰে চাৰি শ টন হয়। আমি মেচিনেৰে বালি আৰু পানী সোমোৱাই দিওঁ। বালি পানী সোমোৱাই দিলে এই বেগটো তললৈ বহি যায় আৰু ৪ শ টনৰ বেগ এটা পানীয়ে উটুৱাই লৈ যাব নোৱাৰে. এইবাৰ মাজুলীৰ যোগীনিদাইৰ মথাউৰি ভাঙিছিল। ইতিমধ্যে তাত fill up কৰিলো। টেঙাখাটৰ বুঢ়ীদিহিং নদীৰ মথাউৰি ভাঙিছিল তাত আমি fill up কৰিলো। চিপাঝাৰ সমষ্টিৰ মথাউৰি ভাঙোতে fill up কৰিছিলো। খোৱাঙৰ গোটেইকেইটা পঞ্চায়তৰ বান্ধ fill up কৰিলো। মাননীয় মন্ত্ৰী শ্ৰীবিমল বৰা ডাঙৰীয়াৰ সমষ্টিৰ পঞ্চায়তৰ বান্ধ ভাঙিছিল গোটেই কেইটা কৰিলো। Water Resource ৰ ৮ টা বাদ দি পঞ্চায়তৰ গোটেইকেইটা য'ত ভাঙিছিল গোটেইকেইটা fill up কৰা হৈছিল। আজি বিৰোধী দলপতি আৰু শ্ৰীমনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াৰ হাতীমুৰাৰ কথা কৈছে। হাতীমুৰাৰ আমি কলংখন খান্দি পানী বোৱাবলৈ যত্ন কৰিছিলো । কেতিয়াবা engineering ৰ ক্ষেত্ৰত ভুল হয়। কিন্তু কোনো ধৰণৰ compromise কৰা নাছিলো। শ্ৰীমনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কোৱাৰ দৰে শ্লুইচ গেটখন ভঙা নাই। মাত্ৰ approach টো ভাঙিছিল। আমি মানুহৰ দুখ দুৰ্দশা বুজি পাওঁ। প্ৰায় ২৮ দিন যুজি সেইখন আচলতে সেইখন ব্ৰহ্মপুত্ৰ নদীৰ পৰা ওলাই অহা সুতি, বানপানীৰ সময়ত ভৰ বাৰিষাত কেতিয়াও মাৰিব পৰা সম্ভৱ নাছিল। আমাৰ chief engineer সকলে মিলি যুজি ২৮ দিনৰ দিনাখন সেই breach টো fill up কৰিবলৈ সক্ষম হৈছিলো। আগতে ৩৫৪ টা মথাউৰি ভাঙিছিল। তেতিয়া ৩ বছৰো fill up নহৈছিল। এতিয়া ১৫ দিনত fill up কৰা হয়। এইদৰে আমি মাননীয় অধ্যক্ষ ডাঙৰীয়া এই বিভাগটোক ৰাইজৰ মাজলৈ লৈ যাব বিচাৰিছো। আগতে আপোনালোকে বহুত পুৰণা বিধায়ক আছে, আপোনালোক মন্ত্ৰীও আছিল। আগতে এনেকৈ কোনোবাই flood fighting material দিছিল নেকি ? ৮ টা যদি মথাউৰি ভাঙিছে, এতিয়ালৈকে কমেও ৩৫ টা মথাউৰি ভঙাৰ পৰা ৰক্ষা পৰিছে। আপোনালোকে যদি মোৰ লগত যায় শদীয়া সমষ্টিৰ হাতীখুলিত, ব্ৰহ্মপুত্ৰৰ মথাউৰি দিনে ৰাতিয়ে কষ্ট কৰি আমাৰ বিভাগে ৰাখিছে। নদীখন আগুৱাই আহিছিল আৰু মথাউৰি টো পিছফালে গৈ লৈ আছিলো।.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দুটা বাজিছে। সেই কাৰণে দাবী মঞ্জুৰী ৬৩ সহ গোটেইখিনি Guillotine ত দিলো আৰু আপোলোক সকলোৰে সন্মতি সাপেক্ষে সময়টো বঢ়াই দিছো।

**শ্ৰী পিযূষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, জলসম্পদ ইত্যাদি বিভাগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই মঠাউৰি ৰক্ষা কৰা অসম্ভৱ কথা আছিল। বহু যুদ্ধ কৰি মঠাউৰিটো ৰক্ষা কৰিলো। তাত যদি পাৰ্কুপাইন, জি অ' বেগ, ছেণ্ড বেগ নিদিলো হয়, সেই মঠাউৰিটো কোনোপধ্যে ৰক্ষা কৰিব পৰা নগ'লহেঁতেন। অধ্যক্ষ ডাঙৰীয়া, আমি কি কি পৰিৱৰ্তন আনিলো-২০০১ ৰ পৰা ২০০২

চনত সেইখিনি সময়ত অসম চৰকাৰে, মই অসম চৰকাৰৰ কথা কৈছো, ভাৰত চৰকাৰৰ কথা কোৱা নাই। ভাৰত চৰকাৰৰ কথা ক'লো। ইতিমধ্যে মোদী ডাঙৰীয়াই চাৰে তিনি বছৰত প্ৰায় ৫ হাজাৰ কোটি টকা দিছে আৰু phase manner ত কাম চলি আছে। SOPD ত ২০০১-০২ চনত অসম চৰকাৰে ৫ কোটি টকা খৰচ কৰিছিল। ২০০২-০৩ চনত অসম চৰকাৰে মাত্ৰ .৫৮ কোটি টকা খৰচ কৰিছিল। ২০০৩-০৪ চনত অসম চৰকাৰে ৫ কোটি ১৬ লাখ টকা খৰচ কৰিছিল। ২০০৪-০৫ চনত অসম চৰকাৰে ২ কোটি ৫ লাখ টকা খৰচ কৰিছিল। ২০০৫-০৬ চনত অসম চৰকাৰে এটকাও টকাও খৰচ কৰা নাছিল। মই এইটো চোৱাই নাছিলো যে ২০০৪ চনত ৩৫৪ টা মঠাউৰি ভাঙিছিল আৰু অসম চৰকাৰে এটকাও দিয়া নাছিল। সেইটো এইখন অসমৰে পৰিৱেশ আছিল। বানপানীৰ সমস্যা কেনেকৈ সমাধান হ'ব। সেইখিনি সময়ত যদি আৰু দৃঢ় পদক্ষেপ ল'লেহেঁতেন আমি আৰু আগুৱাই গ'লোহেঁতেন। ২০০৬-০৭ চনত অসম চৰকাৰে ৩৫ কোটি ৯২ লাখ টকা খৰচ কৰিছিল। ২০০৭-০৮ চনত অসম চৰকাৰে ৪৩ কোটি ২৮ লাখ টকা খৰচ কৰিছিল।২০০৮-০৯ চনত অসম চৰকাৰে ৭৩ কোটি ৮৫ লাখ টকা খৰচ কৰিছিল। ২০০৯-১০ চনত অসম চৰকাৰে ১৮ কোটি টকা খৰচ কৰিছিল। ২০১০-১১ চনত অসম চৰকাৰে ১৫ কোটি টকা খৰচ কৰিছিল। ২০১১-১২ চনত অসম চৰকাৰে ১৮ কোটি টকা খৰচ কৰিছিল। ২০১২-১৩ চনত অসম চৰকাৰে ২৯ কোটি টকা খৰচ কৰিছিল। ২০১৩-১৪ চনত অসম চৰকাৰে ৩৮ কোটি টকা খৰচ কৰিছিল। ২০১৪-১৫ চনত অসম চৰকাৰে ১১৪ কোটি টকা খৰচ কৰিছিল। ২০১৫-১৬ চনত অসম চৰকাৰে ৭৯ কোটি টকা খৰচ কৰিছিল। যোৱা তিনি বছৰত আমি ২০২১-২২ ত কেৱল অসম চৰকাৰে ৫৭৮ কোটি টকা খৰচ কৰিলো। ২০২২-২৩ ত কেৱল অসম চৰকাৰে ৫৩২ কোটি টকা খৰচ কৰিলো। ২০২৩-২৪ ত কেৱল অসম চৰকাৰে ৭৬৭ কোটি টকা খৰচ কৰিলো। এই কথাটোৱে প্ৰমাণ কৰে যে মাননীয় হিমন্ত বিশ্ব শৰ্মাদেৱৰ চৰকাৰে বানপানীৰ সমস্যা লৈ চিৰিয়াচ আৰু সমস্যাটো সমাধান কৰিব বিচাৰিছে। আজিৰ পৰা ৮-৯ বছৰ আগতে যেতিয়া কংগ্ৰেছৰ চৰকাৰ আছিল, তেতিয়া বাজেটৰ মূল্য আছিল-৪২ হাজাৰ কোটি টকা। এতিয়া এইবছৰ বাজেটৰ মূল্য হৈছে ডেৰ লাখ কোটি টকা। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া বাজেটৰ মূল্য চাৰি গুণ বাঢ়িলে। ২০১৫-১৬ চনত অসম চৰকাৰে ৭৯ কোটি টকা খৰচ কৰিছিল। মই ৮০ কোটিয়েই ধৰিলো আৰু ৮০ কোটিৰ চাৰিগুণ হ'ব ৩২০ কোটি টকা। সেইটো মতে কংগ্ৰেছৰ হিচাপত আমি খৰচ কৰিব লাগিছিল ৩২০ কোটি টকা আৰু প্ৰথম বছৰ মই যেতিয়া মন্ত্ৰী হ'লো ৫৭৮ কোটি টকা আমি খৰচ কৰিলো। এই বছৰ ৩২০ কোটি টকাৰ বিপৰীতে আমি ৭৬৭ কোটি টকা আমি দহ গুণ বেছি খৰচ কৰিলো। আপোনালোকে যেতিয়া চৰকাৰ চলাইছিল আপোনালোকৰ যি বাজেট আছিল সেই বাজেটৰ দহ গুণ বেছি আমি অসমৰ বানপানী নোহোৱা কৰিবৰ বাবে খৰচ কৰিছো। সেইকাৰণে কৈছো breach কমিছে। এটা breach হ'লে কিমান মানুহ এফেক্ট হয়। এটা breach হ'লে তিনিটাৰ পৰা চাৰিখন পঞ্চায়ত এফেক্ট হয়। মোৰ সমষ্টিত বহুত বানপানী হৈছিল, সেইকাৰণে মই জানো। এইবাৰ জলসম্পদ বিভাগৰ ৮ টা breach হৈছে। সেইকাৰণে কিমান হৈছে সকলোৱে হিচাপ কৰি ল'ব পাৰিব। এইটো হয় যে কৃষিবান্ধ কিছুমান এফেক্ট হৈছে আৰু সেইখিনি অতি সোনকালে মেৰামতি কৰিছো। আমি নৈৰ কাষৰীয়া অঞ্চলবোৰত বানপানী দেখো। আমি য'ত মঠাউৰি বনাইছো সেই মঠাউৰি আৰু নদীৰ মাজত মানুহে থকাৰ সিদ্ধান্ত লৈছে। সেইখিনি অঞ্চলত জলসম্পদ বিভাগে বানপানী নোহোৱা কৰিব নোৱাৰে আৰু আমি বানপানী দেখিছো উনমুক্ত হৈ থকা অঞ্চলবোৰত। উনমুক্ত হৈ থকা চাৰে তিনি শ কিলোমিটাৰৰ ২২৫ কিলোমিটাৰ এইবাৰ কৰি

দিম। অসম চৰকাৰ বানপানী লৈ অতি চিৰিয়াচ। মাননীয় অধ্যক্ষ মহোদয়, আপুনি বি টি আৰৰ কথা জানে। এই বি টি আৰত যোৱা তিনি বছৰত এতিয়ালৈকে প্ৰায় তিনি শ কোটি টকা অসম চৰকাৰৰ পৰা অলপ নিয়ম ভাঙি দিছো। ৰাইজৰ কাৰণে কাম কৰিলে কেতিয়াবা নিয়ম ভঙা বুলি ক'লেও মই ভাল পাওঁ। ডিমাহাচও তো আঠ কোটি বা বাৰ কোটি টকা দিছো। তাত বানপানী কম হয় কাৰণে অলপ কমকৈ দিছো। আমাৰ কাৰ্বি আংলঙতো প্ৰায় এশ কোটি টকা দিছো। এই টকা নিয়ম ভাঙি দিছো কাৰণ অনুসূচীত জনজাতিৰ লোক বাস কৰা এই অঞ্চলটোৰ প্ৰতি মাননীয় হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ অতিকৈ টান আছে আৰু আমাৰো টান আছে। বাজেটত ডাইৰেক্টলি টকা গুচি যায়। কিন্তু মই দেখিলো বি টি আৰৰ পাঁচ খন জিলাৰ বাজেট হৈছে-ওঠৰ কোটি টকা আৰু এইখিনি টকাৰে পাঁচখন জিলাৰ কাম কৰিব নোৱাৰি। যেতিয়া বি টি আৰ ত বানপানী হ'ব মই টি ভি, বাতৰি কাকতৰ আগত ক'ব নোৱাৰো যে এইটো মোৰ বানপানী নহয়, প্ৰমোদ বড়োৰ বানপানী। এই কামটো মই নহয় প্ৰমোদ বড়ো ডাঙৰীয়াই চাব। যেতিয়া কাৰ্বি আংলঙত বানপানী হ'ব মই ক'ব নোৱাৰো যে এইটো তুলিৰাম ৰংহাং ডাঙৰীয়াই চাব মই চাব নোৱাৰো। সেইকাৰণে বি টি আৰ, কাৰ্বি আংলং, হাফলং আৰু ডিমাহাচাও অঞ্চলত এতিয়ালৈকে প্ৰায় চাৰে চাৰিশ কোটি টকা যোৱা তিনি বছৰত বানপানীৰ সমস্যা সমাধানৰ কাৰণে দিছো। মই সদনক জনাবলৈ পাই সুখী হৈছো যে এইবাৰ আমি এটা পাইলট প্ৰজেক্ট কৰিছো। সন্মানীয় অধ্যক্ষ ডাঙৰীয়াৰ সমষ্টিত তিনি খন নদীত আমি তেৰ কিলোমিটাৰৰ এটা পাইলট প্ৰজেক্ট কৰিছো। আমাৰ যিখিনি উত্তৰ পাৰৰ নদী আছে সেইখিনি ভূটান আৰু অৰুণাচলৰ পৰা নামি অহা আৰু গোটেই নদীসমূহৰ nature একেই। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ সমষ্টিত আমি পাইলট প্ৰজেক্ট কৰিলো আৰু আপুনি এই বিষয়ে জানে। তেৰ কিলোমিটাৰৰ আমি পাৰ্কুপাইনৰ স্কীম বনাইছো, শুক্লাই নদীৰ দুই ফালে আঠ কিলোমিটাৰ আমি পাৰ্কুপাইনৰ স্কীম কৰিছো। এই পাৰ্কুপাইনৰ স্কীম সমূহে নদীখন চেপা কৰি লৈ আহিব। নদীখন কোনফালে যায় ক'ব নোৱাৰি। আমাৰ ভূৱন পেগু ডাঙৰীয়াই কৈ আছিল আৰু মই ভি ডি অ' টো দেখুৱাইছিলো। দুয়োফালে ঘন ঘনকৈ আমি পাৰ্কুপাইনৰ স্পীন লগাইছো। মাননীয় অধ্যক্ষ ডাঙৰীয়াই মোক এইটোত সফল হোৱা বুলি কৈছে। মই এতিয়ালৈকে চাবলৈ যোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** মই ইয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, জলসম্পদ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ইয়াত সফল হও উত্তৰ পাৰৰ সকলো নদীত এনেকৈ পাৰ্কুপাইনৰ স্কীমৰ দ্বাৰা উত্তৰ পাৰৰ সকলো ৰাইজক বানপানীৰ পৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰিম। আমি গড়াখহনীয়া প্ৰতিৰোধৰ কাৰণে খুব চিৰিয়াচ। বিশ্ব বেংক আৰু ADB Project ত নতুন মঠাউৰিৰ প্ৰজেক্ট নাই। এই গোটেই পাঁচ হাজাৰ কোটি টকা phase manner ত গড়াখহনীয়া প্ৰতিৰোধৰ কাৰণে খৰচ হৈ আছে। শ্বেৰমান আলী ডাঙৰীয়া, আপুনি খবৰ ৰখা মানুহ আৰু আপুনি খবৰ ৰাখিলে গম পাব যে এই পাঁচ শ কোটি টকাৰ এটাও নতুন মঠাউৰি হোৱা নাই। ইয়াৰ কেৱল কাম হৈছে গড়াখহনীয়া প্ৰতিৰোধৰ কৰা। চাৰে তিনি হাজাৰ কোটি টকা কেৱল ব্ৰহ্মপুত্ৰ আৰু বাৰ শ কোটি টকা বেকী আৰু বুঢ়ী দিহিঙত কৰা হৈছে। তাৰোপৰি FNP টো বন্ধ হোৱা নাই। মাননীয় সদস্য আছিফ নজৰ ডাঙৰীয়া, নতুনকৈ বিধায়ক হৈ আহিছে আৰু তেওঁ কথাবিলাক ইমান নাজানে। FNP ত যোৱা বছৰ আমি ১২৫ কোটি টকা আই নদীত পাইছো আৰু পূৰ্ণ গতিত কাম চলি আছে। আপোনালোকে কৰিব নোৱাৰা কথাবোৰ লুকুৱাবলৈ অযথা বিপথে পৰিচালিত কৰিব বিচাৰে।

আপোনালোকে লাহৰীঘাটৰ বানপানী আৰু গড়াখহনীয়াক নোহোৱা কৰিব নোৱাৰিলে। মাননীয় অধ্যক্ষ মহোদয়, আমি এইদৰে অসমৰ বানপানী নোহোৱা কৰিবলৈ চেষ্টা কৰিছো। আমাৰ মাজুলীৰ বানপানী ৮০ শতাংশ নাইকিয়া হৈছে। যোৱা বছৰ নলবাৰীত যৰ পৰা পানী হৈছিলে আমাৰ তামুলপুৰৰ লাইট বেণ্ড ৰ পৰা পানী সোমায় আহে । তাতো অধ্যক্ষ ডাঙৰীয়া আমি মথাউৰি বনাই দিলো । আমাৰ নলবাৰী আৰু বক্সা জিলাত পানী হোৱা নাই । এই দৰে আমি অধ্যক্ষ ডাঙৰীয়া কামখিনি কৰিবলৈ যত্ন কৰিছো । অধ্যক্ষ ডাঙৰীয়া বৈষম্যৰ কথা কলে অন্ততমই দুখ পাম । অধ্যক্ষ ডাঙৰীয়া পুঁজি সাপেক্ষে কৰিবলগীয়া হয়, মইটো কৈয়ে দিলো কংগ্ৰেছ চৰকাৰৰ দিনত কিমান পুঁজি আছিলে আৰু আমাৰ দিনত কিমান পুঁজি। দহ গুণ পুঁজি আমি ব্যৱহাৰ কৰিছো অকল এছ অ' পি ডি ত । গতিকে অধ্যক্ষ ডাঙৰীয়া তাৰ পিছতো আমি কাম কৰিবলগীয়া আছে । শ্বেৰমান আলী ডাঙৰীয়াই এক কোটি মানৰ কথা কয় । গতিকে নিশ্চয়কৈ আমি আৰু কাম কৰিব লাগিব । যেতিয়া কোৱা হয় পুঁজি যোগান ধৰা নাই তেতিয়া অন্তৰত দুখ লাগে । অধ্যক্ষ ডাঙৰীয়া অকল ডিব্ৰুগড়ত এতিয়ালৈকে যোৱা তিনিবছৰত বিভিন্ন শিতানত ৮০৫ কোটি টকা দিয়াৰ ব্যৱস্থা কৰিছো । সোত্তৰ কোটি টকা ডিব্ৰুগড় টাউনখন প্ৰটেকশ্যনৰ বাবে যোৱা বাৰ দিলো কাম আৰম্ভ হ'ব দিয়া নাই । বানপানীৰ দিনত আমি পাৰমানেন্ট প্ৰটেকশ্যনৰ কাম নকৰো । আমি এই কেইদিন অস্থায়ীভাবে কাম কৰো । আজি প্ৰশান্ত ফুকন ডাঙৰীয়াৰ সমষ্টিত প্ৰায় ৩৫০ কোটি টকা কাম চেনচন হৈ আছে, আমি কাম কৰিব দিয়া নাই । বানপানীৰ সময়ত যদি সেইখিনি কাম কৰো বানপানীয়ে উটোৱাই নিব । অধ্যক্ষ ডাঙৰীয়া সেইখিনি কামো আমি নৱেম্বৰ মাহত কৰিম । যিয়েই নহওঁক ডিব্ৰুগড় জিলাত যোৱা তিনি বছৰত ৮০৫ কোটি টকা দিছো । যোৱাবছৰে এডিবি আৰু নিডা মিলাই ৩৫০ কোটি টকা। অধ্যক্ষ ডাঙৰীয়া তিনিচুকীয়া জিলাত ২৯৩ কোটি দিছো । অধ্যক্ষ ডাঙৰীয়া শিৱসাগৰ জিলাত ২২০ কোটি টকা, চাৰইদেউ জিলাত ১৭ কোটি টকা, যোৰহাট জিলাত ৭১ কোটি, গোলাঘাট ৬৩ কোটি টকা, ধেমাজি জিলাত প্ৰায় ২৫০ কোটি টকা, ঢকুৱাখানত ৪০ কোটি টকা আৰু এইবাৰ আমি এশ কোটি টকা দিয়াৰ ব্যৱস্থা কৰিম । অধ্যক্ষ ডাঙৰীয়া নৰ্থ লক্ষিমপুৰত ১১০ কোটি টকা এইবাৰ আমি ২০ কোটি টকা দিয়াৰ ব্যৱস্থা কৰিম । মাজুলীত ১০৪ কোটি টকা আৰু এইবাৰ আমি অতি কমেও ২৫-৩০ কোটি টকা দিম । বিশ্বনাথত ৯৫ কোটি, শোণিতপুৰত ১৭২ কোটি, নগাওঁ ১৫৮ কোটি, মৰিগাওঁত ৫২৯ কোটি ইয়াৰে ৪০০ কোটি টকা অকল লাহৰীঘাটতে আছে । লাহৰীঘাটৰ বিধায়কে কলে আমি একো কাম কৰা নাই অলপ দুখ লাগিব লাগিছিলে সদনৰ আগত কলো। কংগ্ৰেছৰ গোটেই পাচ বছৰৰ বাজেট নাছিলে । আপুনি কাম নাই হোৱা বুলি কোৱাৰ কাৰণে মই উত্তৰ দি আছো । কামৰূপ মেট্ৰ'ত ৩০৫ কোটি টকা তাৰে পিজিপিত ৮৫ কোটি টকা, কামৰূপ গ্ৰাম্যত ৩৪১ কোটি টকা, দৰং ১৫৩ কোটি টকা, নলবাৰী ৭৪ কোটি টকা, বৰপেটা ২০৫ কোটি টকা, বিৰোধী দলপতিয়ে কৈছে বৈষ্যমতা কৰা বুলি কৈছে । কিন্তু কি বৈষ্যমতা কৰিছো । ধিংত ৪০ কোটি টকা, বজালী ১০৪ কোটি টকা, বঙাইগাওঁ ১৭ কোটি টকা, ধুবুৰীত ৪৮ কোটি টকা, গোৱালপাৰাত ২৫০ কোটি টকা, দক্ষিন শালমাৰত ১৪ কোটি টকা, বাক্সা জিলাত ৭০ কোটি টকা, তামুলপুৰত ১২৭ কোটি টকা, ওদালগুৰী জিলাত ৮৮ কোটি টকা, কোকৰাঝাৰত ৬৬ কোটি টকা, চিৰাং ২০২ কোটি টকা, ডিফু ৬৮ কোটি টকা, কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং ২৭ কোটি টকা, হাফলং ৮ কোটি টকা, কাছাৰ ১১৪ কোটি টকা, বদৰপুৰ ৪৮ কোটি টকা, কৰিমগঞ্জ ৮৭ কোটি টকা আৰু হাইলাকান্দিত এজনো বিজেপি বিধায়ক নোহোৰ স্বত্তেও টকা দিয়া হৈছে । তেতিয়াহ'লে কেনৈকে বৈষ্যমতা কৰিছো বুলি কৈছে । সন্মানীয় বিধায়ক

ওৱাজেদ আলি চৌধুৰী ডাঙৰীয়াৰ সমষ্টিত অহা নৱেম্বৰ মাহত যাম, তেখেতে সেইসময়ত মোৰ লগত থাকিব লাগিব। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই এইখিনিয়ে কথা কলো, অসমত বানপানীৰ সমস্যা নাইকিয়া কৰিবলৈ আৰু কাম কৰিব লাগিব। মই মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে বিত্তমন্ত্ৰী ডাঙৰীয়নিক ধন্যবাদ জ্ঞাপন কৰিছো মোক এইখিনি কাম কৰিবলৈ সুযোগ দিয়াৰ বাবে। মাননীয় অধ্যক্ষ মহোদয়, মথাউৰি ভাঙিলে মন্ত্ৰী যাবলৈ ভয় কৰে, কিন্তু মই তিনি চাৰি ঘন্টাৰ ভিতৰতে গৈ ওলাও। বৰাক ভেলিত মথাউৰি ভাঙত মই তিনি চাৰিবাৰ চাবলৈ গৈছো। আগতে মন্ত্ৰীয়ে মথাউৰি ভঙা চাবলৈ গলে ৰাইজে খেদে, কিন্তু মোক আজিলৈকে ভগৱানৰ আশিৰ্বাদত কতো খেদা নাই। সেই সাহসৰে মই গৈ আছো আৰু যাম এই সদনত মই প্ৰতিশ্ৰুতি দিছো।

মাননীয় অধ্যক্ষ মহোদয়, মই আকৌ কৈছো আৰু কাম কৰিব আছে। অসমখনক দেশৰ পাঁচখন উন্নত ৰাজ্যৰ মাজলৈকে লৈ যাব লাগে, সকলোতে কাম কৰিব লাগিব একেবাৰে শদিয়াৰ পৰা ধুবুৰীলৈকে, বৰাকত, হাফলংত, কাৰ্বিআংলংত, ডিমাহাছাও, বি টি আৰ, সকলোৰে কাম কৰিম আৰু কৰিবলৈ চেষ্টা কৰিম। যিমান পাৰো কৰিম এই প্ৰতিশ্ৰুতি দি মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া পৰিপূৰক দাবী মঞ্জুৰীৰ নং ২, ৩, ৪, ৬, ৭, ১১, ১২, ১৩, ১৪, ১৭, ১৯, ২১, ২২, ২৫, ২৬, ২৮, ২৯, ৩০, ৩১, ৩৪, ৩৭, ৩৮, ৩৯, ৪০, ৪১, ৪২, ৪৩, ৪৭, ৪৮, ৫২, ৫৫, ৫৭, ৫৯, ৬২, ৬৩, ৬৪, ৬৫, ৬৭, ৭১, ৭৩, ৭৬, ৭৭, ৭৮ আৰু ৮০ ভোটদানৰ বাবে সদনত দাঙি ধৰিলো।

যিসকল মাননীয় সদস্য/সদস্যা মঞ্জুৰী প্ৰস্তাৱ সমূহৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয',

যিসকল মাননীয় সদস্য/সদস্যা মঞ্জুৰী প্ৰস্তাৱ সমূহৰ বিপক্ষে আছে, তেখেত সকলে কওঁক 'নহয়',

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত হ'ল।

২০২৪-২৫ বৰ্ষৰ দাবী মঞ্জুৰীসমূহ পাৰিত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং -৫। ৰাজভৱনৰ পৰা এটা বাণী আছে। বাণীটো হ'ল - under the provision of Article 207 (1) of the Constitution of India, I, Shri Lakshman Prasad Acharya, Governor of Assam recommend that "The Assam Appropriation no-III Bill, 2024" be taken into introduction by the Assam Legislative Assembly.

Now Hon'ble Finance Minister.

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Assam Appropriation no-III Bill, 2024" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিলো।

**माननीय অধ্যক্ষঃ** প্ৰশ্নটো হ'ল যে বিধেয়য়ক খন উত্থাপন কৰিবৰ কাৰণে অনুমতি দিয়া হওঁক।

যিসকল মাননীয় সদস্য/ সদস্যা সপক্ষে আছে তেখেত সকলে কওক 'হয়',

যিসকল মাননীয় সদস্য/ সদস্যা বিপক্ষে আছে, তেখেত সকলে কওক 'নহয়',

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে,

অনুমতি প্ৰদান কৰা হ'ল।

মাননীয় মন্ত্ৰী মহোদয় ।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Assam Appropriation no-III Bill, 2024" সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং -৬। ৰাজভৱনৰ পৰা এটা বাণী আছে। বাণীটো হ'ল - under the provision of Article 207 (3) of the Constitution of India, I, Shri Lakshman Prasad Acharya, Governor of Assam recommend that "The Assam Appropriation no-III Bill, 2024" be taken into consideration and passing by the Assam Legislative Assembly.

Now, Hon'ble Finance Minister.

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Assam Appropriation no-III Bill, 2024" সদনত বিবেচনাৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** মই এতিয়া সদনত প্ৰস্তাৱটো ভোটদানৰ বাবে ৰাখিলো ।
প্ৰশ্নটো হ'ল যে "The Assam Appropriation no-III Bill, 2024" বিধেয়কখন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওক 'হয়',

যিসকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে, তেখেত সকলে কওক 'নহয়',

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

এতিয়া সদনত বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে ৰখা হ'ব।

২ আৰু ৩ নং দফাত কোনো সংশোধনী নাই। এতিয়া ২ আৰু ৩ নং দফা দুটা সদনত ভোটদানৰ বাবে ৰাখিম।

প্ৰশ্নটো হ'ল যে ২ আৰু ৩ নং দফা দুটা বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে তেখেত সকলে কওক 'হয়',

যিসকল  বিপক্ষে আছে, তেখেত সকলে কওক 'নহয়',

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

২ আৰু ৩ নং দফা দুটা বিধেয়কখনৰ অংশ হ'ল।

মই এতিয়া ১ নং দফা অধিনিয়ম সূত্ৰ প্ৰস্তাৱনা, শিৰোনামা আৰু অনুসূচীখন সদনত ভোটদানৰ বাবে ৰাখিম।

প্ৰশ্নটো হ'ল যে ১ নং দফা অধিনিয়ম সূত্ৰ প্ৰস্তাৱনা, শিৰোনামা আৰু অনুসূচীখন বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওক 'হয়',

যিসকল মাননীয় সদস্য/সদস্যা  বিপক্ষে আছে, তেখেত সকলে কওক 'নহয',

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

১ নং দফা অধিনিয়ম সূত্ৰ প্ৰস্তাৱনা, শিৰোনামা আৰু অনুসূচীখন  বিধেয়কখনৰ অংশ হ'ল।

মাননীয় মন্ত্ৰী মহোদয়া

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্ত মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Appropriation no-III Bill, 2024" পাৰিত কৰণৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল যে বিধেয়কখন পাৰিত কৰা হওক।

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়,

যিসকল মাননীয় সদস্য/সদস্যা  বিপক্ষে আছে, তেখেত সকলে কওক নহয়,

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গ্ৰহণ  কৰা হ'ল আৰু বিধেয়কখনো পাৰিত কৰা হ'ল।

The House is adjourned till 9.30 A.M on 29-08-2024.